নৱজ্যোতি
nabajyoti




NABAJYOTI COLLEGE
LEARN, LABOUR & SERVE
KALGACHIA, ASSAM



# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## চতুৰ্বিংশতিতম সংখ্যা ■ বৰ্ষ- ২০০৮-০৯





তত্ত্বাৱধায়ক অধ্যাপক
ড° ভগীৰথ চন্দ্ৰ নাথ

সম্পাদক
আতিকুৰ ৰহমান

# নৱজ্যোতি মহাবিদ্যালয়

# আলোচনী

## চতুৰ্বিংশতিতম সংখ্যা

## বৰ্ষ- ২০০৮-০৯

# Nabajyoti College Magazine

## 24th Issue * 2008-09

To,

..............................................................................................................

..............................................................................................

Editor

তত্বাৱধায়ক
ড° ভগীৰথ চন্দ্ৰ নাথ
সম্পাদক
আতিকুৰ ৰহমান

Incharge
Dr. Bhagirath Ch. Nath
Editor
Atiqur Rahman

# নৰজ্যোতি মহাবিদ্যালয়

# আলোচনী

## চতুৰ্বিংশতিতম সংখ্যা

## বৰ্ষ-২০০৮-০৯

বেটুপাত পৰিকল্পনা-

ড° এম, এচ, শ্বেইখ

ডি, টি, পি- মোঃ জাহিদুল ইছলাম

অফ্‌ছেট অপাৰেটৰ- জছিম উদ্দিন আজাদ

মুদ্ৰণ- প্ৰগতি অফ্‌ছেট, কলগাছিয়া

ফোন- ৯৯৫৪৮৯৬৯৪৫

### সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতি | ঃ মতিউৰ ৰহমান, ভাঃ প্ৰাঃ অধ্যক্ষ |
| সম্পাদক | ঃ আতিকুৰ ৰহমান |
| তত্বাৱধায়ক | ঃ ড° ভগীৰথ চন্দ্ৰ নাথ |
| সদস্যবৃন্দ | ঃ অধ্যাপক, শ্ৰীঘনশ্যাম ভড়ালী |
| | অধ্যাপক, কাইয়ুম কবীৰ আহমেদ |
| | অধ্যাপক, ড° এম, এচ, শ্বেইখ |
| | অধ্যাপক, সাহাবুদ্দিন খান |
| | অধ্যাপক, আবুল কাশেম দেৱান |
| | অধ্যাপক, মোঃ মাছুদ হাছান |
| | অধ্যাপক, ছামচুল আলম |
| | ৰেজাউল ৰছুল হক, সাঃ সম্পাদক |

ছাত্ৰ একতা সভা



## অশ্ৰুভৰা সোঁৱৰণী



১৯৫০ চনৰ মে' মাহৰ ২ তাৰিখত বামুনটাৰী গাঁৱত জন্ম গ্ৰহণ কৰা ইদ্ৰিছ উদ্দিন আহমেদে নৰম শ্ৰেণী উত্তীৰ্ণ হৈ ১-৪-১৯৮১ চনত নৰজ্যোতি মহাবিদ্যালয় গ্ৰন্থাগাৰত চতুৰ্থ বৰ্গৰ চাকৰিত মকৰল হোৱাৰ পাছৰে পৰাই নিষ্ঠা আৰু বিচক্ষণতাৰে কৰ্তব্য পালন কৰি থাকোতে স্নায়ু ৰোগত আক্ৰান্ত হৈ ১৬-০৩-২০১০ তাৰিখত দিনৰ ২ বজাত পৰলোকপ্ৰাপ্তি হয়। নম্ৰতা ও কৰ্মদক্ষতাৰ বাবে সকলোৰে মাজত অতিকৈ প্ৰিয় ইদ্ৰিছ চাহাবৰ অকাল মৃত্যুত মৃয়মান নৰজ্যোতি মহাবিদ্যালয় পৰিয়ালবৰ্গই তেখেতৰ আত্মাৰ মাগফিৰাত আৰু বেহেস্ত নছিৱ কামনাৰে ...............

সম্পাদনা সমিতি

## উছৰ্গা

সাম্প্ৰদায়িক সংঘৰ্ষ ও সন্ত্ৰাস জৰ্জৰতাত
বলি হোৱা সহস্ৰ নিৰীহজন আৰু গৰাখহনীয়া,
বানপানী, ধুমুহা আদি প্ৰাকৃতিক দুৰ্যোগত প্ৰাণ হেৰুৱা
সকলৰ লগতে এইখন মহাবিদ্যালয় স্থাপনৰ মাধ্যমেৰে
পিছপৰা দুৰ্গম অঞ্চলত জ্ঞানৰ পোহৰ বিলাই কালৰ
সোঁতত আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱা
সদাশয় ব্যক্তি আৰু কলিতে মৃত্যুক সাৱটি
লোৱা শিক্ষাৰ্থী সকলৰ আত্মাৰ চিৰ শান্তি
কামনাৰে ............

সম্পাদক

*Abdul Khaleque*
MLA, 44 No. Jania LAC
Chairman, Assam Board of Wakfs
Member, Committee on Public Accounts
and Ethics Assam Legislative Assembly

Qr. No.- 62, Old MLA Hostel
P.O.- Assam Secretariat,
Dispur, Guwahati-6
Phone- 2235406 (R)
2235285 (O)
E-mail : mlajania@rediffmail.com



## শুভেচ্ছাবাণী


নৰজ্যোতি মহাবিদ্যালয় অসমৰ বাংলামূলৰ মুছলমান অধ্যুষিত এলেকাৰ প্ৰথমখন উচ্চ শিক্ষাৰ অনুষ্ঠান। কৃষি প্ৰধান এই এলেকাৰ মুখিয়াল ব্যক্তিসকলে অশেষ কষ্টেৰে গঢ়ি তুলিছিল এই শিক্ষানুষ্ঠান। বিশ্বায়ন আৰু প্ৰতিযোগিতাৰ যুগত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে সকলো বাধা বিঘিনি নেওচি আগবাঢ়ি যাব পাৰিলেই সাৰ্থক হ'ব মুখিয়াল ব্যক্তিসকলৰ সেই পৰিশ্ৰম। মোৰ গভীৰ বিশ্বাস সেই কষ্টসাধ্য কাম আজিৰ নৰজ্যোতিয়ান সকলে অনায়াসে কৰিবলৈ সক্ষম হ'ব।

২০০৮-০৯ চনৰ নৰজ্যোতি মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হ'ব বুলি কামনা কৰাৰ লগতে নৰজ্যোতিয়ান সকলৈ মোৰ অন্তৰ ভৰা শুভেচ্ছা যাচিলোঁ।

২৩/০২/১০
(আব্দুল খালেক)



**মহঃ দিলৰাৰ হুছেইন,** *এ, ই, এচ,*
অৱসৰপ্ৰাপ্ত সঞ্চালক, উচ্চ শিক্ষা অসম
সভাপতি, পৰিচালনা সমিতি,
নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।



## শুভেচ্ছাবাণী

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ উত্তম মাধ্যম হ'ল আলোচনী। অনুষ্ঠান এখনৰ গুণগত বিকাশৰ মাপকাঠি স্বৰূপ এই আলোচনীৰ জড়িয়তে নিজকে মানৰ সম্পদ ৰূপে গঢ়ি তুলিবলৈ সাধনা, অধ্যৱসায় আৰু প্ৰজ্ঞাৰ প্ৰয়োজন। শিক্ষণ আৰু লিখনিৰ বিৰামহীন প্ৰচেষ্টাৰে মহাবিদ্যালয়ৰ কৃতকাৰ্যতাৰ লগতে সমাজৰ, দেশৰ, বিশ্বৰ বিভিন্ন জ্ঞানধৰ্মী দিশ উন্মোচন কৰি ভৱিষ্যত কামৰ প্ৰেৰণাৰ উৎস হিচাবে চতুৰ্বিংশতিতম "নৰজ্যোতি মহাবিদ্যালয় আলোচনীখন" তথ্য চহকী কৰি প্ৰকাশিত হ'ব বুলি আশা কৰিলোঁ।

(দিলৰাৰ হুছেইন)

Office of the Principal

# NABAJYOTI COLLEGE, KALGACHIA

P.O.- Kalgachia, Dist.- Barpeta (Assam)
Pin- 781319
'B' Grade Accredited by NAAC

**From,**

*Motiar Rahman*, *M.A. (Gold Medalist)*
Principal in-charge/Secretary

Ph- 03666- 284422 (O)
9954477230 (R)

*Memo No....................* *Date....................*

## MESSAGE

It gives me immense pleasure to know that the College Magazine of Nabajyoti College, Kalgachia is going to be published soon. I hope that the magazine will serve as the best platform to reflect the aims and aspirations of the learners as well as the learned in the inexorable advancement of the knowledge society and the knowledge economy.

**Principal i/c,**
Nabajyoti College, Kalgachia



## প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষৰ মেজৰ পৰা-

২০০৬ চনৰ ২ ফেব্ৰুৱাৰীত কঠিন দূৰাৰোগ্য ৰোগত ভূগি মৃত্যুৰ পৰা কথমপি ৰক্ষা পৰি শৰীৰৰ সোঁ অংশত 'অৰ্দ্ধাংগ' বেমাৰ লৈয়ে যুদ্ধত যাঠি-বল্লম লোৱাৰ দৰে এটা সুস্থিৰ মনোবলেৰে যোৱা ২০০৯ ইং চনৰ ১ নবেম্বৰত কলেজৰ ভাৰ প্ৰাপ্ত অধ্যক্ষ/সম্পাদক হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। সভ্যতাৰ উচ্চমানৰ আৰু প্ৰজ্ঞাৰ ঐশৰ্যৰে পৰিপূৰ্ণ কলা, বিজ্ঞান আৰু বাণিজ্য শিক্ষাৰ এক দাৰ্শনিক চিন্তাৰ গভীৰতা থকা নৱজ্যোতি মহাবিদ্যালয় এখনি অগ্ৰণী শিক্ষানুষ্ঠান। নামনি অসমৰ মুছলমান অধ্যুষিত অঞ্চলৰ এক আদৰৰ অনুষ্ঠান। এই কথা স্বীকাৰ কৰিব লাগিব যে, অতি কম সময়তে এই পিছপৰা অঞ্চলটোৰ পৰা এই অনুষ্ঠানে দিয়া বিদ্যায়তনিক দিশত বিশেষ ক্ষমতা দেখুৱাবলৈ সক্ষম হোৱাত NAAC ৰ 'B' গ্ৰেড লাভ কৰি গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হয়। তেনে এখন অনুষ্ঠানৰ অধ্যক্ষ হবলৈ পাই নিজকে ধন্য মানিছোঁ। ১৯৭১ চনৰ পৰা আজিলৈকে অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰা যথাক্ৰমে প্ৰয়াত বছিৰ উদ্দিন আহমেদ, আব্দুছ ছাত্তাৰ আহমেদ, এম, মোজাম্মেল হুছেইন, ওমৰ আলী আহমেদ আদি মান্য ব্যক্তি সকলৰ পিছত মই জ্যেষ্ঠতাৰ ভিত্তিত অধ্যক্ষ পদ পাব লাগিছিল যদিও অধ্যাপক মতিয়াৰ ৰহমানক অধ্যক্ষ পদত নিয়োগ কৰে। পিছত তেওঁ হজযাত্ৰী হোৱাৰ বাবে মাত্ৰ দুমাহৰ বাবে মোক অধ্যক্ষ পদত অধিষ্ঠিত কৰা হয়।

১৯৭৬ চনৰ আগষ্ট মাহৰ পৰা মই ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক হিচাবে কৰ্মৰত অৱস্থাত দুবাৰকৈ Governing Body ৰ সদস্য হিচাবে থাকো। এই সময়ছোৱাত ৰাজনীতিবিদ সকলৰ লগত সু-সম্বন্ধ থকাত মুখ্যমন্ত্ৰী স্বৰ্গীয় হিতেশ্বৰ শইকীয়া মহোদয়ৰ পৰা কলেজ উন্নয়নৰ বাবে দুই লাখ টকা, ডাঃ ভূমিধৰ বৰ্মণ দেৱৰ পৰা দুই লাখ টকা (লটাৰী ফাণ্ডৰ), অসম লোক সেৱা আয়োগৰ প্ৰাক্তন সভাপতি ডাঃ তাৰা প্ৰসাদ দাস দেৱৰ পৰা এক লাখ টকা, হোজাইৰ হাজী আব্দুৰ ৰৌফৰ পৰা ৬০ হাজাৰ আৰু বিধায়ক চন্দন কুমাৰ সৰকাৰৰ পৰা এক লাখ টকা আনি দিয়াত তেতিয়াৰ অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদক প্ৰত্যক্ষ ভাবে সহায় কৰি কলেজখনক বিদ্যায়তনিক দিশৰ লগতে আৰ্থিক ভাবে শক্তিশালী কৰিবলৈ সক্ষম হৈছিলোঁ। ভৱিষ্যতে প্ৰতিভাসম্পন্ন যুৱশক্তিৰ শাৰিৰীক, মানসিক শক্তিৰ উৎকৰ্ষ সাধন আৰু প্ৰতিভা বিকাশৰ পথ এই অনুষ্ঠানৰ জড়িয়তে বিকশিত হওঁক। তেওঁলোকে জীৱনৰ সকলো ক্ষেত্ৰতে নেতৃত্ব বহন কৰিবলৈ সক্ষম হওঁক এয়ে মোৰ কামনা। সামাজিক সমতা আৰু সামাজিক ন্যায়ৰ উত্তৰণ ঘটাবলৈ সক্ষম হওঁক। সময়ৰ লগত খোজ মিলাই নৱজ্যোতি মহাবিদ্যালয় খনকো আলিগড় বিশ্ববিদ্যালয়ৰ ৰূপত গঢ় দি এদিন ভাৰতৰ আগশাৰীৰ শিক্ষানুষ্ঠান হিচাবে গঢ় লব বুলি আশা ৰাখিছোঁ। কলেজৰ আলোচনীখন প্ৰকাশৰ কথা জানিব পাৰি মই শলাগ লৈছোঁ।

শেষত প্ৰশাসনীয় কাম-কাজত মোৰ সতীৰ্থ বন্ধুসকল আৰু ননটিচিং কৰ্মচাৰী সকলৰ কথা সদায় মনত থাকিব। কলেজৰ সামগ্ৰীক উন্নয়নৰ কাৰণে দুই মাহ সময় দুটোপাল পানীও নহয়। তেনে ক্ষেত্ৰত নানা বিপৰ্যয়ৰ মাজত মোৰ ব্যক্তিগত শাৰিৰীক অক্ষমতা থকা সত্বেও মানসিক মনোবলেৰে কলেজখনৰ উজ্জ্বল কামনা কৰি সামৰিলোঁ।

**খন্দকাৰ আব্দুল গফুৰ**
**প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ,**
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

TechNova NovaDom USR 1001502490 DS 0201810 17:30



## সম্পাদকীয়.........

প্ৰতিবেদনৰ পাতনিতে যিসকল মহান ব্যক্তিৰ অশেষ চেষ্টা, ত্যাগ, পৰিশ্ৰমৰ ফলত সংখ্যালঘু অধ্যুষিত অঞ্চলত এইখন মহাবিদ্যালয় গঢ়ি উঠিছে, সেই মহান ব্যক্তিৰ ভিতৰত আমাৰ মাজত থকা সকলৰ দীৰ্ঘায়ু কামনা কৰোঁ আৰু যিসকলে চিৰ বিদায় লৈছে তেখেতসকলৰ আত্মাৰ সদগতি কামনা কৰিছোঁ।

যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি, ভন্টিৰ অশেষ প্ৰচেষ্টাৰ ফলত নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ পদ অলংকৃত কৰিব পাৰিছো তেওঁলোককৈ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

জ্ঞানৰ ভড়াল স্বৰূপ নৱজ্যোতি মহাবিদ্যালয় পশ্চিম বৰপেটা আৰু পূব অভয়াপুৰীৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। গতিকে এইখন মহাবিদ্যালয়ৰ বৌদ্ধিক মান উন্নত কৰি ৰখাটো আমাৰ কৰ্তব্য। বিশেষকৈ ধৰ্মীয় সংখ্যালঘু অঞ্চলৰ উন্নতি কৰিবৰ বাবে গুণগত শিক্ষাৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মাজত একতাৰ মনোভাৱ গঢ়ি উঠা নিত্যান্ত প্ৰয়োজন। দুখীয়া, কৃষিজীৱি, চৰ-চাপৰিবাসী এই অঞ্চলৰ উন্নতিকল্পে আমি প্ৰকৃত শিক্ষা গ্ৰহণ কৰিব লাগিব। বৰ্তমান যুগ হ'ল প্ৰতিযোগিতা, কম্পিউটাৰ, সূচনা আৰু প্ৰযুক্তিৰ যুগ। ইয়াত ছাত্ৰ-ছাত্ৰীৰ কৰ্ম দক্ষতাৰ ওপৰত সকলো নিৰ্ভৰ কৰে। গতিকে গুণগত শিক্ষাৰ মাধ্যমেৰে মানৱ প্ৰকৃত সম্পদ গঢ়িতোলাত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজনবোধ কৰো।

নৱজ্যোতি মহাবিদ্যালয় আলোচনীখন সাহিত্য প্ৰেমী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ উত্তম মাধ্যম। গতিকে এই আলোচনীখনৰ প্ৰতি সকলো ছাত্ৰ-ছাত্ৰীৰ সু-দৃষ্টি ৰখা দৰকাৰ। বৰ্তমান নৱ প্ৰজন্মৰ শিক্ষাৰ্থীয়ে অধ্যয়নৰ মাধ্যমেৰে শুদ্ধ মতাদৰ্শ গ্ৰহণ কৰি ভুল ভ্ৰান্তিবোৰ আতৰাই প্ৰতিটো সৎ কাৰ্য্যৰ প্ৰতি সচেতন হোৱা প্ৰয়োজন। সু-সাহিত্যিক, বুদ্ধিজীৱি হবলৈ হলে বলিষ্ঠ লিখনিৰ প্ৰয়োজন। এনে কাৰ্য আৰু চিন্তাধাৰাৰ জৰিয়তে সুস্থ সমাজ গঢ়াত আমি ছাত্ৰ-ছাত্ৰীয়ে নেতৃত্ব লব লাগে। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, কবি গুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, হোমেন বৰগোহাঁইৰ আদৰ্শ ও অনুপ্ৰেৰণাৰে সমাজত বিকাশৰ বিপ্লৱ আনিব লাগিব।

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ কাৰণে মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আগবঢ়োৱা সহায় সহযোগিতা আৰু উপদেশৰ বাবে প্ৰাক্তন ভাৰপ্ৰাপ্ত মাননীয় অধ্যক্ষ ওমৰ আলী আহমেদ আৰু খন্দকাৰ আব্দুল গফুৰ তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ, মাননীয় মতিউৰ ৰহমান চাহাব, তত্বাৱধায়ক অধ্যাপক ড° ভগীৰথ চন্দ্ৰ নাথ, সম্পাদনা সমিতিৰ সমূহ সদস্য, লেখক-লেখিকা, ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকা, বন্ধু-বান্ধৱী তথা মহাবিদ্যালৰ কৰ্মচাৰীবৃন্দলৈ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আলোচনীখনৰ মানৰ উৎকৰ্ষ বৃদ্ধি কৰাত প্ৰত্যক্ষ ও পৰোক্ষভাৱে সহায় কৰা সন্মানীয় শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীসকলে অনাগত দিনত লেখক-লেখিকা, সমালোচক, কবি, সাহিত্যিক হওঁক আৰু দেশ তথা জাতি গঠনত ঐক্য আৰু প্ৰগতিৰে আমাৰ সমাজক দুৰ্নীতি মুক্ত মানৱ সমাজ ৰূপে গঢ়াত মূখ্য ভূমিকা লওঁক। আলোচনীখন সৰ্বাংগ সুন্দৰ কৰি ছপা কৰি উলিওৱাত সহায় কৰা শিক্ষাগুৰু ড° এম, এছ, শ্বেইখ আৰু প্ৰগতি অফ্‌ছেটৰ স্বত্বাধিকাৰী নুৰুল ইছলাম আৰু কৰ্মীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰি সম্পাদকীয় প্ৰবেদনৰ সামৰণি মাৰিলোঁ।

**ধন্যবাদেৰে-**
**আতিকুৰ ৰহমান**
সম্পাদক, আলোচনী বিভাগ।



আলহাজ মতিউৰ ৰহমান, স্বৰ্ণপদক প্ৰাপ্ত
ভাৰপ্ৰাপ্ত অধ্যক্ষ
(০১-১০-২০০৯ ৰ পৰা
৩১-১০-২০০৯ আৰু ০১-০১-২০১০----)




খন্দঃ আঃ গফুৰ
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ
(০১-১১-২০০৯ ৰ পৰা ৩১-১২-২০০৯)



ওমৰ আলী আহমেদ
অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ
(০১-১০-২০০৬ ৰ পৰা ৩০-০৯-২০০৯)



সম্পাদনা সমিতি ঃ বাওঁফালৰ পৰা ক্ৰমে আতিকুৰ ৰহমান (সম্পাদক), ড° শ্বাহাজামাল শ্বেইখ (সদস্য), ড° ভগীৰথ চন্দ্ৰ নাথ (তত্বাৱধায়ক), ঘনশ্যাম ভৰালী (সদস্য), কায়ুম কবিৰ আহমেদ (সদস্য), ছামচুল আলম (সদস্য), আলহাজ মতিউৰ ৰহমান (সভাপতি), মাচুদ হাছান (সদস্য), সাহাবুদ্দিন খান (সদস্য), আবুল কাশেম দেৱান (সদস্য), ৰেজাউল ৰছুল হক (সদস্য)।




গুৱাহাটী বিশ্ববিদ্যালয়ৰ ২০০৭-০৮ ইং বৰ্ষৰ চূড়ান্ত পৰীক্ষাত আৰবী গুৰু বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰা আবু নাছেৰক মাননীয় দিলৱাৰ হুছেইন, উচ্চ শিক্ষা সঞ্চালক, অসম আৰু মাননীয় আব্দুল খালেক, বিধায়ক জনীয়া সমষ্টিৰ দ্বাৰা পুৰস্কৃত কৰা অৱস্থাত।



ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা আৰু তত্বাৱধায়ক অধ্যাপক-অধ্যাপিকা সকলঃ- বাওঁফালৰ পৰা বহি থকা আবুতালেব মিয়া, উপ-সভাপতি, আতোৱাৰ ৰহমান, তত্বাবধায়ক, তৰ্ক বিভাগ, মোঃ ইছমাইল হুছেইন শিকদাৰ, তত্বাৱধায়ক, সমাজ সেৱা বিভাগ, ড° ভগীৰথ চন্দ্ৰ নাথ, তত্বাৱধায়ক, আলোচনী বিভাগ, ওমৰ আলী আহমেদ, সভাপতি, ছঃ এঃ সঃ, শ্ৰী সুশীল কুমাৰ সৰকাৰ, তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ, কামাৰুজ্জামান, তত্বাৱধায়ক, ছঃ এঃ সঃ, ড° ফকৰুল আলম, তত্বাৱধায়ক, গুৰু খেল বিভাগ, মহঃ ৰেজাউল ৰছুল হক, সাঃ সম্পাদক, ছঃ এঃ সঃ। থিয় হৈ বাওঁফালৰ পৰা আতিকুৰ ৰহমান, সম্পাদক আলোচনী বিঃ , আলিয়া খাতুন, সহঃ সাঃ সম্পাদিকা, ৰুবিনা খাতুন, সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা, ফিৰদাউছ আলী, সম্পাদক, শৰীৰ চৰ্চা বিভাগ, দেৱান আব্দুল হক, সম্পাদক, তৰ্ক বিভাগ, শ্বেখ মুকুল হুছেইন, সম্পাদক, সাংস্কৃতিক বিভাগ, মুকুল সৰকাৰ, সম্পাদক, গুৰু খেল বি ভাগ। অনু পস্থিত তত্বাবধায়ক আৰু সদস্য- সদস্যা সকল- ছৈয়দা হামিদা খাতুন, তত্বাৱধায়ক, ছাত্ৰী জিৰণী কোঠা, মাচুদ হাচান, তত্বাৱধায়ক, লঘূ খেল বিভাগ, শ্ৰী বি, কি, শ্যামল, তত্বাৱধায়ক, শৰীৰচৰ্চা বিভাগ, ইলিমা খাতুন, সম্পাদিকা, সমাজ সেৱা বিভাগ, শফিকুল ইছলাম, সম্পাদক, লঘূ খেল বিভাগ।



আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ একাংশ।

# সূচী-পত্ৰ


| | | |
|---|---|---|
| জ্যোতি প্ৰসাদৰ 'নিমাতী কইনা'— এটি চমু আলোচনা | ড° ভগীৰথ চন্দ্ৰ নাথ | ১ |
| বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ নৈতিকতা | শ্বেখ খাইৰুল ইছলাম | ৫ |
| অসমৰ ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ দুৰৱস্থা | আবু তাহেৰ খান | ৬ |
| গুণগত শিক্ষাত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ কৰ্তব্য | ড° এম, এছ, শ্বেইখ | ৮ |
| আধুনিকতা আৰু ছাত্ৰ সমাজত ইয়াৰ প্ৰভাৱ | সাকিল আহমেদ | ১২ |
| শিক্ষাৰ অধিকাৰ আইন- ২০০৯, সম্ভাৱনা আৰু সংশয় | হানিফ মুস্তাক আহমেদ | ১৩ |
| কলেজৰ দুৱাৰমুখত প্ৰথমটো খোজৰ উপলব্ধি | মোঃ ৰেজাউল ৰছুল হক | ২০ |
| প্ৰচলিত শক্তিৰ উৎস আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ | আবুবক্কৰ ছিদ্দিক | ২১ |
| দৰিদ্ৰতা ! আশা আৰু বিশ্বাস | মোঃ মতিউৰ ৰহমান | ২৪ |
| নক্ষত্ৰ সংক্ষিপ্ত জীৱন বৃত্তান্ত আৰু কৃষ্ণ গহ্বৰ | কামাৰুজ্জামান | ২৬ |
| বন্ধুত্ব এক বিহংগম অনুভৱ | মাহমুদুল ইছলাম | ৩০ |
| প্ৰতাৰণা | শ্বেখ খাইৰুল অলম | ৩২ |
| বনকৰা ছোৱালী | ৰৌশনাৰা আকতাৰ | ৩৫ |
| জ্বলন্ত অনুকৰণ | ছৰোৱাৰ আল আৰিফ | ৪০ |
| আড্ডা | মহিবুৰ ৰহমান | ৪১ |


## কবিতা


| | | |
|---|---|---|
| মোৰ কাংক্ষিত পৃথিৱী | নূৰুন নাহাৰ আমিন | ৪৩ |
| নৰজ্যোতি মহাবিদ্যালয় | এম, মিজানুৰ ৰহমান | ৪৪ |
| স্বাধীনতা দিৱস উৎযাপন | জহুৰুল ইছলাম | ৪৫ |
| প্ৰকৃতি | মোঃ মতিউৰ ৰহমান | ৪৬ |

| | | |
|---|---|---|
| চিৰ চেনেহী অসমী আই | নুৰজাহান আমিন | ৪৭ |
| হৃদয় | হাফিজুৰ ৰহমান | ৪৮ |
| সঁহাৰি | ফজিলা বেগম | ৪৯ |
| ৰঙা গোলাপ | আঞ্জুমা আহমেদ নাৰ্গিছ | ৫০ |
| কিয়? | মফিদুল ইছলাম | ৫১ |
| মই মানৱ জাতিৰ প্ৰেমত পৰিছোঁ | জেছমিন নেহাৰ | ৫২ |
| তোমাৰ স্মৃতি | পিয়াৰা বেগম | ৫৩ |
| নিসংগতাৰ বেদনা | ৰফিকুল ইছলাম | ৫৪ |
| স্মৃতি | ছানিয়াৰা আহমেদ | ৫৫ |
| নিজ মহাবিদ্যালয় আৰু মই | মোঃ আবুতালেব মিয়া | ৫৬ |
| জীৱন | কায়েম কবিৰ ৰহমান | ৫৭ |
| Nabajyoti College and My Experience | Omar Ali Ahmed | ৫৮ |
| The Role of Higher Education and Social Change. | Md. Ramzan Ali | ৬৫ |
| Political Philosophy of M.N. Roy : A Critical Study | Mainul Hoque Choudury | ৬৯ |
| Our Village | A.S. Ariful Hussain | ৭৫ |
| A Day in Your Life | Rokibul Islam | ৭৬ |
| Incomplete Story | Rafikul Islam | ৭৭ |
| Butterfly | Aminul Islam | ৭৮ |
| The Recipe of Your Love | Md. Shofikul Islam | ৭৯ |
| A Psalm of life | Nipan Roy | ৮০ |
| What is life ? | Surojit Saha | ৮১ |
| Why do you bear | Mahabubar Rahman | ৮২ |
| That was my Memorable Incident | Mizanur Rahman | ৮৩ |
| ছাত্ৰ একতা সভাৰ সম্পাদকৰ প্ৰতিবেদনৰ শিতান | | ৮৪ - ৯৩ |


-------



# জ্যোতি প্ৰসাদৰ 'নিমাতী কইনা'— এটি চমু আলোচনা


*ড° ভগীৰথ চন্দ্ৰ নাথ*

*মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ*


অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠতম শিল্পী জ্যোতি প্ৰসাদ আগৰৱালা। বিপ্লৱৰ জুমুঠি হাতত লৈ ৰাজনীতি, সমাজনীতি আৰু অসমীয়া সংস্কৃতিৰ বৰ-ঘৰ পোহৰাবলৈ আগবাঢ়ি আহিছিল জ্যোতি প্ৰসাদে। তেওঁ ভাবিছিল পৃথিৱীখনক সুন্দৰ কৰিব পাৰিব শিল্পীসকলেহে। প্ৰতিজন মানুহৰ অন্তৰত শিল্পীসত্বা জাগৰিত হৈ আছে। তেওঁ লিখিছিল— "আপোনালোক মানুহ, আপোনালোক প্ৰত্যেকজনেই শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা।" প্ৰতিজন মানুহৰে যদি শিল্পীমন এটা থাকে তেতিয়াহলে পৃথিৱীত অশুভ শক্তিয়ে গা কৰি উঠিব নোৱাৰিব। জ্যোতি প্ৰসাদে 'শিল্পীৰ মণীষাৰ দূৰবীক্ষণেৰে' প্ৰত্যক্ষ কৰি পৃথিৱীখন সুন্দৰ কৰাৰ দায়িত্ব সংস্কৃতিৰ পূজাৰী শিল্পীসকলৰ বুলি কৈছে।

জ্যোতি প্ৰসাদৰ 'নিমাতী কইনা'খন কাব্যধৰ্মী বা ৰূপকধৰ্মী নাটক। জ্যোতি প্ৰসাদে নাটকখনৰ পাতনিত কৈছে— "আমাৰ বুঢ়ীআই সাধুৰ জোলোঙাৰ পৰা 'নিমাতী কইনা' নামৰ আমাৰ দেশত প্ৰচলিত সাধুৰ এই নাটক ৰূপত ৰূপান্তৰ।" জ্যোতি প্ৰসাদৰ ঘৰখনেই আছিল অসমীয়া সংস্কৃতিৰ ভড়াল ঘৰ। যিটো পৰিয়ালে অসমীয়া কৃষ্টি সংস্কৃতি অধ্যয়ন কৰি অসমীয়া জাতিক অমৰ কৰি ৰাখিবলৈ শংকৰীকৃষ্টিৰ অমৃত সুধা পান কৰি কীৰ্ত্তন ঘোষা, গুণমালা, ভটিমা, বৰগীত আদি ছপা কৰি উলিয়াইছিল। এনে এটা পৰিৱেশত ডাঙৰ দীঘল হোৱা জ্যোতি প্ৰসাদেও অসমীয়া লোকগীতৰ সুৰৰ অভিজ্ঞতা লাভ কৰি লোকগীতৰ সুৰৰ আধাৰত সংগীত, নাটক ৰচনা কৰিছিল।

নিমাতী কইনাৰ বিষয়বস্তু এনে ধৰণৰ— সবিতাপ্ৰিয় ৰতনপুৰৰ ৰজা। তেওঁৰ জীয়াৰী নিমাতী কন্যা। সোতৰ বছৰীয়া নিমাতীয়ে মাত মাতিব নোৱাৰে। তেওঁৰ সখীয়েক ৰত্নাৱলী, চিত্ৰাৱলী, মুক্তাৱলী, ৰূপাৱলী, নিদ্ৰাৱলী। নানা গীত-মাতেৰে নিমাতীৰ মাত উলিয়াবলৈ চেষ্টা কৰি সখীয়েক সকল বিফল হ'ল। ৰাজ্যত এই কথা জনাজনি হ'ল। ৰজাৰ মনত বৰ দুখ। এনেতে কামৰূপৰ পৰা এজন ওজাবেজ আহি নানা তন্ত্ৰ-মন্ত্ৰৰেও মাত উলিয়াব নোৱাৰি শেষত নিদানত পঢ়া 'সাধনা কমল' ফুল পোৱা হলে মাত উলিয়াব পাৰিলেহেঁতেন বুলি কৈ বিফল মনোৰথ হৈ গুচি গ'ল।

ৰজা সবিতাপ্ৰিয় "আজন্ম নীৰৱ তনয়াৰ কণ্ঠৰ কাকলি" শুনিব বুলি আশাবাদী। ৰজা সবিতাপ্ৰিয় সিংহাসনত আমন-জিমনকৈ বহি আছে। ওচৰত মন্ত্ৰী আৰু পৰিষদবৰ্গ। ৰজা আৰু মন্ত্ৰীৰ কথোপকথনৰ মাজতে দূতে আহি খবৰ দিলে যে নিমাতীৰ মাত উলিয়াবলৈ বাদ্য-ভাণ্ড বিষাৰদ লগতলৈ গন্ধৰ্ব দেশৰ পৰা এগৰাকী 'ৰূপৱতী বিলাসিনী নৃত্য কুশলা' আহিছে। ৰজাৰ আদেশমৰ্মে গন্ধৰ্ব কুমাৰীয়ে নিমাতীৰ সন্মুখত নাচিবলৈ ধৰিলে ; কিন্তু কোনো লাভ নহ'ল। শেষ চেষ্টাৰে পুনৰ গন্ধৰ্ব কুমাৰী আপোন বিভোলহৈ নাচিবলৈ ধৰিলে। নাচৰ মাজতে নিমাতী আসনৰ পৰা উঠি নিৰ্বিকাৰ ভাবে তাৰ পৰা আঁতৰি গ'ল। গন্ধৰ্ব কুমাৰীও বিফল হোৱাত ৰজাই

মন্ত্ৰীক দেশে দেশে ভাট পঠিয়াই দি প্ৰচাৰ কৰিবলৈ দিলে— যিয়ে নিমাতীৰ মাত উলিয়াব পাৰিব তেওঁ অৰ্দ্ধৰাজ্য আৰু ৰাজ তনয়াক লাভ কৰিব পাৰিব।

জ্যোতিৰ দেশ। নীল সাগৰৰ দৰে এখন পাৰ নেদেখা সৰোবৰ। নানা ৰঙৰ ফুলেৰে জাতিস্কাৰ। সোণোৱালী পোহৰৰ মাজত জিলিকি আছে বিশ্বস্থাপত্যৰ আদৰ্শৰে গঢ়া এটা ধৱল কান্তি প্ৰসাদ। এই প্ৰসাদৰ পৰা বিচিত্ৰ সংগীতৰ সুৰ ৰিণিকি ৰিণিকি ভাহি আহিছে। তাত উপস্থিত হৈ ৰতনপুৰৰ ভাটে ৰজাৰ বাৰ্তা প্ৰচাৰ কৰি থাকোঁতে এগৰাকী সোণবৰণীয়া কাপোৰ পিন্ধা ছোৱালী ওলাই আহে। ছোৱালীজনীৰ পৰা ভাটে জানিব পাৰিলে যে, জোনাকী কাৰেঙত শ্ৰীৰূপকোঁৱৰ থাকে। ৰূপকোঁৱৰৰ ওচৰলৈ যাবলৈ ভাটে সোণবৰণীয়া কাপোৰ পিন্ধা ছোৱালীজনীক খাটনি ধৰে। সোণবৰণীয়া ছোৱালীজনীয়ে জনায় যে ৰূপকোঁৱৰৰ কাষলৈ যোৱাৰ উপায় নাই। তেওঁ ধ্যানমগ্ন। মানৱ মহামহত্বৰ উদ্ধোধিত কৰিবলৈ ৰূপকোঁৱৰ চিৰসুন্দৰৰ ধ্যানত মগ্ন। চিৰসুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ কলালক্ষ্মীৰ প্ৰতীক নিমাতী কইনাৰ ওচৰলৈ নিশ্চয় আহিব আৰু নিমাতীৰ মাতে-গানে-হাঁহিয়ে মানুহৰ হৃদয়ত, জগতৰ সকলো ঠাইতে স্বৰগী ফুল ফুলাব।

ধৰিত্ৰী জননীয়ে পঠিয়াই দিয়া সোণোৱালী শইচ, ফল-ফুলৰ সম্ভাৰ লৈ খেতিয়ক ছোৱালীবিলাক আহিছে, গীত গাই গাই জাপান, চীন, আৰব, পাৰস্য, য়ুৰোপ, আমেৰিকা, মিছৰ, জুলু, বেদুইন আদি নানা দেশৰ শিপিনীসকলে স্বজাতীয় সাজপাৰ পিন্ধি নানা শিল্পজাত দ্ৰব্য হাতত লৈ নিমাতীৰ ওচৰলৈ আহিছে তথাপি নিমাতী নিৰ্বিকাৰ নিমাত। 'নিৰূপম দেহৰ' ৰূপৱান কৃষ্ণকায় দ্ৰাবিড় কুমাৰ আহিছে, পাৰস্যৰ পৰা বুঢ়া ৰজাও আহিছে। নিমাতীৰ মাত উলিয়াবলৈ আচাৰ্য পণ্ডিত প্ৰবৰ আহিছে। কিন্তু কোনোৱে নিমাতীৰ মাত উলিয়াব নোৱাৰিলে।

ৰতনপুৰৰ ৰাজসভা। ৰজা, মন্ত্ৰী, আচাৰ্য, পৰিষদসকল, কোঁৱৰসকল, কবি, বৈজ্ঞানিক, চিত্ৰকৰ, ভাস্কৰ, সাহিত্যিক, সংগীতবিদ, কলাবিশাৰদ, নট-নটী, গায়ক বাদককে আদি কৰি গুণী-জ্ঞানীৰে সভা ভৰপুৰ। বিষাদ মনেৰে ৰজাই কৈছে— "নামাতেই যদি, নালাগে মাতিব তনয়াই" — বুলি ৰাজসভাত উপস্থিত সকলোৰে ওচৰত ক্ষমা খুজিছে। আচাৰ্যই ভাবি গুণি ৰাজতনয়া জন্মৰ পৰাই মুক বিধাতাৰ শিলৰ লিখন তাক কোনেও খণ্ডাব নোৱাৰে। বৈজ্ঞানিকেও ধাৰণা কৰিছে মস্তিষ্কৰ কিবা ৰোগৰ কাৰণে ৰাজতনয়া নিৰ্বাক। এনেতে বৰাগী ভাটে আহি কলে যে বহু দেশ অতিক্ৰম কৰি জ্যোতি দেশৰ জোনাকী কাৰেঙৰ পৰা শ্ৰীৰূপকোঁৱৰ আহিছে নিমাতী কইনাৰ মাত উলিয়াবলৈ। বৰাগী ভাটৰ কথা বিশ্বাস কৰিবলৈ সভাসদ সকলে টান পালে। আনকি বৰাগী ভাটক ঠাট্টা কৰি আচাৰ্যই কলে— "মহাৰাজ বৰাগীৰ সিদ্ধি খোৱা আছে অভ্যাস।" বৰাগীয়ে যি দেখিছে যি শুনিছে তাকেই জনালেহি বুলি কৈ বাহিৰলৈ ওলাই আহিলে। ৰজা সবিতাপ্ৰিয়ই বেজাৰ মনেৰে গালত হাত দি কিবা ভাৱি থাকোতেই বাহিৰৰ পৰা গুৰুগম্ভীৰ স্বৰত গোৱা গান এটি শুনিবলৈ পায়। ৰজাই উৎকণ্ঠিত ভাবে বাহিৰলৈ চাই দেখে ফটা-ছিটা কাপোৰ পিন্ধা বৰাগী এজন সোমাই আহি পৰিচয় দিয়ে— "মোৰ নাম শ্ৰীৰূপ কোঁৱৰ"। উপস্থিত সকলোৱে হাঁহি দিয়ে। আচাৰ্যই নানা কথাৰ অৱতাৰণা কৰি কয় তুমি যদি ৰজাৰ কোঁৱৰ তোমাৰ





গাত ফটা-ছিটা কাপোৰ কিয় ? তোমাৰ ৰাজ্যনো ক'ত ? তাৰ উত্তৰত শ্ৰীৰূপকোঁৱৰে কলে— "দিগন্তই দিগন্তই সীমা মোৰ সুন্দৰ ৰাজ্যৰ।" সভাসদ সকলে বৰাগীবেশত অহা ৰূপকোঁৱৰক নানা কথাৰে উপলুঙা কৰাত বীণ বৰাগী যাবলৈ ওলাল। ৰজা সবিতাপ্ৰিয়ই বৰাগীক যাবলৈ নিদি আক্ষেপৰ সুৰত কলে— তেওঁ যদি নিমাতীৰ মাত উলিয়াব পাৰে তাত আপত্তি কিহৰ। ৰজাৰ কথা শুনি আচাৰ্যই ৰজাৰ ওচৰত এটা চৰ্ত ৰাখিলে— এই পাগলে যদি নিমাতীৰ মাত উলিয়াব পাৰে ৰজাই তেওঁক অৰ্দ্ধৰাজ্য আৰু ৰাজতনয়াক দিব নোৱাৰিব। ৰাজকুমাৰ এজনে কলে— ভিক্ষাৰীক অৰ্দ্ধৰাজ্য আৰু ৰাজকন্যাক দি তেওঁৰ প্ৰতিজ্ঞা ৰক্ষা কৰিব গৈ জ্ঞানী, গুণীসকলক ৰাজসভাৰ পৰা খেদি পঠিয়াব নেকি ? ৰজা বিমোৰত পৰিল।

বীণবৰাগীয়ে ৰজা আৰু পণ্ডিত সজ্জনৰ পৰা বিদায় লৈ লাহে লাহে যাবলৈ ধৰে আৰু বীণ বজাই গীত আৰম্ভ কৰে। গীতৰ মূৰ্চ্ছনাত সকলোৱে মন্ত্ৰ-মুগ্ধ হ'ল। শেষত—

"জাগা অভিনৱ ছন্দে
কণ্ঠে কণ্ঠে
মৌন মুগ্ধ যত শব্দ কমল দল
অৰ্বুদ বৃন্দে
জাগ অমৃত সুৰ বাণী পৰমানন্দে।"

গীতটো গোৱাৰ লগে লগে ৰাজসভা চঞ্চল হৈ পৰিল আৰু সখী বিলাকৰ সৈতে নিমাতী মুগ্ধ আৰু আকুল হৈ ওলাই আহি বীণ বৰাগীৰ ফালে ৰ লাগি চাই থাকিল। বীণ বৰাগীয়ে নিমাতীক দেখি আঠুকাঢ়ি বীণখন হাতৰ পৰা থৈ জঁটাজুট আৰু বৰাগীৰ বেশ গুচাই ৰূপকোঁৱৰ নিজৰ ৰূপত উদ্ভাসিত হৈ পৰে। সকলো আচৰিত। পণ্ডিত, আচাৰ্য, বৈজ্ঞানিক, ৰাজকুমাৰ সকলে হাতযোৰ কৰিলে। ৰূপকোঁৱৰে ডিঙিৰ বিচিত্ৰ মালাধাৰৰ ওলমি থকা সোণবৰণীয়া সাধনা কমলটোৰ পৰা পাহিবোৰ চিঙি নিমাতীৰ গালৈ ছটিয়াই দিয়াত নিমাতীৰ ওঠত হাঁহি বিৰিঙিল আৰু সখীয়েকহঁতৰ লগত উৎফুল্লিত হৈ গাবলৈ ধৰিলে—

"জয় ৰূপমুগ্ধ
জয় সুৰমুগ্ধ
জয় জয় অৰূপজ ৰূপকুমাৰ।"

নাটকখনত লুকাই থকা অৰ্থটো বুজিবলৈ নাট্যকাৰে নিজে কোৱা কথাৰ পৰাই স্পষ্ট ভাৱে প্ৰকাশ পাইছে। জ্যোতি প্ৰসাদে কৈছে— "মানৱ জাতিৰ সকলো কলা সাধনাই পৃথিৱীত আনন্দ আৰু শান্তি প্ৰতিষ্ঠাৰ কাৰণে। মানুহৰ সভ্যতাৰ অধিষ্ঠাত্ৰী হৈছে কলালক্ষ্মী। পৃথিৱীত আজি সকলোৱেই নানা কলা সাধনাৰে এই কলালক্ষ্মীৰ হাঁহি আৰু গান উলিয়াব পৰা নাই। —— যিদিনাই এই Artist Philosopher ৰূপকোঁৱৰৰ হাতত পৃথিৱীৰ শাসন ক্ষমতাৰ বাঘজৰি উঠিবগৈ তেতিয়াৰ পৰাহে পৃথিৱীয়ে আচল শান্তিৰ মুখ দেখিবগৈ— তাৰ আগতে কেতিয়াও নহয়।"

জ্যোতি প্ৰসাদে নাটকখনৰ চৰিত্ৰ চিত্ৰণ কৰোঁতে চৰিত্ৰসমূহক সজীৱ ৰূপত উপস্থাপন আৰু সাঙ্গীতিক

আবেদনৰ লগত খাপ খুৱাই লবলৈ সক্ষম হৈছে। ৰজাৰ চৰিত্ৰত ৰজাৰ গুণ বিশেষ বিদ্যমান। তেওঁৰ প্ৰতিজ্ঞা অটুট ৰাখিবলৈ সক্ষম লগতে অন্তৰত উদ্ভৱ হোৱা বিষাদও সুন্দৰভাৱে প্ৰকাশ পাইছে। আচাৰ্যৰ চৰিত্ৰত স্বাৰ্থান্ধতা আৰু দুষ্ট বুদ্ধি প্ৰতিফলিত হৈছে। ৰূপকোঁৱৰৰ সুন্দৰৰ সাধক। সুন্দৰৰ সাধকে নিমাতীৰ মাত উলিয়াবলৈ সক্ষম হৈছে। কাব্যকলাৰ যি গভীৰতা এই গভীৰতা আছে ৰূপকোঁৱৰৰ চৰিত্ৰত। এই মানস চৰিত্ৰটিৰ আঁৰত লুকাই আছে কাব্যলক্ষ্মী। যিয়ে সমাজ এখনত বিপ্লৱ আনিব পাৰে, সমাজ এখন সুন্দৰ কৰিব পাৰে। প্ৰতিটো চৰিত্ৰই একোটা প্ৰতীক। চৰিত্ৰবিলাকৰ কাৰ্য্যই নাটকখনৰ মাধুৰ্যতা দান কৰাৰ লগতে ৰসো গাঢ় কৰাত সহায় হৈছে।

নাটকখনৰ সংলাপ পদ্যভাষাত লিখা। মানু আবেগ অনুভূতি উদ্বেলিত কৰিব পাৰে পদ্যভাষাই। ৰবী নাথেও কৈছে— "পদ্যছন্দই সহজে হৃদয়ৰ মাজত প্ৰ কৰি মনক দোলন দিয়ে।" পদ্যছন্দৰ সংস্পৰ্শতেই ব্য জীৱনৰ বেদনা এক চিৰন্তন বেদনাৰ ব্যঞ্জনা হৈ উ নাট্যকাৰ জ্যোতি প্ৰসাদ আগৰৱালাই 'নিমাতী কই নাটকখন কাব্যিক তথা সাংগীতিক পৰিবেশ সৃষ্টি ক আবেদনশীল কৰি তুলিছে।

❖ ❖ ❖

## মহৎ লোকৰ বাণী

☞ অপ্ৰয়োজনীয় আৰু আড়ম্বৰপূৰ্ণ ঘৰে মানুহৰ মনলৈ অহংকাৰৰ ভাব আনে, যদিও তেওঁ সেইটো অনুভৱ কৰিব নোৱাৰে।

— হজৰত মহম্মদ (ছঃ)।

☞ মন যেতিয়া বিপদগামী হয় তেতিয়া কাণৰ শ্ৰৱণ শক্তি অৰ্থহীন হৈ পৰে।

— হজৰত মহম্মদ (ছঃ)।

☞ আটাইতকৈ সুখী মানুহ হ'ল সেইজন- যিজনে অতি কম বস্তুক লৈয়ে সন্তুষ্ট হৈ থাকিব পাৰে।

— ছক্ৰেটিছ।

☞ প্ৰতিভা হ'ল এক শতাংশ-প্ৰেৰণা, বাকী নিৰানব্বৈ শতাংশ কঠোৰ ঘৰ্মাক্ত পৰিশ্ৰম।

— টমাছ আলভা এডিচন।

☞ চৰিত্ৰ পুনৰুদ্ধাৰ কৰাতকৈ ৰক্ষা কৰাটো উজু।

— টমাচ পেইন।

*সংগ্ৰহক*

আবিদা ইয়াছমিন (ৰণতাজ)

স্নাতক দ্বিতীয় বৰ্ষ (কলা)





# বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ নৈতিকতা

*শ্বেখ খাইৰুল ইছলাম*

*স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)*

শিক্ষাৰ জৰিয়তে, ব্যক্তিত্ব সম্পন্ন নাগৰিক গঢ়ি তুলি সুস্থ সবল সমাজ গঠন কৰিবলৈ হলে 'নৈতিক শিক্ষা' অতি প্ৰয়োজন। কাৰণ বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ মাজত দেখা দিয়া নৈতিক অধঃপতনে সমাজ জীৱনত নানা বেমেজালিৰ সৃষ্টি কৰা দেখা গৈছে। পুৰণি ভাৰতীয় শিক্ষা ব্যৱস্থা বৰ পৱিত্ৰ আছিল। কিন্তু সময়ৰ গতিত গুৰু গৃহৰ পৰিবৰ্তে শিক্ষা ব্যৱস্থাৰ দায়িত্ব আহিল বিদ্যালয় বা শিক্ষানুষ্ঠানৰ ওপৰত। স্বীকাৰ কৰিব লাগিব যে সু-নাগৰিক গঢ়ি তুলি সুস্থ সবল সমাজ গঠনত শিক্ষানুষ্ঠানেই হ'ল মূল স্থল। কাৰণ শিক্ষানুষ্ঠানেই সমাজৰ ক্ষুদ্ৰ সংস্কৰণ। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত নাগৰিকৰ গুণবিলাক আয়ত্ব কৰিব পাৰে। শিক্ষানুষ্ঠানৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে মৰম, চেনেহ, দয়া, ক্ষমা, পৱিত্ৰতা, সহনশীলতা আদি গুণ গ্ৰহণ কৰিবলৈ পায়।

বৰ্তমান ছাত্ৰ সমাজত যেন মানসিক ভাৰসাম্যতা কমি যাব ধৰিছে। ছাত্ৰ হিচাপে নিজৰ ভৱিষ্যৎ তথা বৰ্তমান কৰ্তব্য আৰু দায়িত্বৰ কথা পাহৰি নামত শিক্ষানুষ্ঠানত নামভৰ্ত্তি কৰি অধ্যয়নৰ প্ৰতি পিঠি দিয়াৰ ফলত পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা দেখা যায়। এই কাৰ্য্যত নিৰীক্ষকে বাধা জন্মালে তাৰ পিছত যি পৰিস্থিতিৰ উদ্ভৱ হয় সি অতি নিন্দনীয়। ছাত্ৰ-ছাত্ৰীৰ এনে অনৈতিকতা দিনক দিনে বেছি হৈ যোৱা দেখা যায়।

কৃতী ছাত্ৰ-ছাত্ৰী গঢ়ি তোলাত পিতৃ-মাতৃ, শিক্ষক তথা অভিভাৱকসকলৰ সমূহীয়া প্ৰচেষ্টাৰ অতি প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত থকা সময়খিনিৰ বাহিৰে সৰহ ভাগ সময় অভিভাৱকৰ মাজতেই কটায়। দিনে দিনে সমাজলৈ আহিব পৰা জটিল পৰিস্থিতিৰ লগত ছাত্ৰ-ছাত্ৰীসকলে খাপখুৱাকৈ চলিব পৰাকৈ গঢ়ি তোলাত অভিভাৱকসকলৰ দায়িত্ব অধিক হৈ পৰিছে। নিজৰ সন্তানকলৈ কিবা সমস্যাৰ সন্মুখীন হ'লে শিক্ষানুষ্ঠাত আহি নিঃসংকোচে সকলো কথা ভাঙি-পাতি কব লাগে। ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰ গঠনত পিতৃ-মাতৃ বা অভিভাৱকৰ লগতে শিক্ষকৰো ভূমিকা বৰ গুৰুত্বপূৰ্ণ। পিতৃ-মাতৃৰ চকুৰ আতৰ হৈ শিক্ষানুষ্ঠানত থকা সময়খিনিত শিক্ষকৰ প্ৰধান কৰ্তব্য হ'ল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত পিতৃ-মাতৃৰ সম্পৰ্ক গঢ়িতোলা। শিক্ষকৰ সাচ-পোছাক, স্বভাৱ-চৰিত্ৰ, কথা বতৰা, আচাৰ ব্যৱহাৰ আদিয়ে ছাত্ৰ-ছাত্ৰীৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলায়। শিক্ষকে ধৈৰ্য্য, মৰম আৰু আন্তৰিকতাৰে ছাত্ৰ-ছাত্ৰীৰ কুঅভ্যাসবোৰ যেনে- মাৰপিট কৰা, মিছাকথা কোৱা, আদি দূৰ কৰিবলৈ চেষ্টা কৰিব পাৰে। ছাত্ৰক নিজৰ অভাৱ-অভিযোগবোৰ নিঃসংকোচে শিক্ষকৰ আগত ব্যক্ত কৰিবলৈ সুবিধা দিব লাগে। এই দৰে শিক্ষকে ছাত্ৰৰ আত্মবিশ্বাস গঢ়ি তুলিবলৈ যত্ন কৰিব লাগে। ছাত্ৰই যাতে ভয়ত মিছা মাতিবলগীয়া নহয় তাৰ প্ৰতি শিক্ষকসকলে সাৱধান হোৱা উচিত। 'নৈতিক শিক্ষা' যদিও এক সামূহিক প্ৰচেষ্টাৰ ফল, তথাপিও এই কথা স্বীকাৰ কৰিব লাগিব যে বৰ্তমান পাঠ্যক্ৰমৰ ভিতৰত নৈতিক শিক্ষাক সামৰি লোৱাটো একান্ত বাঞ্চনীয়।

❖ ❖ ❖

# অসমৰ ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ দুৰৱস্থা

*আবু তাহেৰ খা*
*স্নাতক তৃতীয় বৰ্ষ (কলা শাখ*

ভাৰতবৰ্ষ স্বাধীন হৈছিল ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে। স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ সমগ্ৰ দেশতে শিক্ষাৰ কিছু বিকাশ হৈছিল। সমগ্ৰ দেশতে চৰকাৰী উদ্যোগত মানুহক শিক্ষিত কৰাৰ পৰিকল্পনা লোৱা দেখা গৈছিল। অসমত দুই চাৰিটা বিশেষ শিক্ষানুষ্ঠানৰ বাহিৰে সকলো শিক্ষানুষ্ঠান ৰাইজে পাতিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আৰম্ভ কৰি গাঁৱৰ প্ৰাথমিক বিদ্যালয় আৰু সকলোধৰণৰ শিক্ষানুষ্ঠান ৰাইজে পাতিবলগা হৈছিল।

অসমৰ গ্ৰামাঞ্চলৰ শিক্ষাৰ সম্পূৰ্ণ দায়িত্ব অসমৰ ৰাইজে লৈছিল। শিক্ষাৰ অভাৱ পূৰণ কৰাৰ বাবে ৰাইজে গাঁৱৰ পৰাই বাঁহ-বেত, খেৰ আদি সংগ্ৰহ কৰি বিদ্যালয় পাতিছিল। গাঁৱৰে শিক্ষিত যুৱক যুৱতীক শিক্ষক হিচাবে নিযুক্তি দিছিল। এটা নিৰ্দিষ্ট সময়ৰ মূৰত শিক্ষানুষ্ঠানবোৰ প্ৰাদেশীকৰণ কৰি ৰাজ্যিক চৰকাৰে দায়িত্ব লৈছিল। এইটোৱেই আছিল নিয়ম বা ধাৰা। কিন্তু এই ধাৰাৰ ব্যতিক্ৰম দেখা গ'ল ১৯৯১-৯৩ চনৰ পিছৰ পৰা। ১৯৯৩-৯৪ চনত অসমত শেষবাৰৰ বাবে কেইখনমান ভেঞ্চাৰ শিক্ষানুষ্ঠান প্ৰাদেশীকৰণ কৰিলে। তাৰ পাছত এতিয়ালৈকে প্ৰাদেশীকৰণ কৰাৰ কোনো পৰিকল্পনা চৰকাৰৰ নাই। পূৰ্বৰ অ, গ, প চৰকাৰে নকৰিলে আৰু বৰ্তমানৰ কংগ্ৰেছ চৰকাৰেও নকৰিলে। আনকি প্ৰাদেশীকৰণৰ কোনো পৰিকল্পনা নাই বুলি ইতিমধ্যে চৰকাৰে ঘোষণা কৰিছে। চৰকাৰৰ নীতি আৰু প্ৰ অনুযায়ী এখন বিদ্যালয় বিশেষকৈ উচ্চ মাধ্যমি বিদ্যালয় চৰকাৰৰ সকলো নীতি-নিয়ম পূৰণ কৰিলে বিষয়া কৰ্মচাৰীসকল সন্তুষ্ট হলে অনুমতি বা স্বীকৃ পোৱাৰ কাৰণে ৬ বছৰৰ সময় লাগে। কিন্তু বাস্তৱ তাতোকৈ বেছি সময়হে লয়। যিয়েই নহওঁক ৬ বছৰৰ সম লৈছে বুলি ধৰি ললেও ১৯৯২ চনতে স্বীকৃতি পো বিদ্যালয়বোৰ আজি পৰ্যন্ত প্ৰাদেশীকৰণ হোৱা নাই যোৱা ২৩ বছৰ ধৰি অসমৰ ভেঞ্চাৰ বিদ্যালয়বো শিক্ষক-শিক্ষয়িত্ৰীসকলে বিনা পাৰিশ্ৰমিকে অস গাঁৱে-ভূঞে শিক্ষাদান কৰি আছে। ২৫-৩০ বছৰ বয়স যিসকলে শিক্ষক হিচাবে যোগদান কৰিছিল আ তেওঁলোকৰ বয়স ৫০-৫৫ বছৰ, ৫ বছৰৰ পাছত বি বেতনে অৱসৰ গ্ৰহণ কৰিব। ইতিমধ্যে বহু শিক্ষ শিক্ষয়িত্ৰীয়ে অৱসৰ গ্ৰহণ কৰিছেই। হৃদয়হীন চৰক আৰু গড়ৰ ছালৰ নিচিনা অনুভূতিহীন ৰাজনৈতিক দ এই কথা বুজিব নোৱাৰে। কাৰণ শাসক গোষ্ঠীয়ে ৰাজ টকাৰে বেচ আমোদ-প্ৰমোদৰ জীৱন-যাপন কৰি আ সেইটো অ, গ, পই হওঁক বা কংগ্ৰেছেই হওঁক।

অসমত ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ সংখ্যা সম্প বিভিন্ন ধৰণৰ পৰিসংখ্যা আছে।





তালিকা-

২০০৮ চনৰ ২৭ মাৰ্চৰ দিনা বিধান সভাত অসমৰ সেই সময়ৰ শিক্ষা মন্ত্ৰীয়ে (ৰিপুন বৰা) ভেঞ্চাৰ বিদ্যালয় সম্পৰ্কে দিয়া তথ্য-

| | | |
|---|---|---|
| ১। | প্ৰাথমিক বিদ্যালয় | ৮৫৮৭ |
| ২। | এম, ই, আৰু এম, ভি স্কুল | ৪৬৩৮ |
| ৩। | উচ্চ মাধ্যমিক বিদ্যালয় | ১৮২৫ |
| ৪। | মাদ্ৰাছা বিদ্যালয় | ৬৩৪ |
| ৫। | উচ্চতৰ মাধ্যমিক বিদ্যালয় | ১৮৬ |
| ৬। | সংস্কৃত টোল | ১৬ |
| ৭। | কনিষ্ঠ মহাবিদ্যালয় | ১৩০ |
| ৮। | স্নাতক মহাবিদ্যালয় | ১৩৩ |
| | সৰ্বমুঠ- | ১৬,১৪৯ |

কিন্তু আনফালে শিক্ষক কৰ্মচাৰী ঐক্য মঞ্চৰ হাতত থকা তথ্য অনুযায়ী এই সংখ্যা আৰু অধিক বুলি কৈছে। যিয়েই নহওঁক অসমত স্বীকৃতিপ্ৰাপ্ত ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ সংখ্যা ১৬ হাজাৰতকৈ অধিক বা প্ৰায় ১৭ হাজাৰ। অসম চৰকাৰৰ নীতি অনুসৰি ভেঞ্চাৰ শিক্ষানুষ্ঠান এখন স্বীকৃতি পোৱাৰ ছবছৰৰ ভিতৰত প্ৰাদেশীকৰণ কৰিব লাগে। সেই হিচাবে নীতি উলংঘা কৰাৰ অপৰাধত যোৱা ১৪ বছৰ ধৰি অপৰাধী অসম চৰকাৰ। এই অপৰাধৰ বিচাৰ কৰাৰ কাৰণে অসমৰ ছাত্ৰ-ছাত্ৰী আৰু জনগণে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা দৰকাৰ।

অসম চৰকাৰৰ শিক্ষানুষ্ঠানৰ তথ্য আৰু শিক্ষানুষ্ঠানৰ প্ৰতি শিক্ষক কৰ্মচাৰীৰ তথ্য অনুসৰি ভেঞ্চাৰ শিক্ষানুষ্ঠানত সৰ্বমুঠ ১,৩৪,১৮১ জন শিক্ষক কৰ্মচাৰীয়ে বহু বছৰ ধৰি বিনা পাৰিশ্ৰমিকে কাম কৰি আছে। ভৱিষ্যতো এওঁলোকৰ অনিশ্চিত। ইয়াৰ প্ৰাথমিক বিদ্যালয়ত ১৭১৭৪ জন, মাধ্যমিক বিদ্যালয়ত ২৭,৮২৮ জন, উচ্চ মাধ্যমিক বিদ্যালয়ত ১৮,২৫০ জন, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৮,৬০০ জন, জুনিয়ৰ কলেজত ১৩,০০ জন, মাদ্ৰাছাত প্ৰায় ৬,০০০ জন, সংস্কৃত টোলত ৮০ জন আৰু মহাবিদ্যালয়ত ২,৩৯৪ জন শিক্ষক কৰ্মচাৰী আছে।

বৃহত্তৰ কলগাছিয়া এলেকাতো বহুতো ভেঞ্চাৰ বিদ্যালয় আছে। তাৰে বৰপেটা-বঙাইগাওঁ মহাবিদ্যালয়, চি, কে, মহাবিদ্যালয়, কলগাছিয়া বাণিজ্য মহাবিদ্যালয় আৰু লোকপ্ৰিয় ছোৱালী মহাবিদ্যালয় উল্লেখযোগ্য। ইয়াৰ ওপৰিও বহুতো উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, এম, ই, প্ৰিছিনিয়ৰ মাদ্ৰাছা, ছিনিয়ৰ মাদ্ৰাছা, টাইটেল মাদ্ৰাছা, এৰাবিক মহাবিদ্যালয় আৰু বহুতো প্ৰাথমিক বিদ্যালয় আছে। এই স্কুল-কলেজৰ শিক্ষক-কৰ্মচাৰীসকলে বিনা বেতনে পৰিশ্ৰম কৰি ছাত্ৰ-ছাত্ৰীসকলক শিকাই আছে। ইতিমধ্যে এই অঞ্চলৰ বহুতো শিক্ষক-শিক্ষয়িত্ৰীয়ে বিনা বেতনে অৱসৰ গ্ৰহণ কৰিছে। এইটো এটা বিৰাট দুখৰ বিষয়। গতিকে এই ভেঞ্চাৰ স্কুল, কলেজৰ সংখ্যাক লৈ এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু জনগণে তিব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজন হৈ পৰিছে।

❖ ❖ ❖

# গুণগত শিক্ষাত শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ কৰ্তব্য

*ড° এম, এছ, শ্বেইখ*
*চেলেকচন গ্ৰেড প্ৰৱক্তা, প্ৰাণী বিজ্ঞান বিভাগ।*

বৈদিক যুগৰ পৰাই শিক্ষকক ছাত্ৰৰ আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশৰ জনক বুলি কোৱা হয়। অজ্ঞতাৰ অন্ধকাৰৰ পৰা জ্ঞানৰ পোহৰলৈ উন্নীত কৰাৰ একমাত্ৰ অস্ত্ৰ হ'ল শিক্ষক। লেম্পৰ তলৰ অন্ধকাৰ কেৱল শিক্ষকেই আতৰাব পাৰে। শিক্ষকেই ছাত্ৰৰ আধ্যাত্মিক বিকাশৰ পথ প্ৰদৰ্শক। প্ৰকৃত শিক্ষাৰ সহায়ত কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ আদি ৰিপুসমূহ বিনাশ কৰিব পাৰি (গুৰু নানক)। পাণ্ডিত্য আৰু আদৰ্শত গুৰু-শিষ্যৰ বয়সৰ কোনো সীমা থাকিব নালাগে। এজন শিক্ষক সহায়ক আৰু প্ৰদৰ্শক । শিক্ষক হ'ল প্ৰজ্বলিত মমবাতিৰ দৰে- যি নিজে পুৰি শেষ হৈ যায়, অথচ আনক আলোকিত কৰে। বিভিন্ন গৱেষণাৰ পৰা পোৱা তথ্যমতে শিক্ষক (শি- শিক্ষণ, ক্ষ-ক্ষমাশীল, ক- কঠোৰ) এজনৰ বিষয়বস্তুৰ গভীৰ জ্ঞান, পাঠদানৰ দক্ষতা, শৃংখলা ৰক্ষাৰ কৌশল সমূহ যিমানদূৰ সম্ভৱ পঢ়া আৰু সংগ্ৰহ কৰাৰ মানসিকতা থকাটো একান্ত প্ৰয়োজন।

বৰ্তমান প্ৰায়বোৰ স্তৰৰ ল'ৰা-ছোৱালী যৌন বিপথগামী হোৱা, নিচাযুক্ত দ্ৰব্য সেৱন কৰা, আধুনিকতাৰ বলি হোৱা আৰু বিশেষকৈ নকলৰ প্ৰতি বৃদ্ধি পোৱা ধাউতি আৰু মানসিক ফৰিয়াৰ পৰা উদ্ধাৰ কৰিবলৈ শিক্ষকৰ বাহিৰে আন কোনো উপযুক্ত ব্যক্তি নাই- যিয়ে ছাত্ৰ সমাজক শুদ্ধ পথ দেখুৱাব পাৰে। নিজ শিক্ষানুষ্ঠানৰ সুনামৰ বাবে স্বজনপ্ৰীতি আৰু অৰ্থৰ লোভত শিক্ষক সকলেই ছাত্ৰ-ছাত্ৰীক নকল কৰাত উদগনি যোগোৱা, পোনপটীয়াভাবে সহায় কৰা বা মুক্তভাবে সহায় কৰা পৰিলক্ষিত হয়। এই প্ৰক্ৰিয়াই বিষবাষ্প ৰূপে জাতি গঠন প্ৰক্ৰিয়াত বা বিকাশত বুমেৰাং হোৱাটো একপ্ৰকাৰৰ ধ্ৰুৱসত্য। অকল বিয়া দিয়াৰ মানসেৰে ছোৱালীক স্কুললৈ পঠিওৱা আৰু সেই মৰ্মে অবাধ নকলৰ সহায় লৈ পৰীক্ষাত উত্তীৰ্ণ কৰোৱা মনোভাৱ বহু অভিভাৱক তথা শিক্ষকৰ মাজত ঠাই বিশেষে বৰ্তমানো বিদ্যমান। এনে বহু মানসিকতাই নাৰী সবলীকৰণ প্ৰক্ৰিয়াত হেঙাৰ হোৱাটোত অস্বাভাৱিকতা একো নাই। ভেঞ্চাৰ স্কুলৰ প্ৰতি ছাত্ৰৰ অনীহা, চৰকাৰে বান্ধি দিয়া নিয়ম-নিৰ্দেশনা ৰক্ষা কৰা, প্ৰয়োজনতকৈ অধিক পৰীক্ষা কেন্দ্ৰ স্থাপন কৰা, অৰ্হতা ৰক্ষাৰ সংগ্ৰাম, উদাহৰণস্বৰূপে কম্পিউটাৰৰ লোভ আৰু আন্তঃঅনুষ্ঠান প্ৰতিযোগিতাৰ উপৰি কৰ্মবিমুখ শিক্ষা গ্ৰহণৰ প্ৰতি সৰ্বস্তৰত বিৰাজ কৰা হতাশাৰ বাবে ক্ৰমহ্ৰাসমান ছাত্ৰৰ সংখ্যা পূৰণাৰ্থে আশানুৰূপ ছাত্ৰ-ছাত্ৰীক আকৃষ্ট কৰাৰ মানসেৰেও নকল প্ৰথাক প্ৰশ্ৰয় দিয়া সচৰাচৰ পৰিলক্ষিত হয়। এই ব্যাধি বংগীয় মূলৰ মুছলমান অধ্যুষিত অঞ্চলৰ শিক্ষানুষ্ঠান সমূহত অধিক মাত্ৰাত দেখিবলৈ পোৱা যায়।

ভাৰতীয় সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ ৪৫ নং অনুচ্ছেদত ১৪ বছৰ বয়সলৈ সকলো শিশুকে প্ৰাথমিক শিক্ষা দিব লাগে বুলি স্পষ্ট ভাবে উল্লেখ আছে। ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিতো শিক্ষাৰ সাৰ্বজনীনকৰণৰ ওপৰত বিশেষ গুৰুত্ব দি একবিংশ শতিকাত প্ৰৱেশ কৰা আগতে ১৪ বছৰ বয়স নোহোৱালৈকে সকলো শিশুকে সন্তোষজনক, গুণসম্পন্ন, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। ২০০০ চনত সংবিধানৰ ৯৩ তম সংশোধনী বিধেয়কৰ ২১ (ক) অনুচ্ছেদ মৰ্মে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা সুনিশ্চিত কৰা হয়। সৰ্বশিক্ষা অভিযানৰ দ্বাৰা এই ব্যৱস্থা ত্বৰান্বিত কৰা হয় যদিও এচাম শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী-বিষয়া, ঠিকাদাৰ-দালাল আৰু কিছু ৰাজনৈতিক উদ্দেশ্য জড়িত কাৰণত সৰ্বশিক্ষা আঁচনি সৰ্বনাশী শিক্ষাৰ ৰূপ ধাৰণ কৰি সমগ্ৰ শিক্ষা ব্যৱস্থাকে কলুষিত কৰাই নহয়, জাতিৰ মেৰুদণ্ডও ভাঙি পেলোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ভাৰতীয় শিক্ষা আইন ২০০৯ এই ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰিব পাৰি।

বন্ধ সংস্কৃতি আৰু ৰাজনৈতিক শোষণৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলক বিপথে চালিত কৰা তেনেই উজু কাম। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহ ৰাজনীতিৰ উৰ্দ্ধত থকা বাঞ্ছনীয়। শিক্ষানুষ্ঠানৰ দৰে পৱিত্ৰ প্ৰতিষ্ঠানসমূহৰ বিকাশ ঘটোৱা যিদৰে চৰকাৰৰ প্ৰধান কৰ্তব্য, তেনেদৰে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ ঘটাই অনুষ্ঠানৰ মান-মৰ্যাদা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰাৰ ক্ষেত্ৰত শিক্ষকৰ দায়িত্ব অপৰিসীম। এই ক্ষেত্ৰত অভিভাৱক, ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ প্ৰতিজন ব্যক্তিৰ ইতিবাচক আৰু শুদ্ধ নীতি আৰু গঠনমূলক মানসিকতাৰ বাৰুকৈয়ে প্ৰয়োজন। শিক্ষকে প্ৰকৃত পথ প্ৰদৰ্শকৰ দায়িত্ব বহন কৰি বিশ্বায়ন প্ৰক্ৰিয়াৰ লগত খাপ খোৱাকৈ উপযুক্ত আৰু আত্মনিৰ্ভৰশীল ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি কৰাৰ সৃজনশীল শৈলীৰ অধিকাৰী হৈ আগুৱাই অহাৰ প্ৰয়োজন হৈ পৰিছে। পৰিৱৰ্তনশীল সমাজৰ প্ৰতি লক্ষ্য ৰাখি সময় উপযোগী জ্ঞানৰ প্ৰদৰ্শক শিক্ষকৰ বাহিৰে আন কোনো হ'ব নোৱাৰে। বৰ্তমানৰ পৰীক্ষা পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ মানৱীয়, আত্মিক আৰু বাস্তৱ বুদ্ধাংকৰ প্ৰকৃত তথা বাস্তৱ ৰূপ কেতিয়াও নিৰ্ধাৰণ কৰিব নোৱাৰে। জীৱনৰ প্ৰতিটো পদক্ষেপ, দিশ আৰু স্তৰতেই লুকাই থকা সুক্ষ্ম চিন্তাধাৰাৰ অনুসন্ধিৎসুমূলক বিজ্ঞানসন্মত মনোভাৱৰ বিকাশ ঘটাই কিদৰে সমাজ তথা দেশৰ প্ৰতি সেৱা আগবঢ়াব পাৰি তাৰ প্ৰদৰ্শকো শিক্ষকৰ বাহিৰে আন কোনো হ'ব নোৱাৰে।

পণ্ডিত মহলৰ মতে বৰ্তমান যুগত শিক্ষকৰ গুণাৱলীৰ ভিতৰত বিষয়বস্তুৰ গভীৰ জ্ঞান, পাঠদানৰ দক্ষতা, শৃংখলা ৰক্ষাৰ কৌশল, চৰিত্ৰ আৰু ব্যক্তিত্বৰ শক্তি, শিশু মনস্তত্ত্বৰ জ্ঞান, শিশুৰ প্ৰতি গভীৰ সহানুভূতি আৰু স্নেহ, শিক্ষা প্ৰণালী সম্পৰ্কে সম্যক জ্ঞান, ছাত্ৰ আৰু অভিভাৱকৰ লগত সহযোগিতা, শিক্ষকতাৰ প্ৰতি অনুৰাগ, সুস্বাস্থ্য, সজ আচৰণ, নিৰপেক্ষ দৃষ্টিভংগী, শিক্ষাৰ সঁজুলিৰ যত্ন, শৈক্ষিক মূল্যায়নৰ ক্ষিপ্ৰতা, প্ৰশাসনীয় দায়িত্ব, সময়ানুৱৰ্তিতা, উদ্যমী, আশাবাদ, সুকণ্ঠ, পৰিপাট্য, ধৈৰ্যশীলতা আৰু হাস্যৰস থকা অতি প্ৰয়োজন। প্ৰকৃতাৰ্থৎ বৰ্তমান সমাজত এনে গুণৰ অধিকাৰী শিক্ষকৰ সংখ্যা নিচেই তাকৰ বুলি কলেও অত্যুক্তি কৰা নহ'ব। শিক্ষাত মনোনিৱেশৰ পৰিৱৰ্তে শিক্ষকসকলৰ বেছিভাগেই ধন উপাৰ্জন আৰু ৰাজনৈতিক ক্ষমতা লাভৰ প্ৰতি অধিক আকৃষ্ট হোৱাটো অত্যন্ত দূৰ্ভাগ্যজনক। তদুপৰি নিচাযুক্ত দ্ৰব্য, যেনে- চাধা-চিগাৰেট আদিৰ প্ৰতি দেখুওৱা মুক্ত আসক্তিও ছাত্ৰ-ছাত্ৰীৰ বাবে তেনেই ক্ষতিকাৰক।

নিজে নিজৰ জীৱিকা উপাৰ্জনৰ পথ উলিয়াই নিজৰ লগতে আনকো কৰ্মত নিয়োজিত কৰি সমাজখনক

আগুৱাই নিবপৰাটো বৰ্তমান সমাজৰ চাহিদা আৰু শিক্ষানীতিৰো অবিছিন্ন অংগ হোৱা আৱশ্যক। শিক্ষাৰ আধুনিকীকৰণৰ লগত শিক্ষা প্ৰতিষ্ঠানসমূহৰ মাইক্ৰো আন্তঃগাঁথনিৰ সমান্তৰাল বিকাশ তেনেই গুৰুত্বপূৰ্ণ। অসমৰ বেছিভাগ শিক্ষা প্ৰতিষ্ঠানত এই দিশত বিসংগতি সহজে দৃষ্টিগোচৰ। বহু পৰীক্ষাগাৰ আছে- যিবোৰৰ সঁজুলিসমূহ ব্যৱহাৰৰ অভাৱত কাৰ্যৰ অক্ষম হৈ আছে। আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল- ক্ষয়শীল দ্ৰব্য কিনাৰ বাবে প্ৰয়োজনীয় অৰ্থৰ কৃত্ৰিম অভাৱ। শিক্ষা প্ৰতিষ্ঠানসমূহৰ মুৰব্বীসকলৰ দৃষ্টিকটু মনোভাৱৰ বাবে ব্যৱহাৰিক শ্ৰেণীৰ পাঠদান প্ৰায় ক্ষেত্ৰতেই আশানুৰূপ নহয়। জাতীয় শিক্ষানীতি (১৯৬৮) ৰ গুৰুত্বপূৰ্ণ দিশসমূহ হ'ল- প্ৰাথমিক স্তৰৰ ৬-১৪ বছৰ বয়সৰ সকলো শিশুকে বিনামূলীয়া বাধ্যতামূলক শিক্ষা প্ৰদান, মাধ্যমিক স্তৰত ত্ৰিভাষা সূত্ৰৰ প্ৰয়োগ, বিশ্ববিদ্যালয়ৰ শিক্ষাসমূহ গৱেষণালব্ধ আৰু অধিক শক্তিশালী কৰি তোলা, সমগ্ৰ দেশতে সকলোৱে সাধাৰণভাৱে ব্যৱহাৰ কৰিব পৰাকৈ পাঠ্যপুথি ৰচনা কৰা, কৃষি আৰু শিল্প বিষয়ৰ শিক্ষাত গুৰুত্ব প্ৰদান, কৰ্ম অভিজ্ঞতা আৰু জাতীয় সেৱা শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা, অংশকালীন শিক্ষা আৰু যোগাযোগ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিকৰণ, পৰীক্ষা ব্যৱস্থা সংস্কাৰৰ মাধ্যমেৰে পৰীক্ষাৰ বৈধতা আৰু নিৰ্ভৰযোগ্যতা বৃদ্ধি কৰি তোলা আৰু পৰীক্ষা ব্যৱস্থাক এটা অবিৰত মূল্যায়ন প্ৰক্ৰিয়া স্বৰূপে গঢ়ি তোলা, ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আয়ত্বকৰণৰ প্ৰক্ৰিয়া পৰ্যায়ক্ৰমে উন্নত কৰি তোলা আৰু নিৰ্দিষ্ট সময়ৰ একক মূল্যায়ন প্ৰক্ৰিয়াৰ বিকল্প নিৰ্ধাৰণ কৰাৰ কিছুমান নতুন চিন্তাধাৰাৰ প্ৰৱৰ্তন কৰা হয়।

বৰ্তমান ৬-১৪ বছৰ বয়সৰ শিশুক চৰকাৰী বিদ্যালয় আৰু সৰ্বশিক্ষা আঁচনি তথা ননফৰ্মেল শিক্ষাৰ প্ৰগতিত বিনামূলীয়া শিক্ষা প্ৰদানৰ পদক্ষেপ লোৱা হৈছে যদিও সীমিত বা অপৰ্যাপ্তসংখ্যক শিক্ষক, শ্ৰেণীকোঠাৰ অভাৱ, শৃংখলাবদ্ধতাৰ অভাৱ আৰু বিশেষকৈ চৰকাৰী ভাৱে যোগান ধৰা আহাৰৰ ব্যৱস্থা কৰোতে প্ৰকৃত পাঠদানত মনোনিবেশ কৰিব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত সচেতন মহলে নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ স্কুলত পঢ়িবলৈ দিয়াৰ প্ৰৱণতা যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়। ফলস্বৰূপে শিক্ষা ব্যৱস্থা দুটা স্পষ্ট ভাগত বিভক্ত হৈ পৰিছে।

পৰীক্ষা ব্যৱস্থাক অবিৰত মূল্যায়ন প্ৰক্ৰিয়া স্বৰূপে গঢ় দি তুলিবলৈ হলে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধাংক মৌখিক, পঠন, লিখন, আলোচনা চক্ৰ, সমালোচনা, কৰ্ম অভিজ্ঞতাৰ ব্যৱহাৰিক তথা বাস্তৱ মূল্যাংকন, পাজলি প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, খেলৰ সৈতে শিক্ষণ স্তৰীয় পৰীক্ষা, শিক্ষামূলক ভ্ৰমণ, প্ৰাতঃভাষণৰ লগতে পণ্ডিতৰ লগত সাক্ষাৎকাৰ আৰু ভাৱৰ বিনিময়ৰ লগতে মানসিক উৎকৰ্যতা বৃদ্ধিৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাৰুকৈয়ে প্ৰয়োজন। তদুপৰি পুথিভঁৰালৰ সুবিধা আধুনিক শিক্ষা সঁজুলিৰ সুবিধা, সজাগতা বৃদ্ধি কৰা, নিজ তথা সমাজৰ প্ৰতি দায়বদ্ধতাৰ শিক্ষা প্ৰদান কৰাৰ লগতে স্বাস্থ্য ৰক্ষাৰ শিক্ষা প্ৰৱৰ্তনৰ ব্যৱস্থা কৰাও অতিকৈ প্ৰয়োজনীয়। কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থাত বিশেষকৈ ছাত্ৰ-শিক্ষকৰ অনুপাত আৰু সম্পৰ্কৰ দুৰ্বলতা সমাজৰ আন্তঃগাথনিৰ অভাৱ, বিদ্যালয়সমূহৰ আন্তঃগাথনিৰ দুৰ্বল স্থিতি, অৰ্থনৈতিক অনগ্ৰসৰতা, আদিৰ বাবে অবিৰত মূল্যায়ন প্ৰক্ৰিয়াৰে ছাত্ৰ-ছাত্ৰীৰ বুদ্ধাংক নিৰ্ধাৰণ কৰা তেনেই জটিল কাম।





আক্ষৰিক অৰ্থত বা দিশত শিক্ষিত হ'লেও মানৱীয় দিশত বা মূল্যায়ন প্ৰক্ৰিয়াত তথাকথিত শিক্ষিত ব্যক্তিৰ মাজত সাম্প্ৰদায়িকতা, নিজস্বতা, উৎপীড়ন আৰু শোষণৰ মনোভাৱ আটাইতকৈ বেছি। প্ৰকৃতাৰ্থত বিভিন্ন জাতি-গোষ্ঠী, লিংগ-সম্প্ৰদায়, সামাজিক অৱস্থান, আৰ্থিক অৱস্থা আদি পৰিশ্ৰুত নোহোৱাত শিক্ষাত সমতা স্থাপন কৰা তেনেই জটিল যেন ধাৰণা হয়। বৰ্তমান সমাজত যদিও নাৰী শিক্ষাৰ সম্প্ৰসাৰণৰ বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে, তথাপি বহু পুৰুষকেন্দ্ৰিক সমাজত নাৰী শিক্ষাৰ অৱস্থা তেনেই পুতৌজনক। ধৰ্মীয় গোড়ামি, অৰ্থনৈতিক অনগ্ৰসৰতা, বহু বিবাহ, বাল্য বিবাহ, সহজলভ্য বিবাহ, সহজ তালাক প্ৰথা, অস্থায়ী বাসভুমি, যাযাবৰী জীৱন আদিৰ বাবে দুৰ্গম চৰাঞ্চল আৰু গ্ৰামাঞ্চলৰ নাৰী সমাজ এতিয়াও তিমিৰাচ্ছন্নত নিমজ্জিত। অন্ধবিশ্বাস, কুসংস্কৃতি আদিৰ বাবেও ছোৱালীক কেৱল বিয়া দিয়াৰ বাবেই আৰু স্বামীৰ সংসাৰৰ ঘৰুৱা কাম চম্ভালিবৰ বাবেই ন্যূনতম শিক্ষাৰ প্ৰয়োজন বুলি সৰ্বসাধাৰণৰ ধাৰণা।

পৰীক্ষাত অকৃতকাৰ্য হোৱা বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে কোনোবা নহয় কোনোবা বিষয়ত ব্যুৎপত্তি থকা দেখা যায়। গতিকে বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাত কেৱল উত্তীৰ্ণ হোৱাৰ মানসেৰে ব্যাপক অবৈধ পন্থা গ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষা পদ্ধতিৰ সংস্কাৰৰ বাৰুকৈয়ে প্ৰয়োজন হৈ পৰিছে। এই ক্ষেত্ৰত ১০+ ৰ পৰা একক বিষয়ৰ অন্তৰ্ভুক্তি বিশেষ ফলদায়ক হ'ব বুলি ক'ব পাৰি। তদুপৰি প্ৰশ্নৰ স্বৰত পাৰ্মুটেচন পদ্ধতিৰ ব্যৱহাৰ, ছেমিষ্টাৰ পৰীক্ষাৰ প্ৰচলন, ব্যৱহাৰিক দিশত অধিক গুৰুত্ব, প্ৰলোভনীয় বৃত্তিৰ ব্যৱস্থা কৰা, মেধাক্ৰম অনুসৰি কৰ্মবিন্যাসৰ ব্যৱস্থা কৰা, কৰ্মনৈপূণ্যত অধিক গুৰুত্ব আৰোপ কৰা, কৰ্মসংস্থাপনৰূপী ক্ৰীড়া প্ৰতিষ্ঠান স্থাপন কৰা, সাংস্কৃতিক প্ৰতিষ্ঠান স্থাপন কৰা, প্ৰাথমিক স্তৰতে কাৰিকৰী পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা, প্ৰাথমিক পৰ্য্যায়ৰ কৃষি, সমাজ বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, দৰ্শন, এক্সপিডিচন, পেৰা-চিকিৎসা, বাণিজ্য, মাছ কমিউনিকেচন, প্ৰগ্ৰেম পৰিচালনা আদি স্থাপনৰ মাধ্যমেৰেও শিক্ষাক নিম্নস্তৰৰ পৰাই আকৰ্ষিত কৰি তুলিব পৰা যায়।

এইবোৰৰ উপৰি গুণগত এন্টাৰপ্ৰিনিউৰশ্বিপ গঢ়ি তোলাৰ মানসিকতা বিকাশ কৰা প্ৰতিষ্ঠান স্থাপনৰ ব্যৱস্থা কৰা নিত্যান্ত প্ৰয়োজন হৈ পৰিছে। সময়ৰ আহ্বানত ছাত্ৰ-ছাত্ৰীৰ ৰুচি-অভিৰুচি, আগ্ৰহ, মনোযোগ, সামৰ্থ্য, সুচিন্তাধাৰা, নিৰ্ধাৰণ ক্ষমতা, দক্ষতা (সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক), গণতান্ত্ৰিক চিন্তাধাৰা, নেতৃত্বৰ ভেটি স্থাপন, বাস্তৱকেন্দ্ৰিক অনুপ্ৰেৰণা, জাতীয় সংহতি, অপৰম্পৰাগত অন্বেষনমূলক চিন্তাধাৰা, অতিমানৱীয়তাৰ মূল্যবোধ আদি বিকাশ কৰাৰ শিক্ষা দিয়াৰ বাৰুকৈয়ে প্ৰয়োজন হৈ পৰিছে। এনে শিক্ষাই কৰ্মব্যস্ততা, নৈপুণ্য আৰু সংস্থাপনৰ পথ বহুগুণে প্ৰশস্ত কৰিব বুলি ধাৰণা কৰিব পাৰি।

আধুনিকতাৰ জটিল সন্ধিক্ষণত অকল প্ৰকৃতিৰ ওপৰত এৰি নিদি যুক্তিৰ শিক্ষা প্ৰদান কৰাৰ বাবে আমি সকলোৱে চেষ্টা কৰিব লাগিব। এনে ক্ষেত্ৰত মাৰ্কাছ টুলিয়াছ চিচেৰোৰ বিখ্যাত উক্তি জ্ঞানী মানুহে শিক্ষা আহৰণ কৰে যুক্তিৰ পৰা, কম জ্ঞানী মানুহে অভিজ্ঞতাৰ পৰা, অজ্ঞ মানুহে প্ৰয়োজনৰ পৰা আৰু ইতৰ প্ৰাণীয়ে আহৰণ কৰে প্ৰকৃতিৰ পৰা'ৰ যথোপযুক্ততা বিবেচনা কৰিলে যুক্তিগত, প্ৰযুক্তিগত আৰু অভিজ্ঞতাৰ সমলস্বৰূপ শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা বাৰুকৈয়ে আৱশ্যক।

*পুনঃ মুদ্ৰিত*

# আধুনিকতা আৰু ছাত্ৰ সমাজত ইয়াৰ প্ৰভাৱ

*সাকিল আহমেদ*
*স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)*

আমি সকলোৱে জানো যে বৰ্তমানৰ যুগটো হৈছে বিজ্ঞানৰ যুগ অৰ্থাৎ আমি বৈজ্ঞানিক তথা আধুনিক যুগৰ মানুহ। বিজ্ঞানৰ নিত্য নতুন আৱিস্কাৰৰ ফলত আজি মানৱ সমাজে উন্নতিৰ জখলাত বগাবলৈ সক্ষম হৈছে। বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ বলতে আজি আমি এখন কোঠাত বহিয়েই দেশ-বিদেশৰ বা-বাতৰি গ্ৰহণ কৰিব পাৰিছো আৰু নিজৰ মনৰ ভাৱ আনৰ লগত আদান-প্ৰদান কৰিব পাৰিছো। বিজ্ঞানৰ অভাৱনীয় আৱিস্কাৰৰ ফলত বৰ্তমান মাত্ৰ এটা বুটাম টিপিয়ে দৈনন্দিন জীৱনৰ সকলো কাম কৰিব পৰা হৈছোঁ। আধুনিক জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে বিবেচিত হৈছে, মোবাইল ফোন, টি, ভি, কম্পিউটাৰ, বিলাসী গাড়ী, বিভিন্ন ধৰণৰ আধুনিক সাজ-পোছাক ইত্যাদি। অৰ্থাৎ আধুনিক জীৱন-যাপনৰ আৰত আছে বিজ্ঞানৰ এক বিশেষ অৱদান। বিজ্ঞানৰ অতুলনীয় অবদানেৰে ভৰপূৰ আধুনিকতাই দেশৰ ভৱিষ্যত তথা ছাত্ৰ সমাজক লক্ষণীয়ভাৱে প্ৰভাৱিত কৰিছে। বৰ্তমান ছাত্ৰ সমাজত বাঢ়ি অহা উচ্ছৃংখলতা, যৌন ব্যভিচাৰ, নৈতিক অৱক্ষয় আদিৰ মূলতে আধুনিকতাৰ প্ৰভাৱ থকা বুলি কলেও ভুল কোৱা নহ'ব।

এটা মোবাইল ফোন বা এখন বাইকৰ কাৰণে কোনোবা ছাত্ৰই আত্মহত্যা কৰা ঘটনা আমি নুশুনা নহয়। ঠিক সেইদৰে সকলো সময়তে টি, ভি, কম্পিউটাৰ, মোবাইল ফোন আদিৰ লগত ব্যস্ত থাকি বহুতো ছাত্ৰ-ছাত্ৰী নিজৰ কৰ্তব্যৰ ফালে পিঠিদি বিপথগামী হোৱাও দেখা যায়। বৰ্তমান যুগৰ আধুনিকতাৰ আন এক অবিচ্ছেদ্য অংগ হ'ল বাৰেৰহণীয়া অমাৰ্জিত সাজ-পোছাক। অৱশে এটা কথা বিশেষভাৱে লক্ষণীয় যে সকলো বস্তুৰে ভাল আৰু বেয়া এই দুয়োটা গুণেই থাকে। গতিকে আধুনিকতাৰ এই কু-প্ৰভাৱৰ বাবে তাক ত্যাগ কৰি আদিম যুগলৈ তথা পুৰণি সভ্যতালৈ উভতি যোৱা সম্ভৱ নহয়। কিন্তু বেয়াটোক ত্যাগ কৰি ভালখিনি গ্ৰহণ কৰিব পৰা মানসিকতাৰ অভাৱৰ বাবেই বৰ্তমানৰ যুৱ তথা ছাত্ৰ সমাজৰ দ্বাৰা বিভিন্ন অপকৰ্ম সংঘটিত হোৱা বুলি কব পাৰি। পিছে ইয়াৰ বাবে আধুনিকতা দায়ী নহয়। ইয়াৰ বাবে দায়ী হৈছে দৃষ্টিশক্তি থকা সত্ত্বেও চকুমুদা কুলি দৰে আচৰণ কৰি নিজৰ সন্তান অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলক আধুনিকতাৰ নামত অমাৰ্জিত সাজ-পাৰ, অনুপযুক্ত বয়সতে মোবাইল, গাড়ী, কম্পিউটাৰ আদি উপহাৰ দি তেওঁলোকক বিপথগামী হোৱাত সহায় কৰা এচাম লোক। গতিকে ছাত্ৰ-ছাত্ৰীসকলে অভিভাৱক আধুনিকতাৰ এই উপহাৰসমূহ গ্ৰহণ কৰি ইয়াৰ সৎ ব্যৱহাৰ কৰি নিজৰ জীৱন গঢ় দিবলৈ চেষ্টা কৰা উচিত। গতিকে সময় থাকোতেই আমাৰ সমাজৰ বুদ্ধিজীৱী তথা সুনাগৰিক আৰু ছাত্ৰ তথা যুৱ প্ৰজন্মই আধুনিকতাৰ এই কু-প্ৰভাৱৰ পৰা অসমীয়া সমাজ আৰু সংস্কৃতিক ৰক্ষা কৰিবলৈ যথোপযুক্ত চেষ্টা কৰা উচিত।

❖ ❖ ❖





# শিক্ষাৰ অধিকাৰ আইন- ২০০৯, সম্ভাৱনা আৰু সংশয়

*হানিফ মুস্তাক আহমেদ*
*জ্যেষ্ঠ প্ৰৱক্তা, ৰসায়ন বিজ্ঞান বিভাগ*

ভাৰতীয় শিশু সকলে বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা লাভৰ অধিকাৰ অৱশেষত মৌলিক অধিকাৰ হিচাপে লাভ কৰিবলৈ সক্ষম হ'ল। শিক্ষাৰ অধিকাৰ আইন- ২০০৯ৰ জৰিয়তে ৬-১৪ বছৰ বয়সৰ সকলো শিশুকেই বিনামূলীয়া আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা লাভ, মৌলিক অধিকাৰ হিচাপে প্ৰদান কৰা হৈছে। এই আইন প্ৰণয়নৰ বাবে ২০০২ চনত ভাৰতীয় সংবিধানৰ ৮৬ তম্ সংশোধনী ঘটোৱা হয়। সংবিধানৰ ৮৬ তম্ সংশোধনীৰ আগলৈকে শিক্ষাৰ অধিকাৰ সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ ৪৫ নং অনুচ্ছেদত সন্নিবিষ্ট আছিল। কিন্তু নানা কাৰণত তাক বাস্তৱায়ীত কৰাৰ পৰা আমাৰ দেশৰ চৰকাৰ বিৰত আছিল।

সেই তাহানিতেই ভাৰতীয় সংবিধানৰ প্ৰণেতা সকলে সংবিধানৰ নিৰ্দেশাত্মক নীতিত শিশু সকলক বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ অধিকাৰ প্ৰদানৰ যি স্বপ্ন দেখুৱাই ছিল, তাক বাস্তৱায়ীত কৰিবলৈ স্বাধীন ভাৰতবৰ্ষক সুদীৰ্ঘ ৫৯ টা বছৰ লাগিল। তাৰ পাছত সংবিধানৰ ৮৬ তম্ সংশোধনীৰ জৰিয়তে সংবিধানত এক নতুন দফা ২১ এ- সংযোজন কৰি ৬-১৪ বছৰ বয়সলৈ সকলো শিশুৰ বাবেই প্ৰাথমিক শিক্ষাক মৌলিক অধিকাৰ বুলি মান্যতা প্ৰদান কৰা হ'ল। তাৰোপৰি সংবিধানৰ চতুৰ্থ অনুচ্ছেদত দফা ৫১(এ) সংযোজন কৰি পিতৃ-মাতৃ সকলক তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে যাতে প্ৰাথমিক শিক্ষা বিনাবাধাই গ্ৰহণ কৰিব পাৰে, তাৰ বাবে যথোপযুক্ত সুযোগ সুবিধা প্ৰদান, পিতৃ-মাতৃৰ মৌলিক কৰ্তব্য বুলি কোৱা হৈছে। প্ৰকাশ থাকে যে, ১৯৯৩ চনত উন্নিকৃষ্ণন বনাম অন্ধ্ৰপ্ৰদেশ (Unnikrishnan Vs state of Andhra Prodesh) মোকৰ্দমাত ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে প্ৰাথমিক শিক্ষা সকলো শিশুৰেই মৌলিক অধিকাৰ বুলি অবিহিত কৰি দিয়া ৰায়ৰ ফলশ্ৰুতিতেই বৰ্তমানৰ শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন হ'ল।

২০০৯ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে লোক সভাত ৰাইট টু ফ্ৰী এণ্ড কম্পালছৰী ইডুকেশ্বন বিল, ২০০৮ (The right of children to free and compulsory education bill 2008) অনুমোদনে ভাৰতবৰ্ষক সমঅধিকাৰ আৰু প্ৰগতিশীল দেশৰ প্ৰতিশ্ৰুতিত বহুযোজন আগুৱাই নিলে বুলি বহু বুদ্ধিজীৱি আৰু চিন্তাবিদে দাবী কৰিছে। এই বিলৰ লক্ষ্য আৰু অন্তৰ্নিহিত উদ্দেশ্য যথেষ্ট সৎ আৰু মহান, যদিও বিলখন একেবাৰে আসোঁৱাহ মুক্ত নহয়। সেয়ে এই বিলৰ আসোঁৱাহ আৰু দুৰ্বলতা সমূহৰ বিতং বিশ্লেষণ আৰু তাৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখাৰ প্ৰয়োজন।

বিলৰ উদ্দেশ্য ব্যাখ্যাত কোৱা হৈছে যে, ভাৰতবৰ্ষত শিক্ষাক সাৰ্বজনীন কৰি সকলোকে সম অধিকাৰ আৰু সমান সুযোগ সুবিধা প্ৰদানৰ যোগেদি ভাৰতীয় গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাই হ'ল এই বিলৰ মূল উদ্দেশ্য। এই বিলত শোষিত, বঞ্চিত আৰু পিছপৰা

শ্ৰেণীৰ জনগনৰ ল'ৰা-ছোৱালী শিক্ষাৰ পৰা বঞ্চিত হোৱা বা নিম্ন মানদণ্ড বিশিষ্ট শিক্ষা পোৱাত উদ্বেগ প্ৰকাশ কৰা হৈছে। The right to education Bill 2008-এ পূৰ্ণকালীন, সমমানদণ্ড বিশিষ্ট, মুক্ত আৰু বাধ্যতামূলক প্ৰাথমিক শিক্ষা দেশৰ সকলো শিশুকে প্ৰদানৰ ব্যৱস্থা কৰিছে। এই বিলৰ মূখ্য বৈশিষ্ট্য সমূহ তলত উল্লেখ কৰা ধৰণৰ—

৩ নং দফাত সকলো শিশুকেই ৬-১৪ বছৰ বয়সলৈকে নিকটবৰ্ত্তী প্ৰাথমিক বিদ্যালয়ত, বাধ্যতামূলক প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিবলৈ পোৱাটো মৌলিক অধিকাৰ হিচাপে প্ৰদান কৰা হৈছে। ৫ নং দফাত প্ৰতিটো চুবুৰীত প্ৰাথমিক বিদ্যালয় স্থাপনৰ কথা উল্লেখ আছে, ৭ নং দফাত শিক্ষক সকলৰ প্ৰশিক্ষণ আৰু জাতীয় শিক্ষানীতি প্ৰস্তুতকৰণৰ বাবে প্ৰয়োজনীয় আৰ্থিক আৰু আন আন অৱকাঠামোগত সুবিধা প্ৰদানৰ কথা কোৱা হৈছে। ১২ নং দফাত বিদ্যালয়সমূহক মুক্ত আৰু বাধ্যতামূলক শিক্ষা প্ৰদানৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই ধাৰাৰ অধীনত ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহক সমাজৰ দুৰ্বল শ্ৰেণীৰ পৰা ২৫ শতাংশ ছাত্ৰ-ছাত্ৰীক প্ৰথম শ্ৰেণীৰ পৰা প্ৰাথমিক শিক্ষা শেষ নোহোৱা পৰ্যন্ত শিক্ষা প্ৰদানৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

১৩ নং দফাত ব্যক্তিগত খণ্ডৰ প্ৰাথমিক বিদ্যালয়ত ভৰ্ত্তিৰ বাবে বাছনি পৰীক্ষা আৰু আৰ্থিক অনুদান লোৱা নিষিদ্ধ কৰা হৈছে, আইনৰ এই দফা উলংঘনৰ বাবে শাস্তিৰ বিধান ৰখা হৈছে। ১৫ নং দফা শিক্ষানুষ্ঠানত শিশুৰ নাম ভৰ্ত্তিৰ বিষয়ে, ১৯ নং দফা বিদ্যালয় সমূহৰ স্বীকৃতি সম্পৰ্কে, ২১ নং দফা স্কুল পৰিচালনা সমিতিৰ সংবিধান, ২২ নং দফাত বিদ্যালয় পৰিচালনা সমিতিৰ বিদ্যালয় উন্নয়ন সম্পৰ্কে, ২৩ নং দফা শিক্ষক সকলৰ অৰ্হতা, চাকৰিৰ চৰ্ত্ত আৰু অবধি সম্পৰ্কীয়, ২৪ নং দফাত শিক্ষকৰ কৰ্ত্তব্য সিহঁতৰ অভাৱ, অভিযোগ আৰু নিয়মানুবৰ্ত্তীতা ভংগৰ বাবে লবলগীয়া বিহীত ব্যৱস্থা সম্পৰ্কে, ২৫ নং দফা স্থানীয় আৰু চৰকাৰী কৰ্তৃপক্ষৰ দ্বাৰা ছাত্ৰ - শিক্ষকৰ অনুপাত নিৰীক্ষণ আৰু তাক বজাই ৰখা সম্পৰ্কীয়, ২৬ নং দফা বিদ্যালয়ত খালীহৈ থকা শিক্ষকৰ পদ পুৰণৰ বাবে বাধ্যবাদকতা সম্পৰ্কে, ২৭ নং দফাত স্থানীয় নিকায় সমূহৰ নিৰ্বাচন, আদমসুমাৰী, দুযোৰ্গ ব্যৱস্থা পনা, বিধান সভা আৰু সংসদীয় নিৰ্বাচনৰ বাহিৰে আন কামত শিক্ষকৰ নিয়োগ নিষিদ্ধ কৰা হৈছে। ২৮ নং দফাত শিক্ষকৰ ব্যক্তিগত টিউচন নিষিদ্ধ ঘোষণা কৰা হৈছে। ২৯ নং দফাত পাঠ্যক্ৰম আৰু মূল্যায়ন, এক শৈক্ষিক সমিতিৰ অধীনত কৰাৰ নিৰ্দেশ দিয়া হৈছে। ৩০ নং দফাত প্ৰাথমিক শিক্ষা শেষ নোহোৱালৈকে কোনো ছাত্ৰ ছাত্ৰীকেই অনুত্তীৰ্ণ বুলি একেটা শ্ৰেণীতে একাধিক বছৰ ৰখা নিষিদ্ধ কৰা হৈছে। ৩১ নং দফাত জাতীয় আৰু ৰাজ্যিক শিশু অধিকাৰ আয়োগ সমূহক কিছু অতিৰিক্ত দায়িত্ব আৰু ক্ষমতা প্ৰদান কৰা হৈছে। ৩২ নং দফাত এই আইনৰ অধীনত শিশুৰ অধিকাৰ ৰক্ষাৰ বাবে বিহীত ব্যৱস্থাৰ উল্লেখ আছে। ৩৩ নং দফাত নেশ্বনেল এডভাইছ'ৰী কাউন্সিল গঠনৰ বাবে সংবিধান প্ৰণয়ন কথা কোৱা হৈছে আৰু সেই কাউন্সিলে কেন্দ্ৰীয় চৰকাৰক শিক্ষাৰ অধিকাৰ আইন ২০০৯ বাস্তৱায়ন বাবে পৰামৰ্শ আগবঢ়াব।





'ৰাইট টু ইডুকেশ্বন বিল ২০০৮' (Right to education Bill 2008)ৰ খচৰা ২০০৩ চনতেই প্ৰস্তুত কৰা হৈছিল আৰু তাৰ পৰৱৰ্ত্তী সময়ত বিভিন্ন সংস্কৰণত ইয়াক অনুমোদন কৰা হৈছিল। ২০০৮ চনত এই বিলৰ পূৰ্ণাংগৰূপ প্ৰদান কৰা হয়, কিন্তু নিৰ্বাচন আয়োগে ইতিমধ্যে নিৰ্বাচনী আচৰণ বিধি প্ৰয়োগ কৰাৰ ফলত চৰকাৰে বিলৰ পূৰ্ণাংগ পাঠ প্ৰকাশৰ পৰা বিৰত থাকে।

নিৰ্বাচনোত্তৰ কালত ২০০৯ চনৰ আগষ্ট মাহৰ ৫ তাৰিখে চৰকাৰে এই বিল সংসদত উত্থাপন কৰে আৰু কোনো আলোচনা, বিতৰ্ক বা সংশোধনী অবিহনেই, এই বিল সংসদত অনুমোদিত হয়। যাৰ ফলত বুদ্ধিজীৱি সকলে প্ৰচাৰ মাধ্যমৰ যোগেদি উপস্থাপন কৰা আসোঁৱাহ সমূহৰ কোনো সদুত্তোৰ পোৱা নগ'ল। বিলখন ত্ৰুটিপূৰ্ণ হৈ থাকিল। যদিহে জাতীয় পৰ্য্যায়ত মুকলি বিতৰ্কৰ যোগেদি সকলো শ্ৰেণীৰ লোকৰ মতামত সাপেক্ষে বিলখন গৃহীত কৰা হ'লহেতেন, তেন্তে বহুবিলাক আসোঁৱাহ তাৎক্ষণিক ভাবেই নোহোৱা হ'লহেতেন। এই বিলত শৈশৱকালৰ সংজ্ঞা সংকোচিত কৰা হৈছে। যি সময়ত ৰাষ্ট্ৰ সংঘৰ শিশু অধিকাৰ আইনে ১৮ বছৰলৈকে শৈশৱ কাল বুলি স্বীকৃতি প্ৰদান কৰিছে, সেই সময়ত আমাৰ দেশত শৈশৱ কাল ১৪ বছৰ ধৰাৰ কাৰণ কি ? এই কথা সহজে বোধগম্য নহয়। প্ৰকাশ থাকে যে, ভাৰতবৰ্ষ ৰাষ্ট্ৰসংঘৰ শিশু অধিকাৰ আইনত স্বাক্ষৰকাৰী সদস্য দেশ।

শিক্ষা ব্যৱস্থাক সাৰ্বজনীন কৰাৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপৰ আগতে তাক সাধাৰণ জনগনৰ বোধগম্য হোৱাকৈ প্ৰকাশ ও প্ৰচাৰ কৰিলে বহুতো আসোঁৱাহ আগতেই নোহোৱা হ'লহেঁতেন। আগতিয়াকৈ বিলখন প্ৰকাশ নকৰাৰ ফলতে বহু শিক্ষাবিদ, বেচৰকাৰী শিক্ষা সংস্থা আৰু বুদ্ধিজীৱিয়ে এই বিলৰ সঠিক বাস্তৱায়নৰ প্ৰতি সন্দেহ ও সংশয় প্ৰকাশ কৰিছে।

এই বিলৰ প্ৰধান সুৰুঙা বা আসোঁৱাহ সমূহ হ'ল, বিলত ১৬০ নিযুত স্কুল বহিঃভূত ল'ৰা-ছোৱালীক স্কুললৈ পঠোৱাৰ বাবে অৰ্থৰ যোগান ধৰাৰ বাবে ৰাজ্য চৰকাৰক বাধ্য কৰাৰ উল্লেখ আছে, কিন্তু কেনেকৈ তাৰ উল্লেখ নাই। ছয় বছৰৰ তলৰ ল'ৰা-ছোৱালীক এই বিলৰ পৰা বাদ দিয়া হৈছে, য'ত ভাৰতীয় সংবিধানৰ ৮৬ তম সংশোধনীৰ আগলৈ সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ ৪৫ নং দফাত ১৪ বছৰ বয়সলৈকে সকলো শিশুৰ কথা কোৱা হৈছে, আৰু সেইসকল শিশুক বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰদানত গুৰুত্ব আৰোপ কৰা হৈছে। আনহাতে উন্নিকৃষ্ণন বনাম অন্ধ্ৰপ্ৰদেশ মোকৰ্দমাত ১৯৯৩ চনত প্ৰদান কৰা ৰায়ত উচ্চতম ন্যায়ালয়ে সকলো শিশুৰ কথাকে উল্লেখ কৰিছে। গতিকে ০-৬ বছৰ বয়সৰ শিশু সকলক ইচ্ছাকৃত ভাবে বিলৰ পৰা বাদ দিয়া সমীচিন হোৱা নাই। এই বিলত চৰকাৰী বিদ্যালয়ৰ শিক্ষক সকলক নিৰ্বাচন, আদমসুমাৰী আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ দায়িত্বৰ পৰা ৰেহাই দিয়া হোৱা নাই। ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানত দুৰ্বল শ্ৰেণীৰ শিশু সকলৰ বাবে মাত্ৰ টিউশ্বন ফিচ বাদ দিয়াৰ কথাহে উল্লেখ আছে, কিন্তু ব্যক্তিগত শিক্ষানুষ্ঠান সমূহে ধাৰ্য্য কৰা আন মাচুলৰ কোনো উল্লেখ নাই। তাৰোপৰি ২৫ শতাংশ ছাত্ৰ-ছাত্ৰী সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ পৰা লোৱাৰ যি ব্যৱস্থা ৰখা হৈছে, সেয়া নিৰীক্ষনৰ বাবে কোনো ব্যৱস্থা ৰখা হোৱা নাই। শিক্ষক

সকলৰ বাবে সামাজিক নিৰাপত্তা, উপাদেয় দৰমহা আৰু পদোন্নতিৰ কোনো উল্লেখ নাই। বিদ্যালয় পৰিচালনা সমিতি গঠনৰ পদ্ধতি সম্পৰ্কে বিলত কোনো কথা উল্লেখ নাই, গতিকে স্থানীয় বিধায়ক আৰু সাংসদ সকল প্ৰদানিক (Ex-officio) সভাপতি হ'লে, বহু অথন্তৰ আৰু বঞ্চনাৰ সৃষ্টি কৰিব। বিলত স্কুল পতাৰ অৰ্হতাৰ কথা কোৱা হৈছে, কিন্তু শিক্ষা, শিক্ষন সঁজুলি, পুথিভড়াল, খেলা-ধূলা আদি বিষয়ে উল্লেখ নাই। সমমানদণ্ড সম্পন্ন (equitable quality)ৰ যি শিক্ষা প্ৰদানৰ কথা কোৱা হৈছে, তাৰ সংজ্ঞা নিৰূপণ কৰা হোৱা নাই, সংজ্ঞা অবিহনে equitable quality কথাষাৰৰ কোনো অৰ্থ নাই। এই বিলত কোনো ছাত্ৰ-ছাত্ৰীকেই অষ্টমান শ্ৰেণীলৈ একেটা শ্ৰেণীত একাধিক বছৰৰ বাবে ৰাখিব নোৱাৰি বুলি কোৱা হৈছে, কিন্তু শিশুৰ শৈক্ষিক আৰু মানসিক বৃদ্ধি নিৰীক্ষণ কৰাৰ বাবে কোনো ব্যৱস্থা নাই। যদি কোনো শিশুৱে প্ৰাথমিক শিক্ষা শেষ কৰি মাধ্যমিক শিক্ষাৰ বাবে যোগ্যতা অৰ্জন কৰিব নোৱাৰে, তেন্তে শিশুক তেনেকুৱা প্ৰাথমিক শিক্ষা প্ৰদানৰ কোনো অৰ্থ নাই বুলি পাৰ্লামেণ্টৰ ষ্টেণ্ডিং কমিটি (Standing committee) এ মত প্ৰকাশ কৰিছে। বিলত শাৰীৰিক শাস্তি নিষিদ্ধ কৰা হৈছে, কিন্তু মানসিক শাস্তিৰ উল্লেখ নাই আৰু মানসিক শাস্তিৰ কোনো সংজ্ঞাও নিৰ্দ্ধাৰণ কৰা হোৱা নাই। বিলৰ এই বিতৰ্কিত ধাৰাৰ দ্বাৰা অভিভাৱক আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ স্বত্বাধিকাৰ সকলে শিক্ষক- শিক্ষয়িত্ৰী সকলক মানসিক ভাবে নিপীড়ন কৰাৰ প্ৰবল সম্ভাৱনা আছে। এই বিলত অষ্টম শ্ৰেণীলৈকে কোনো ছাত্ৰ-ছাত্ৰীকে বিদ্যালয়ৰ পৰা বহিষ্কাৰ নিষিদ্ধ কৰা হৈছে, কিন্তু যদি কোনো ছাত্ৰ অবিৰত ভাবে অবাধ্য হয়, নিয়মানুৱৰ্তীতা নামানে, নিয়মিত ভাবে অথন্তৰ সৃষ্টি কৰি শৈক্ষিক পৰিৱে বিনষ্টত লিপ্ত থাকে, তেন্তে তাৰ বিৰুদ্ধে কোনো ব্যৱস্থ গ্ৰহণ নকৰাটো কোনো সুব্যৱস্থা বুলিব নোৱাৰি।

এই বিলৰ আন এক প্ৰধান দুৰ্বলতা হ'ল শিক্ষা সাৰ্বজনীন কৰাৰ বাবে প্ৰয়োজনীয় অৰ্থৰ যোগান কেন্দ্ৰী আৰু ৰাজ্যিক চৰকাৰ বিলাকে ধৰিব লাগিব বুলি কো হৈছে, কিন্তু কোনে কিমান পৰিমাণৰ অৰ্থ যোগান দি লাগিব, সেই বিষয়ে আইন নিমাত। অথচ দেশৰ ১৬ নিযুত স্কুল বহিঃভূত শিশুক স্কুল গৃহৰ ভিতৰলৈ আনিবলৈ প্ৰতিবছৰ ৩৬,০০০ কোটি টকা অতিৰিক্ত ভাবে খৰ কৰিব লাগিব, যি এক বিৰাট অংক আৰু এই খৰচ প্ৰথ ছয় বছৰৰ বাবে অনিবাৰ্য্য।

ভাৰতবৰ্ষক এখন সম্পূৰ্ণ শিক্ষিত দেশলৈ ৰূপান্তৰিত কৰিব লাগিলে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকা সমূহে তেওঁলোকৰ খৰচৰ পুনঃমূল্যায়ন কৰি শিক্ষা ক্ষেত্ৰত অধিক ধন বিনিয়োগ কৰিবলৈ সাজু থাকি লাগিব। কিন্তু এ, এছ, ছিথাৰামুৰ মতে ভাৰতব ১,০৫০,৩৫৩ খন প্ৰাথমিক বিদ্যালয়ৰ বাবে ৪৭,৭২ কোটি টকাৰ প্ৰয়োজন মাত্ৰ অনাময় ব্যৱস্থা, পৰীক্ষাগ আৰু পুথি ভড়াল সাজিবলৈ। গতিকে এই ব্যাপক খৰচ অংকই কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ বিলা মাজত বিভাজনৰ সৃষ্টি কৰিব পাৰে। কেন্দ্ৰীয় মানৱ সম্প উন্নয়ন দপ্তৰৰ এটা গোটে এই আইন বাস্তৱায়নৰ বা প্ৰয়োজনীয় আৰ্থিক দিশৰ অনুসন্ধান কৰি ২০০৬ চ জুন মাহত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখি কৰিছে। কিন্তু তাৰ পাছত যেতিয়া কেন্দ্ৰীয় চৰকা





ৰাজ্যিক চৰকাৰ সমূহক নিজা নিজা শিক্ষাৰ অধিকাৰ আইন প্ৰণয়নৰ নিৰ্দেশ দিছিল, তেতিয়া ২২খন ৰাজ্যই দায়িত্ব স্থানান্তৰৰ বিৰোধীতা কৰিছে। গতিকে ১০২ কোটি শিশুক বাধ্যতামূলক মুক্ত প্ৰাথমিক শিক্ষা প্ৰদান ব্যৱস্থা দেশৰ আৰ্থিক অনাটনৰ বাবে সম্ভৱ হৈ উঠাত সন্দেহৰ অৱকাশ আছে।

আনহাতে নিৰ্দ্ধাৰিত খৰচ ৩৬,০০০ কোটি টকা এক বৃহৎ অংক যদিও আমাৰ দেশৰ মুঠ ঘৰুৱা উৎপাদন মাত্ৰ এক শতাংশহে। দেশৰ ১৬০ নিযুত বিদ্যালয় বহিঃভূত শিশুক বিদ্যালয়লৈ অনাৰ কামত ই অতি নগন্য ৰাশিহে। কোঠাৰী আয়োগে প্ৰতিবেদন দাখিল কৰাৰ আজি প্ৰায় ৪০ বছৰ পাছতো আমাৰ দেশত শিক্ষাৰ শিতানত মুঠ ঘৰুৱা উৎপাদনৰ ৬ শতাংশ ধাৰ্য্য কৰাৰ সলনি মাত্ৰ ৩.৬ শতাংশ ধনহে ধাৰ্য্য কৰা হয়। যি সময়ত দেশৰ অৰ্থনৈতিক প্ৰবৃদ্ধি ৭-৮ শতাংশ হাৰত হৈছে, সেই সময়ত শিক্ষাৰ শিতানত অধিক ধন ধাৰ্য্য নকৰাৰ কোনো ন্যায্য যুক্তি থাকিব নোৱাৰে। শিক্ষাত খৰচৰ মাত্ৰা কমাবলৈ চৰকাৰে কিছুমান বেচৰকাৰী সংস্থাক শিক্ষা খণ্ডত জড়িত কৰাৰ বাবে যি চিন্তা-চৰ্চা আৰম্ভ কৰিছে, তাৰ দ্বাৰা ভালফল লাভ হ'ব বুলি আশা কৰিব নোৱাৰি। ইতিমধ্যে আমাৰ দেশত স্থাপন কৰিবলৈ লোৱা ৬,০০০ আদৰ্শ বিদ্যালয়ৰ ২৫০খন ব্যক্তিগত খণ্ডৰ সহযোগত স্থাপন কৰা হ'ব বুলি জানিব পৰা গৈছে। এই আদৰ্শ বিদ্যালয় সমূহ আমাৰ দেশত গুণগত প্ৰাথমিক শিক্ষা প্ৰদানত এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি চৰকাৰী প্ৰচাৰ, কাৰ্য্যত কিমান ফলপ্ৰসু হয়, সেয়া সময়ত দেখা যাব।

২০০৯ চনত 'চাইল্ড ৰাইট এণ্ড ইউ' নামৰ সংস্থাই প্ৰকাশ কৰা চাইলড্ৰেন মেনিফেষ্টত কোৱা হৈছে যে, আমাৰ দেশত ৩০ নিযুত শিশুৱে কেতিয়াও বিদ্যালয়লৈ যোৱা নাই, মাচুল দিব নোৱাৰাৰ বাবে ৩০ নিযুত শিশুৱে বিদ্যালয় ত্যাগ কৰে। অষ্টমান শ্ৰেণী পোৱাৰ আগতে ৫৪ শতাংশ শিশু বিদ্যালয়ৰ পৰা বাদ পৰে, ৮০ শতাংশ দলিত আৰু ৯০ শতাংশ জনজাতীয় ছোৱালীয়ে দশমমান শ্ৰেণী পোৱাৰ আগতেই বিদ্যালয় ত্যাগ কৰে। অৱশ্যে সান্ত্বনাৰ বিষয় এই যে, দেশত বিদ্যালয়ত নাম ভৰ্ত্তিৰ হাৰ বৃদ্ধি পাইছে। এনুৱেল ষ্টেটাছ অফ ইডুকেশ্বন ৰিপোৰ্ট অন ৰুৰেল ইণ্ডিয়া (Annual status of education report on rural India) ৰ প্ৰতিবেদনত প্ৰথম ষ্টেটাছ এন,জি, অ'ৰ প্ৰতিবেদনত কোৱা হৈছে যে, ৭-১০ বছৰ বয়সৰ ২.৭ শতাংশ আৰু ১১-১৪ বছৰ বয়সৰ ৬.৩ শতাংশ শিশু বৰ্ত্তমান বিদ্যালয়ৰ বাহিৰত আছে। কিন্তু ২০০৬-০৭ চনত প্ৰকাশিত প্ৰোব (Probe- 2006-07)ৰ প্ৰতিবেদনৰ সৈতে ই সাদৃশ্যপূৰ্ণ নহয়। প্ৰোব (Probe 2006-07)ৰ প্ৰতিবেদনত কোৱা হৈছে যে, হয় আমাৰ ল'ৰা ছোৱালীবোৰ বিদ্যালয়লৈ যায়, কিন্তু সিহঁতে তাত একো নিশিকে।

স্বাধীনোত্তৰ কালত স্থাপন কৰা আমাৰ দেশৰ চৰকাৰী বিদ্যালয় সমূহক শিক্ষাৰ অধিকাৰ আইনৰ অধিনত নিৰীক্ষণৰ ব্যৱস্থা কৰিব লাগিব। চৰকাৰী প্ৰাইমাৰী বিদ্যালয় সমূহ অৱকাঠামো, শিক্ষকৰ অভাৱ, অপ্ৰশিক্ষিত শিক্ষক, শিক্ষকৰ অনুপস্থিতি, শ্ৰেণী কোঠাৰ অভাৱ আৰু শিক্ষক নিযুক্তিকে আদি কৰি একশ এবুৰি সমস্যাত জৰ্জৰিত, এই বিদ্যালয় সমূহত প্ৰদান কৰা শিক্ষা

তেনেই নিম্নমানদণ্ড বিশিষ্ট। সেইবাবে দেশৰ মধ্যবিত্ত শ্ৰেণীটোৱে বহু বছৰ আগতেই চৰকাৰী বিদ্যালয়ক ছালাম জনাই, তেওঁলোকৰ ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ভৰ্ত্তি কৰিবলৈ লৈছে। বৰ্ত্তমান আমাৰ দেশৰ প্ৰাথমিক বিদ্যালয় সমূহ কোনো মতেই মানদণ্ড বিশিষ্ট শিক্ষা প্ৰদানৰ বাবে উপযুক্ত নহয়। গতিকে দেশৰ ১.২৪ নিযুত প্ৰাথমিক বিদ্যালয়ক মানদণ্ড বিশিষ্ট শিক্ষা প্ৰদানৰ জোখাৰে গঢ়িতোলাটো এক ব্যাপক প্ৰত্যাহ্বান।

ৰাষ্ট্ৰ সংঘৰ (UNESCO)ৰ প্ৰতিবেদনত ভাৰতীয় মানদণ্ডহীন প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ বাবে এনুয়েল ৰিপৰ্ট -২০০৯ (Annual report 2009)ৰ প্ৰতিবেদনত প্ৰাথমিক শিক্ষাত আসোঁৱাহৰ থকাৰ উল্লেখ কৰি কোৱা হৈছে যে, মাত্ৰ পঞ্চাশ শতাংশ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ পাঠ্যপুথি পঢ়িবলৈ সক্ষম হয়। বেচৰকাৰী সংস্থা 'প্ৰথম'ৰ এনুয়েল ষ্টেটাছ অফ ইডুকেশ্বন ৰিপৰ্ট -২০০৮, (Annual status of education report- 2008)ত কোৱা হৈছে যে, প্ৰথম শ্ৰেণীত পঢ়া ২৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়েও মৌলিক বৰ্ণমালা পঢ়িব নাজানে। এই অৱস্থাত শিক্ষকৰ মানদণ্ড আৰু শিক্ষানুষ্ঠানৰ মানদণ্ড উন্নত নকৰাকৈ দেশত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ উচ্চ আকাংক্ষা কেতিয়াও ফলবতী হ'ব নোৱাৰে। বৰ্ত্তমান দেশৰ ১.২৪ নিযুত প্ৰাথমিক বিদ্যালয়ত শিক্ষা বছৰৰ আৰম্ভণীতে নাম ভৰ্ত্তি কৰা ২০০ নিযুত শিশুক মানদণ্ড বিশিষ্ট শিক্ষা প্ৰদান এক গুৰুতৰ সমস্যা হিচাপে বিবেচিত হৈছে, এই প্ৰত্যাহ্বান শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ অধিনত মোকাবিলা কৰাৰ বাবে আৰ্থিক আৰু কাৰিকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

গোটেই বিশ্বত শিক্ষা ব্যৱস্থা আৰু শিক্ষা প্ৰযুক্তি আমূল পৰিবৰ্ত্তনৰ পাছতো আমাৰ দেশৰ শিক্ষা ব্যৱ আওপুৰণি হৈয়েই আছে। গতিকে শিক্ষাৰ অধিকাৰ আই কাৰ্য্যকৰী হোৱাৰ লগে লগে আমাৰ দেশত প্ৰশিক্ষণ প্ৰা অৰ্হতা সম্পন্ন শিক্ষকৰ ব্যাপক নাটনিয়ে দেখা দি দেশৰ মুঠ শিক্ষকৰ দহ শতাংশৰ অধিক সংখ্যক শিক্ষ কোনো প্ৰশিক্ষণ নাই, যদিও তেওঁলোকে বৰ্ত্তমা শিক্ষকৰ কাম কৰি আছে। এই প্ৰশিক্ষণ নথকা শিক্ষ সকলে শিক্ষাৰ অধিকাৰ আইন ২০০৯ বাস্তবায়ন হোৱা লগে লগে চাকৰিৰ পৰা অব্যাহতি লব লাগিব। যা ফলত শিক্ষকৰ নাটনি তীব্ৰতৰ হ'ব। বৰ্তমানে অনুমোদি ছাত্ৰ-শিক্ষকৰ অনুপাত ৪০ঃ০১ চলি আছে যদি কিছুমান ৰাজ্যত ছাত্ৰ- শিক্ষকৰ অনুপাত বিসংগতি পূ হোৱা দেখা যায়।

অসমত এই অনুপাত প্ৰায় ৪০ঃ০১ ৰ ওচ পাজৰে যদিও নিযুক্তিৰ বৈষম্য আৰু আমোলাতান্ত্ৰি দুৰ্নীতিৰ ফলত ৰাজ্যৰ সকলো অঞ্চলতে ছাত্ৰ-শিক্ষক অনুপাত একে নহয়। বৰপেটা জিলাত সাম্প্ৰতি চলোৱা এক সমীক্ষাৰ পৰা দেখা গৈছে যে, সামগ্ৰী ভাবে বৰপেটা জিলাত ছাত্ৰ-শিক্ষকৰ অনুপাত ৪০ঃ০ যদি চৰ-চাপৰি, অত্যান্ত গ্ৰামাঞ্চল আৰু সংখ্যালঘু অধ্যুষি এলেকা সমূহত ছাত্ৰ- শিক্ষকৰ অনুপাত বিসংগতিপূ প্ৰায় দহ শতাংশ বিদ্যালয়ত এজন শিক্ষকৰ বিপৰী একশ-ডেৰশ ছাত্ৰ-ছাত্ৰী আছে। এই ক্ষেত্ৰত নিৰীক্ষণ অ বিহীত ব্যৱস্থা লোৱাৰ প্ৰয়োজনীয়তা চৰকাৰৰ শি বিভাগে অনুভৱ নকৰে। যাৰ ফলত শিক্ষাৰ অধিকা





আইনত যি সমমানদণ্ড বিশিষ্ট শিক্ষা প্ৰদানৰ কথা কোৱা হৈছে, সেয়া হয়তো অসমৰ চৰ-চাপৰি আৰু সংখ্যালঘু অধ্যুষিত অঞ্চলৰ শিশু সকলৰ বাবে সপোন হৈয়ে থাকিব। সেয়ে শিক্ষাৰ অধিকাৰ আইনৰ সৰুঙা সমূহ বন্ধ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ অতি জৰুৰী। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান সমূহত ২৫ শতাংশ ছাত্ৰ-ছাত্ৰী সমাজৰ পিছপৰা শ্ৰেণীৰ পৰা ভৰ্ত্তি কৰাৰ যি ব্যৱস্থা আইনত ৰখা হৈছে, তাত ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে ২৫ শতাংশ ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি কৰিবলৈ কি পদ্ধতি অৱলম্বন কৰিব লাগিব, সেই বিষয়ে আইনত স্পষ্ট উল্লেখ নাই। অৱশ্যে ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে নামভৰ্ত্তিত আৰ্থিক অনুদান ল'লে শাস্তি হিচাপে তাৰ দহগুণ ধন জৰিমনা ভৰিব লাগিব বুলি কোৱা হৈছে। আইনত নাম ভৰ্ত্তিৰ সময়ত বাছনি পৰীক্ষা পতা নিষিদ্ধ ঘোষণা কৰা হৈছে আৰু আইন ভংগকাৰী বিদ্যালয় সমূহে প্ৰথম বাৰৰ বাবে ২৫,০০০ আৰু তাৰ পৰৱৰ্ত্তী সময়ত আইন ভংগৰ বাবে ৫০,০০০ টকাকৈ জৰিমনা ভৰিব লাগিব বুলি কোৱা হৈছে। উপযুক্ত কৰ্তৃপক্ষৰ পৰা স্বীকৃতি নোলোৱা বিদ্যালয় সমূহক ১,০০,০০০ টকালৈকে জৰিমনা বিহাৰ ব্যৱস্থা শিক্ষাৰ অধিকাৰ আইন ২০০৯ত সন্নিবিষ্ট কৰা হৈছে।

এই আইন শিশু-শ্ৰমিক আৰু ঠিকনাবিহীন শিশুৰ শিক্ষাৰ বিষয়ে নিমাত। আমাৰ দেশত ১৯৮৬ চনৰ চাইল্ড লেবাৰ প্ৰটেক্শ্বন আইন (Child labour prohibition and regulation act- 1986) বলবৎ থকা সত্ত্বেও বিশ্বৰ ভিতৰত আটাইতকৈ বেছি সংখ্যক শিশু শ্ৰমিক ভাৰতবৰ্ষতে নিয়োজিত হৈ আছে। তাৰোপৰি প্ৰতিবছৰ ভাৰতৰ চহৰ সমূহত ঠিকনা নোহোৱা শিশুৰ সংখ্যা উদ্বেগজনক ভাবে বৃদ্ধি পাই আছে। ঠিকনাবিহীন আৰু শিশু-শ্ৰমিক সকলৰ শিক্ষাৰ অধিকাৰ সম্পৰ্কে আইন উদাসীন। এই বৃহৎ সংখ্যক শিশুক স্কুললৈ অনাৰ ব্যৱস্থা কি ? সেই বিষয়ে আইনত কোনো স্পষ্ট উল্লেখ নাই, ঠিকনাবিহীন শিশু, শিশু শ্ৰমিক আৰু শিশু নিৰ্যাতনৰ বিষয়টো শিক্ষাৰ অধিকাৰ আইনত কৌশলগত ভাবে এৰাই যোৱা হৈছে। যাৰ ফলত শিক্ষাৰ অধিকাৰ আইন মাৰ্ফত শিক্ষাক সাৰ্বজনীন কৰি যি মহান উদ্দেশ্য সাধনৰ কথা কোৱা হৈছে, সেয়া অসম্পূৰ্ণ হৈ থাকিব। ইতিমেধ্য ২০০৯ চনৰ আগষ্ট মাহৰ ২৬ তাৰিখে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এই বিলত স্বাক্ষৰ কৰিছে আৰু চৰকাৰে ২ চেপ্তেম্বৰত গেজেট নোটিছ জাৰি কৰিছে। ৰাজ্য চৰকাৰ সমূহে গেজেট নোটিছ হোৱাৰ দিনৰ পৰা তিনিবছৰ সময় পাব এই আইন বাস্তবায়নৰ বাবে। গতিকে অহা দিনবোৰত শিক্ষাৰ অধিকাৰ আইন ২০০৯ য়ে প্ৰাথমিক শিক্ষা তথা আমাৰ সমাজলৈ কেনেকুৱা পৰিবৰ্ত্তন আনে সেয়া লক্ষণীয় হ'ব।

**Reference:**


1. Yojana- May/2008
2. Yojana- Nov./2008
3. University News- Nov./2009
4. Affairs Nov./2009.
5. Wrongs in the Right to education Bill-Renu Singh 6th July/2009.



❖ ❖ ❖

# কলেজৰ দুৱাৰমুখত প্ৰথমটো খোজৰ উপলব্ধি

মোঃ ৰেজাউল ৰছুল হ
স্নাতক ১ম বৰ্ষ (কলা শাখা

এই কথা কোনেও ন দি কব নোৱাৰে যে, প্ৰতিজন উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী নিজৰ ফলাফলক লৈ সন্তুষ্ট। সন্তুষ্ট লাভ কৰা মানুহৰ ধৰ্ম নহয়। অসন্তুষ্টিয়েই মানুহক জীৱশ্ৰেষ্ঠ পৰ্যায়লৈ লৈ যোৱাৰ লগতে নিত্য নতুন আৱিষ্কাৰৰো কাৰক। প্ৰত্যেক মানুহৰে একোটা সপোন থাকে, জীৱনৰ সপোনৰ ভেটি স্বৰূপ মাধ্যমিক পৰীক্ষাৰ ফলাফল। নিশ্চিত ভাৱে এই বোৰৰ ফলাফলেও পৰীক্ষাৰ্থীলৈ আনন্দৰ জোৱাৰ আনিলে যদিও বহু ছাত্ৰ-ছাত্ৰীৰ বাবে ই ধুমুহা সদৃশ। হয়তো এই ধুমুহাই উৰুৱাই লৈ গৈছে কাৰোবাৰ সপোন, কাৰোবাৰ ভৰিৰ তলৰ মাটিডোখৰ নতুবা সৃষ্টি কৰিছে হৃদয়ত এক বৰ্ণনাতীত ভূমিকম্প। সপোন হেৰুৱাৰ বেদনা সপোন হেৰুৱাজনেহে উপলব্ধি কৰিব পাৰে। ব্যাখ্যা কিন্তু কোনেও কৰিব নোৱাৰে। জীৱনৰ গতিপথ বৰ দীঘলীয়া। মাত্ৰ এটা সপোনেৰে ই আবদ্ধ নহয়। প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে কৈছে- "গঢ়া এটা সপোন ভাঙিলে অন্য এটা গঢ়া"। সপোন ভাঙিলে জীৱন স্তব্ধ নহয়।

পৰীক্ষাৰ ফলাফল বহুতো কাৰকৰ ওপৰত নিৰ্ভৰশীল। এজন ছাত্ৰ বা ছাত্ৰীয়ে নিজৰ দক্ষতা প্ৰমাণ কৰিব লাগে নিৰ্দিষ্ট এটা দিনৰ মাত্ৰ কেইটিমান মহূৰ্তত। কিন্তু সেই মহূৰ্ত কেইটি বিভিন্ন উপাদানৰ দ্বাৰা প্ৰভাম্বিত হ'ব পাৰে। ক্ৰমবৰ্ধমান বিদ্যাৰ্থীৰ তুলনাত পাঠ্যক্ৰমৰ বাবে আসনৰ সংখ্যা সৰহ নোহোৱাত প্ৰতিদ্বন্দ্বিতা তীৱতৰ হৈ উঠে। ইয়াৰ ফলস্বৰূপে বহু বিদ্যাৰ্থী নিজৰ সপোনৰ প্ৰতিষ্ঠানত নামভৰ্ত্তি কৰাত ব্যৰ্থ হয়। জাগি উঠে নিজৰ ওপৰত বিতৃষ্ণা, শিক্ষাৰ প্ৰতি অনীহা। এই বিতৃষ্ণা, অনীহা পৰৱৰ্তী পৰ্যায়ত শিক্ষাৰ্থী সকলৰ বিপৰ্যয়ৰ কাৰ হৈ পৰে। প্ৰতিটো দিন একোটা নতুন দিন। প্ৰতিটো দিনে একোখন নতুন সংগ্ৰাম। উচ্চ মাধ্যমিক বা উচ্চত মাধ্যমিক পৰীক্ষাৰ ফলাফল জীৱন সংগ্ৰামৰ সহায়ক জীৱন নহয়। গতিকে উচ্চ মাধ্যমিক পৰীক্ষাৰ বেয় ফলাফলে জীৱন শেষ হোৱাটো নুসুচায়। প্ৰাৱষ্টি পৰ্য্যায়ত উন্নতমান প্ৰদৰ্শন কৰা বহুতো ছাত্ৰ-ছাত্ৰী পাৰ্টলৈ মানুহৰ দৃষ্টিৰ পৰা হেৰাই যোৱা আৰু এজন সাধাৰ ছাত্ৰ-ছাত্ৰীৰ পাছত সফল হোৱাৰ বাস্তৱ উদাহৰণ আজি অসমৰ প্ৰায় প্ৰতিটো অঞ্চলতেই সুলভ। ইয়াৰ কাৰ সকলোৰে দৃষ্টিত সফল ছাত্ৰ-ছাত্ৰীৰ বিতৃষ্ণা মন আৰ সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ যুজাৰু মন।







# প্ৰচলিত শক্তিৰ উৎস আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ

আবুবক্কৰ ছিদ্দিক
জ্যেষ্ঠ প্ৰৱক্তা, ৰসায়ন বিজ্ঞান বিভাগ

দেশ এখনৰ জনসাধাৰণৰ দ্বাৰা শক্তিৰ খৰচৰ পৰিমাণ তাৰ উন্নতিৰ সূচক। কোনো উন্নয়নমূলক কাৰু-কাৰ্য্যৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ বাবে শক্তি জড়িত। উন্নত আৰু উন্নয়নশীল দেশৰ জনমুৰি শক্তি ব্যৱহাৰৰ মাজত যথেষ্ট বৈষম্য দেখা যায়। বিশ্বৰ জনসংখ্যাৰ শতকৰা ৫ ভাগ জনসংখ্যা থকা উন্নত দেশ আমেৰিকা আৰু কানাডাত বিশ্বৰ এক চতুৰ্থাংশ শক্তিৰ প্ৰয়োগ হয়। এওঁলোকৰ প্ৰতিজন মানুহে বছৰি গড়ে ৩০০ গিগাজুল (GJ) অৰ্থাৎ ৬০ বেৰেল জীৱাশ্ম ইন্ধন খৰচ কৰে। আনহাতে ভুটান, নেপাল আদি দুখীয়া দেশৰ বছৰি জনমুৰি শক্তিৰ খৰচৰ পৰিমাণৰ এক (GJ) ত কৈ কম। গতিকে দেখা যায় উন্নত দেশৰ প্ৰতিজনে একদিনত খৰচ কৰা শক্তিৰ পৰিমাণ অনুন্নত দেশৰ প্ৰতিজনে এবছৰত খৰচ কৰা শক্তিতকৈ বেছি। এই পৰিসংখ্যাৰ পৰা এইটো স্পষ্ট যে বিশ্বৰ মানুহৰ জীৱনধাৰণৰ মানদণ্ড প্ৰত্যক্ষভাৱে শক্তিৰ খৰচৰ ওপৰত নিৰ্ভৰশীল।

সম্ভৱত শক্তিৰ প্ৰথম কাৰিকৰী ৰূপটো আছিল জুই, যাৰ পৰা তাপ শক্তিৰ সৃষ্টি হয়। প্ৰাচীন কালত মানুহে ইয়াক ৰন্ধন কাৰ্য্য তথা তাপীয় কাৰ্য্যত ব্যৱহাৰ কৰিছিল। আনহাতে বতাহ আৰু জল শক্তিও প্ৰাচীন যুগৰ পৰাই প্ৰয়োগ হৈ আহিছে। ভাপ ইঞ্জিন আৱিষ্কাৰৰ লগে লগে কাঠ পোৰাৰ পৰিবৰ্তে কয়লা পোৰা আৰু পিছত জীৱাশ্ম তেল পেৰি শক্তিৰ সৃষ্টি কৰিবলৈ ৰূপান্তৰিত হ'ল। কৃষি, উদ্যোগ, শিল্প, খনিজাত, পৰিবহন, পোহৰ, শীতলীকৰণ, তাপীয়কৰণ আদি বিভিন্ন উন্নয়নমূলক কামত শক্তিৰ প্ৰয়োজন হয়। বিশ্বৰ জনসংখ্যা দ্ৰুতহাৰত বৃদ্ধি পোৱাত গোটেই বিশ্বই শক্তিৰ ঘাটিৰ সন্মুখীন হ'ব লগাত পৰিছে। বৰ্তমান বিশ্বত জীৱাশ্ম ইন্ধন যেনে- কয়লা, পেট্ৰ'লিয়াম তেল, প্ৰাকৃতিক গেছ আদিৰ পৰা শতকৰা ৯৫ ভাগ বাণিজ্যিক শক্তি আহৰণ কৰে। আধুনিক জীৱন ব্যৱস্থাত আমাৰ প্ৰতিজনৰ ঘৰত ব্যৱহাৰ হোৱা বৈদ্যুতিক সামগ্ৰীৰ ফালে লক্ষ কৰিলেই অনুমান কৰিব পাৰি বৰ্তমান পৃথিৱীৰ মানুহৰ জীৱন-যাপন পদ্ধতিৰ কিমান দ্ৰুত হাৰত সাধাৰণৰ পৰা বিলাসিতা পূৰ্ণলৈ ৰূপান্তৰিত হৈ আছে।

শক্তিৰ উৎস হ'ল যৰ পৰা ব্যৱহাৰৰ উপযোগী শক্তি যথেষ্ট পৰিমাণে দীৰ্ঘদিনৰ বাবে একেৰাহে পাব পাৰি। উদাহৰণ স্বৰূপে কয়লা, পেট্ৰ'লজাত সামগ্ৰী, প্ৰাকৃতিক গেছ, তেজস্ক্ৰীয় ইন্ধন আদি প্ৰচলিত শক্তিৰ উৎস। আজিৰ পৰা ২৫৫-৩৫০ নিযুত বছৰ পূৰ্বে হোৱা আগ্নেয়গিৰিৰ উদ্‌গিৰণ, ভুমিকম্প আদি প্ৰাকৃতিক পৰিঘটনাৰ ফলত প্ৰাচীন ভূগৰ্ভৰ উষ্ণ অঞ্চলত পুতগৈ দীৰ্ঘ সময় তাপ আৰু চাপৰ প্ৰভাৱত পিট্ আৰু কয়লালৈ ৰূপান্তৰিত হয়। প্ৰধানত এন্থ্ৰাছাইট (Anthracite), বিটুমিনাছ (Bituminous) আৰু লিগ্নাইট (Lignite) এই তিনি প্ৰকাৰৰ কয়লা পোৱা যায়। বিজ্ঞানীসকলে অনুমান কৰা মতে বৰ্তমান যি হাৰত কয়লাৰ ব্যৱহাৰ হৈ আছে আগন্তুক ২০০ (দুইশ) বছৰলৈ ইয়াক উৎসৰ পৰা পোৱা যাব। আনহাতে যদি ইয়াৰ ব্যৱহাৰৰ হাৰ শতকৰা

২ ভাগ বৃদ্ধি কৰা হয় তেন্তে অহা ৬০-৭০ বছৰলৈ ইয়াক পোৱা যাব। ভাৰতত কয়লা থকা প্ৰদেশ সমূহ হ'ল- ঝাৰখণ্ড, উৰিষ্যা, অসম, পশ্চিমবঙ্গ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, মহাৰাষ্ট্ৰ আদি। পৃথিৱীৰ কয়লাৰ শতকৰা ৫ ভাগ ভাৰতত পোৱা যায়। কয়লা এবিধ জটিল পদাৰ্থ। ইয়াৰ থুলমুল সংযুতি হ'ল—

$$C_{100}H_{85}S_{2}N_{2.1}O_{1.5}$$

পেট্ৰ'লজাত সামগ্ৰীক বিশ্বৰ অৰ্থনীতিৰ জীৱন ৰেখা বুলি কলেও অতিৰিক্ত নহব। বিশ্বত ১৩ খন ৰাষ্ট্ৰত পেট্ৰ'লিয়াম খনি আছে। এই দেশ কেইখনে একেলগে OPEC (Organization of Petrolium Exporting Countries) গঠন কৰিছে। গোটেই বিশ্বৰ এক চতুৰ্থাংশ তেল ছৌদি আৰবত পোৱা যায়। বৰ্তমান হাৰত পেট্ৰ'লিয়াম ব্যৱহাৰ কৰিলে অহা চল্লিশ বছৰমানৰ পিছত ই শেষ হ'ব বুলি বিজ্ঞানীসকলৰ ধাৰণা। অশুধিত পেট্ৰ'লিয়াম এবিধ হাইড্ৰ কাৰ্বনৰ মিশ্ৰ। তৰলীকৃত পেট্ৰ'লিয়াম গেছ যাক LPG (Liquified Petrolium Gas) বোলা হয়। ই প্ৰপেন, বিউটেন, প্ৰপিন আৰু বিউটিনৰ মিশ্ৰ। ইয়াক প্ৰাকৃতিক গেছৰ পৰা অথবা পেট্ৰ'লিয়ামৰ অনুঘটকীয় তাপ ভংগন বা আংশিক পাতন প্ৰক্ৰিয়াৰে উৎপাদন কৰা হয়। ভাৰতবৰ্ষত LPG পেট্ৰ'লিয়ামৰ পৰা উৎপাদন কৰা হয়। গ্ৰাহকক গেছ লিকেজ (Leakage) হোৱাৰ আগজাননী দিয়াৰ উদ্দেশ্যে LPG ত সামান্য পৰিমাণে উগ্ৰ গন্ধযুক্ত ইথাইল মাৰকেপ্টান নামৰ ছালফাৰ যুক্ত জৈৱ যৌগ যোগ কৰা হয়। প্ৰাকৃতিক গেছ এবিধ জীৱাশ্ম ইন্ধন। ইয়াত প্ৰধানত ৯৫% মিথেন থাকে। ই উদ্যোগ, তাপশক্তি কেন্দ্ৰ, বিদ্যুৎ উৎপাদন কেন্দ্ৰ, ৰন্ধন আদিত ইন্ধন হিচাপে আনহাতে সাৰ কাৰখানাত $H_2$ ৰ উৎস আৰু টায়াৰ উদ্যোগত কাৰ্বণৰ উৎস হিচাপে ব্যৱহাৰ কৰা হয়। প্ৰাকৃতিক গেছ সংকোচন কৰি পোৱা ইন্ধন চমুকৈ CNG (Compressed Natural Gas) পেট্ৰ'ল, ডিজেলৰ বিকল্প হিচাবে ব্যৱহাৰ কৰা হয়। আন এবিধ ইন্ধন যাক সাংশ্লেষিক প্ৰাকৃতিক গেছ, SNG (Synthetic Natural Gas) বোলা হয়। ই CO আৰু $CH_4$ ৰ মিশ্ৰণ। নিম্নমানৰ কয়লা গেছলৈ ৰূপান্তৰ কৰি পিছত অনুঘটকীয় ৰূপান্তৰৰ দ্বাৰা মিথেনলৈ পৰিবৰ্তন কৰি SNG প্ৰস্তুত কৰা হয়।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানৰ হিৰোচিমা আৰু নাগাচাকিত পাৰমাণৱিক বোমা নিক্ষেপৰ ফলত হোৱা উচ্চ ধ্বংস লীলাৰ পৰাই গোটেই বিশ্বত আন এবিধ শক্তিৰ বহল প্ৰচাৰ হ'ল, সেয়া তেজষ্ক্ৰীয় শক্তি। প্ৰতিগ্ৰাম ইউৰেনিয়াম (U-235) ৰ পৰা যি তাপশক্তি উৎপ... হয়, সি ১৪ বেৰেল তেল বা ৩ টন কয়লাৰ পৰা উৎপ... হোৱা শক্তিৰ সমান। নিউক্লীয় বিখণ্ডনৰ (Nuclea... Fission) আৰু নিউক্লীয় একীভৱন (Nuclea... Fission) পদ্ধতিত তেজষ্ক্ৰীয় শক্তিকেন্দ্ৰসমূহ হ... Tarapur (Raharashtra), Ko... (Ragasthan), Kolpakkam (Tamilnadu) আৰু Narora আদি ঠাইত উচ্চ ভৰ সম্পন্ন তেজষ্ক্ৰি... মৌলক বেগী নিউট্ৰনৰ দ্বাৰা খুন্দিয়াই শৃংখল বিক্ৰি... সংঘটিত কৰি শক্তি উৎপাদন কৰা হয়।





$$^{235}_{92}U + ^{1}_{0}n \longrightarrow ^{148}_{56}Ba + ^{84}_{36}Kr + 30^{1}_{0}n + E$$

আনহাতে দুটা পাতল মৌলৰ সমস্থানিকক উচ্চ উষ্ণতাত একেলগে ফিউজ কৰি নতুন নিউক্লিয়াছ আৰু শক্তিৰ সৃষ্টি কৰা হয়।

$$4^{1}_{1}H \longrightarrow ^{4}_{2}He + e^{+} + E$$

পৰিৱেশৰ ওপৰত প্ৰভাৱ—

কয়লাৰ দহনৰ ফলত বায়ুমণ্ডলত যথেষ্ট পৰিমাণে সেউজগৃহ গেছ $CO_2$ নিৰ্গত হয়। ফলস্বৰূপে গোলকীয় উষ্ণতা বৃদ্ধি পায়। দহনৰ ফলত কয়লাত থকা অশুদ্ধি ছালফাৰ (S) আৰু নাইট্ৰজেন (N) ৰ জাৰণ ক্ৰিয়া ঘটি বিহ গুণ বিশিষ্ট গেছ ক্ৰমে ছালফাৰৰ অক্সাইড ($SO_x$) নাইট্ৰজেনৰ অক্সাইড ($NO_x$) বায়ুমণ্ডললৈ নিৰ্গত হৈ বায়ু প্ৰদূষিত কৰে। তাৰোপৰি উদ্যোগ, কলকাৰখানা, শক্তি উৎপাদন কেন্দ্ৰ আদিত ব্যৱহৃত কয়লাৰ দ্বাৰা সৃষ্টি বৰ্জিত পদাৰ্থ নিৰ্গম নলীৰে গৈ নদ-নদী, সাগৰ আদিৰ পানী প্ৰদূষিত কৰাত মাজে সময়ে জলজ প্ৰাণী সমূহ মৃত্যুমুখত পৰা পৰিলক্ষিত হয়।

যানবাহন, কলকাৰখানা, উদ্যোগ আদিত ইন্ধন হিচাপে ব্যৱহাৰ কৰা পেট্ৰ'ল, ডিজেল আদিৰ দহনৰ ফলত নিৰ্গত হোৱা কাৰ্বন মন'ক্সাইড (CO), নাইট্ৰজেনৰ অক্সাইড, ($NO_x$), ছালফাৰৰ অক্সাইড ($SO_x$) আদি প্ৰদূষক গেছ, লেড্অক্সাইড, আৰ্ছেনিক, পাৰা আদি ক্ষুদ্ৰ প্ৰদূষক কণা নিৰ্গত হৈ পৰিৱেশ যথেষ্ট পৰিমাণে প্ৰদূষিত কৰে। বায়ুমণ্ডলত হোৱা প্ৰদূষণৰ ভিতৰত CO ৰ কুপ্ৰভাৱ প্ৰাণীদেহত অতি ভয়ংকৰ। মানুহৰ তেজত থকা হিমগ্লবিনৰ লগত CO মিহলি হৈ কাৰ্বক্সিহিম'গ্লবিন সৃষ্টি হয় ফলত তেজৰ অক্সিজেন শোষণ ক্ষমতা কমি চিন্তাশক্তি হ্ৰাস, মূৰৰ বিষ, মাংস পেশীৰ দুৰ্বলতা আৰু শ্বাসতন্ত্ৰৰ ৰোগৰ সৃষ্টি হয়। ছালফাৰৰ অক্সাইডে শ্বাস প্ৰশ্বাসত বিঘ্নিত ঘটাই শ্বাস ৰোগ, হাওঁফাওঁৰ ৰোগ, চকু আৰু ডিঙিৰ জ্বলাপোৰা আদি ৰোগৰ সৃষ্টি কৰে। নাইট্ৰজেনৰ অক্সাইডে ব্ৰংকাইটিছ, হাওঁফাওঁত পানী জমা হোৱা আদি ৰোগৰ সৃষ্টি কৰে। বায়ুমণ্ডলত গোট খোৱা সীহ, পাৰা, আৰ্ছেনিক আদি ধাতৰ কণাই মানৰ দেহত কিছুমান স্থায়ী ৰোগৰ সৃষ্টি কৰিব পাৰে।

এইদৰে বিভিন্ন শক্তিৰ উৎসৰ পৰা নিৰ্গত হোৱা প্ৰদূষকসমূহৰ দ্বাৰা পৰিৱেশ প্ৰদূষণ হোৱাৰ লগে লগে গোলকীয় উষ্ণতা বৃদ্ধি কৰাও দেখা যায়। এই প্ৰদূষকসমূহৰ দ্বাৰা মানুহৰ স্নায়ুতন্ত্ৰৰ ক্ষতিসাধন কৰাত জীৱ শ্ৰেষ্ঠ মানুহ দিনক দিনে অসহিষ্ণু হৈ উঠিছে, নিষ্ঠুৰতা বৃদ্ধি পাইছে, মানৱতাৰ হ্ৰাস ঘটিছে তথা মানুহৰ আচাৰ ব্যৱহাৰৰ যথেষ্ট অৱনতি হ'ব ধৰিছে। শ্বাস-প্ৰশ্বাসৰ লগত কিছু পৰিমাণে পাৰঅক্সি এছিটাইল নাইট্ৰেট (PAN) জাতীয় জাৰক পদাৰ্থ দেহৰ ভিতৰত সোমাই তেজৰ লগত মিহলি হোৱাত মানুহৰ বাৰ্দ্ধক্যৰ হাৰ দ্ৰুত হৈ আছে। জীৱৰ বাসপোযোগী পৃথিৱী নামৰ গ্ৰহটো ভৱিষ্যত প্ৰজন্মৰ বাবে নিৰাপদ আৰু স্বাস্থ্যকৰ কৰি ৰাখিবলৈ হলে আমি গোটেই বিশ্বৰ মানুহ একগোট হৈ শক্তিৰ উৎস সমূহৰ প্ৰতি সজাগ হোৱাটো বাঞ্চনীয়।

❖ ❖ ❖

# দৰিদ্ৰতা ! আশা আৰু বিশ্বাস

*মোঃ মতিউৰ ৰহম*
*স্নাতক তৃতীয় বৰ্ষ (কলা শা*

নৈৰ পাৰৰ সুন্দৰ পৰিৱেশৰ আদৰ্শ গাওঁ। এই গাওঁখনত সৰুৰে পৰা লগৰীয়াৰ লগত হাঁহি ফুৰ্তি, খেল-ধেমালিৰ মাজত ডাঙৰ হবলৈ ললে দৰিদ্ৰ পৰিয়ালৰ ৰকিব আৰু ৰকিবৰ ভন্টি। ধেমালি ফুৰ্তিৰ মাজত থাকি সৰুতে ৰকিবহঁত জনা নাছিল দৰিদ্ৰতা কি, নিজৰ দেউতাকৰ আৰ্থিক অৱস্থা কিমান ভাল। কাৰণ ৰকিবৰ পিতৃয়ে ৰকিবহঁতক দৰিদ্ৰতা অনুভৱৰ পৰা ৰাখিছিল দূৰত। এনেকৈ দিন পাৰ কৰি থাকোতে হঠাৎ ৰকিবহঁতৰ পৰিয়ললৈ নামি আহিল এক বিষম অন্ধকাৰ। যি অন্ধকাৰে কাঢ়ি ললে ৰকিবহঁতৰ সুখ শান্তি। কাৰণ ৰকিব সৰু থাকোতে সংসাৰৰ পৰা চিৰ বিদায় ললে ৰকিবৰ পিতৃ। এই অন্ধকাৰৰ মাজত ৰকিবৰ মাতৃয়ে বেলেগৰ ঘৰত কাম কৰি লগতে নিজে খেতি-বাতি কৰি সংসাৰখনৰ লগতে ল'ৰা-ছোৱালীৰ শিক্ষাৰ দায়িত্ব ললে।

ৰকিবৰ মাতৃয়ে সংসাৰৰ দৰিদ্ৰতাৰ মাজত থাকিও নিজৰ ল'ৰা ছোৱালীক লৈ বুকুত ডাঙৰ আশা বান্ধি ৰকিবহঁতক স্কুলত পঢ়িবলৈ দিলে। মাকৰ আশা আৰু বিশ্বাস ৰকিবহঁত এদিন ডাঙৰ মানুহ হ'ব। ৰকিব লিখা পঢ়া কৰি এদিন হাইস্কুল পালেগৈ আৰু হাইস্কুলত পঢ়ি থাকোতেই ৰকিব সমাজৰ নীতি, আদৰ্শ, আচাৰ ব্যৱহাৰৰ কথা কিছুপৰিমাণে বুজিব পৰা হ'ল। বুজিব পৰা হ'ল নিজৰ পৰিয়ালৰ দৰিদ্ৰতাৰ কথা, বুজিব পৰা হ'ল নিজৰ মাকৰ কষ্টৰ কথা। লগতে বুজিব পৰা হ'ল সমাজৰ মাজত থকা ধনী-দুখীয়াৰ পাৰ্থক্যৰ কথা।

কষ্টৰ মাজেৰে লিখা পঢ়া কৰি ৰকিব এদিন মেট্ৰি পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ সমাজৰ সকলোৰে মাজ চমক দেখুৱাই দিলে। মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ৰকি এদিন কলেজীয়া শিক্ষা আৰম্ভ কৰিলে। ঘৰৰ দৰিদ্ৰত বাবে প্ৰত্যেক দিনে এক মাইল ৰাস্তা খোজ ক কলেজলৈ অহা যোৱা কৰিবলৈ ললে।

কলেজত পঢ়ি থকা অৱস্থাত ৰকিব সমাজ দুখীয়াৰ স্থান কি, দুখীয়াৰ সংস্কৃতি কিমান তলত কা লগত যে মিল নাই সেইবোৰ কথা ভালদৰে বুজিব প হ'ল।

এনেকৈ দিন পাৰ কৰি থাকোতে হঠাৎ ৰকি জীৱনলৈ নামি আহিল আৰু দ্বিতীয় অন্ধকাৰ। সৰ পৰা ভাল পাই অহা ছোৱালীজনীৰ ভালপোৱাৰ ৰকিব বঞ্চিত হ'বলাগ হ'ল। কাৰণ ৰকিবহঁত দৰিদ্ৰ হো বাবে তেওঁৰ প্ৰেমিকাৰ ঘৰৰ পৰা মানি লব নোৱাৰি সিহঁতৰ ভালপোৱা। ৰকিবৰ মনত জীৱনৰ প্ৰতিটো অ বিশ্বাসৰ ঠাইত জন্ম লবলৈ ধৰিলে দুৰ্বলতা।

প্ৰতিটো মূহুৰ্ততে ৰকিবৰ মূৰত চিন্তাৰ ডা বোজা এটা লৈ সময় পাৰ কৰিবলৈ ধৰিলে। তেওঁৰ হেৰাই যাবলৈ ধৰিলে বিশ্বাস, আশা, কল্পনা। জীৱনটো কি? ইয়াৰ কি মূল্য আছে আমিনো কিয় দুখীয়া আ কি অভিশাপ আছে। ইত্যাদি প্ৰশ্নই চাৰিওফালৰ ৰকিবক ঘেৰি থাকিল।

এনেকৈ লিখা পঢ়া কৰি থাকোতে কলেজত





এজনে ৰকিবক প্ৰশ্ন কৰিলে, ঐ ৰকিব তইনো লিখা পঢ়া কৰি কি কৰিবি, তই জানো এক লাখ টকাৰে চাকৰি এটা লব পাৰিবি?

বন্ধুৰ প্ৰশ্নৰ উত্তৰ নিদি মনে মনে ৰকিব ঘৰলৈ গুচি আহিল। ঘৰত আহি ৰকিবৰ মনত জীৱনৰ প্ৰতিটো মূহুৰ্ত, প্ৰতিটো ঘটনাই টোপনি কাঢ়ি নিলে। তেওঁ ভাবিবলৈ ধৰিলে দৰিদ্ৰতা কিয় ইমান কষ্টকৰ। এই দৰিদ্ৰতাই আমাৰ জীৱনত কিয় কঢ়িয়াই আনিলে অন্ধকাৰ ইত্যাদি প্ৰশ্নই ৰকিবৰ মনত কঢ়িয়াই আনিলে জীয়াই থকাৰ এক দুৰ্বলতা, সমাজৰ প্ৰতিটো দুৰ্বলতা। এই প্ৰতিটো দুৰ্বলতা আগুৰি ধৰাত ৰকিব এদিন নিজৰ গাওঁখন এৰি পলাই যাবলৈ সিদ্ধান্ত ললে। ৰকিবৰ মাতৃৰ মৰমে এই সিদ্ধান্ত সলনি কৰিলে। চিন্তিত আবেগিক ৰকিবে এদিন নিজৰ মাকক প্ৰশ্ন কৰিলে? মা, আমাৰ জীৱনত কি অভিশাপ আছে। আমি কিয় দৰিদ্ৰ, সমাজৰ অন্য মানুহৰ লগত আমাৰ পাৰ্থক্য কিয়, আমি দৰিদ্ৰ সকলোৰ প্ৰেম, ভালপোৱাৰ অধিকাৰ কিয় নাই, আমিনো লিখা পঢ়া কৰি কি কৰিম? মাকে ৰকিবৰ প্ৰশ্নৰ উত্তৰ নিদি চিন্তা কৰিবলৈ ললে, হঠাত ৰকিবৰ ইমান প্ৰশ্ন কিয়? মাকে ভাবি চিন্তি ৰকিবক কলে— "বোপা আমি দৰিদ্ৰ কিন্তু আমাৰ জীৱনত কোনো অভিশাপ নাই। তুমি নিজৰ দুৰ্বলতা পৰিহাৰ কৰি আশা আৰু বিশ্বাস ৰাখা সকলো পাবা। আশাই মানুহক জীয়াই ৰখাত ডাঙৰ ভূমিকা পালন কৰে। যাৰ মনত আশা নাই তাৰ মনত ভয়ে শাসন চলায়। তুমি আশা কৰা সেই আশাই তোমাৰ ভৱিষ্যত জীৱন ৰঙীন দিশলৈ টানি নিব। যিজন ব্যক্তিৰ মনত আশা নাই তাতকৈ হতভাগা আৰু কোনো নাই। এই আশাই আমাৰ জীৱনৰ এক স্বৰ্গীয় সম্পদ। নিজকে বিশ্বাস ৰাখা, বিশ্বাস হ'ল সচেতন মন আৰু নিখিল বিশ্বৰ বিশাল জ্ঞান ভাণ্ডাৰৰ যোগ সূত্ৰ।

ৰকিবৰ জীৱনত যিমান দুৰ্বলতা নাথকক কিয় তেওঁ নিজৰ মাতৃৰ আদেশ, উপদেশ কেতিয়াও অমান্য কৰা নাই। কাৰণ মাকে কেতিয়াও ৰকিবহঁতক মৰমৰ পৰা বঞ্চিত কৰা নাই। মাকৰ কথা তেওঁ মানি লৈ নিজৰ মনত বিশ্বাস জগাই ভৱিষ্যত গঢ়াৰ আশা সন্মুখত ৰাখি লিখা পঢ়া আৰম্ভ কৰিলে আৰু যিটো আশা বিশ্বাসে তেওঁক ভৱিষ্যতৰ সঠিক ৰাস্তালৈ লৈ গৈ থাকিব।

ৰকিবে দুৰ্বলতা পৰিহাৰ কৰি এদিন বি, এ, পাছ কৰিলে। এনেকৈ বিশ্বাস আশাৰে তেওঁ এদিন এ, ছি, এছ পৰীক্ষাত উত্তীৰ্ণ হৈ সমাজৰ সকলোকে চমক দেখুৱালে আৰু চৰকাৰৰ ফালৰ পৰা ডাঙৰ চাকৰি এটা পালে।

চৰকাৰী চাকৰি পাই নিজৰ সংসাৰখনৰ দায়িত্ব ৰকিবে হাতত ললে আৰু নিজৰ সৰু ভন্টিক ভাল ঘৰত বিয়া দি ডাঙৰ দাদাৰ যি কৰ্তব্য তাক পালন কৰিলে। যি সময়ত সমাজৰ দুখীয়া ঘৰৰ ল'ৰা বুলি ধনী ঘৰৰ ছোৱালীজনীৰ ভালপোৱা হেৰাই ছিল সেই জনী ছোৱালীক পিছত চাকৰি পাই ৰকিবে বিয়া পাতিলে আৰু ভৱিষ্যতৰ জীৱনটো বিশ্বাস, আশা সন্মুখত ৰাখি সুখেৰে সংসাৰ চলাই যাবলৈ ধৰিলে।

❖ ❖ ❖

# নক্ষত্ৰ সংক্ষিপ্ত জীৱন বৃত্তান্ত আৰু কৃষ্ণ গহ্বৰ

*কামাৰুজ্জামান*
*জ্যেষ্ঠ প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ*

ফৰকাল ৰাতি আকাশলৈ চালে আমি কৌটি কৌটি গ্ৰহ, নক্ষত্ৰ, ধুমকেতু আদি দেখিবলৈ পাওঁ। এই অধ্যায়ত আমি মহাকাশত দেখা মাত্ৰ নক্ষত্ৰৰ জীৱন সম্পৰ্কে সংক্ষিপ্ত আলোচনা কৰিম। মানুহৰ যেনেকৈ জন্ম হয়, শেষত বৃদ্ধ হৈ মৃত্যুমুখত পৰে। ঠিক তেনেদৰে নক্ষত্ৰৰো জন্ম হয়, সময় যোৱাৰ লগে লগে এটা সময়ত যৌৱন বা পূৰ্ণাংগ অৱস্থা পায় আৰু শেষত বৃদ্ধ হৈ বগা বাওনা বা নিউট্ৰন নক্ষত্ৰ বা কৃষ্ণ গহ্বৰ বা ব্লেক হ'লত পৰিণত হৈ মৃত্যু মুখত পতিত হয়। বিজ্ঞানীসকলে প্ৰমাণ কৰি দেখুৱাইছে যে বিৱৰ্ত্তনৰ শেষত যদি নক্ষত্ৰটোৰ ভৰ সূৰ্য্যৰ ভৰৰ ১.৪ গুণতকৈ বেছি নহয় তেন্তে অন্তিম অৱস্থাত এটা বগা বাওঁনা নক্ষত্ৰ বা তাৰকালৈ ৰূপান্তৰিত হয়। আমাৰ নিজা নক্ষত্ৰ সূৰ্য্যটো এটা সময়ত কেইবা লানি ৰাসায়নিক বিক্ৰিয়া সম্পূৰ্ণ কৰি কেন্দ্ৰভাগ এই ধৰণৰ বগা বাওনা তাৰকালৈ ৰূপান্তৰিত হ'ব। কেন্দ্ৰ ভাগৰ পৰা বিছিন্ন হোৱা বাহিৰৰ আৱৰণটো এটা নিহাৰিকালৈ পৰিবৰ্তিত হয়। বগা বাওনা তাৰকা এটাৰ আকাৰ আমাৰ পৃথিৱীৰ দৰে গ্ৰহৰ আকাৰৰ সমান। আনহাতে বিৱৰ্ত্তনৰ শেষত যদি নক্ষত্ৰ এটাৰ সূৰ্য্যৰ ভৰৰ ১.৪ গুণতকৈ বেছি হয় কিন্তু সূৰ্য্যৰ ভৰৰ তিনিগুণতকৈ কম হয় তেন্তে ই এটা নিউট্ৰন নক্ষত্ৰত পৰিণত হ'ব। নক্ষত্ৰৰ কেন্দ্ৰ ভাগত হোৱা ৰাসায়নিক বিক্ৰিয়াত প্ৰথমে হাইড্ৰজেন পৰমাণু গৰ্ভ হিলিয়াম পৰমাণু গৰ্ভলৈ ৰূপান্তৰিত হয়। পিছত হিলিয়াম পৰমাণু গৰ্ভ কাৰ্বন পৰমাণু গৰ্ভলৈ ৰূপান্তৰিত হয়। এই প্ৰক্ৰিয়াৰে নক্ষত্ৰৰ কেন্দ্ৰ ভাগত লোৰ পৰমাণু গৰ্ভ পৰ্য্যন্ত গধূৰ মৌলিক পদাৰ্থৰ সৃষ্টি হয়। কিন্তু লোৰ পৰমাণু গৰ্ভ সৃষ্টি হোৱাৰ পিছত নক্ষত্ৰটোৰ ভৰ যিমানেই বেছি নহওক কিয় ইয়াৰ কেন্দ্ৰত কোনোধৰণৰ বিক্ৰিয়া চলিব নোৱাৰে। গতিকে নক্ষত্ৰটোক সাম্য অৱস্থাত ৰাখিবলৈ কোনোধৰণৰ বৰ্হিমুখী চাপৰ সৃষ্টি নহয়। এই অৱস্থাত নক্ষত্ৰটোৰ অতি দ্ৰুত গতিত সংকোচন হবলৈ ধৰে আৰু ইয়াৰ ফলত সৃষ্টি হোৱা প্ৰৱল চাপ আৰু তাপৰ ক্ৰিয়াত এটা প্ৰৱল বিষ্ফোৰণৰ সৃষ্টি হয়। এনেধৰণৰ বিষ্ফোৰণক চুপাৰনভা বিষ্ফোৰণ বোলা হয়। এই বিষ্ফোৰণৰ ফল স্বৰূপে নক্ষত্ৰটোৰ বৰ্হিভাগ শাহটোৰ (কেন্দ্ৰৰ) পৰা পৃথক হৈ বলয় আকৃতিৰে প্ৰসাৰিত হবলৈ ধৰে। এই সময়ত ইয়াৰ উজ্জ্বলতা হাজাৰটা সূৰ্য্যৰ উজ্জ্বলতাতকৈ বেছি হয়। প্ৰচণ্ড বিষ্ফোৰণৰ ফলত সৃষ্টি হোৱা অতি উত্তপ্ত পৰিবেশত বলয়টোত থকা পৰমাণু গৰ্ভবোৰৰ মাজত হোৱা বিভিন্ন ধৰণৰ বিক্ৰিয়াৰ ফলত অতিকৈ গধুৰ মৌলিক পদাৰ্থ যেনে- নিকেল, ৰূপ, সোণ, ইউৰেনিয়াম আদিৰ সৃষ্টি হবলৈ ধৰে। আমি ব্যৱহাৰ কৰি থকা সোণ, ৰূপবোৰ এনেধৰণৰ চুপাৰনভা বিষ্ফোৰণৰ ফলত সৃষ্টি হোৱা। বিষ্ফোৰণৰ পিছত থাকি যোৱা নক্ষত্ৰটোৰ ভিতৰৰ শাহটো মহাকৰ্ষণৰ ক্ৰিয়াত অতি দ্ৰুত গতিত সংকোচনৰ ফলত ইয়াৰ ঘনত্ব অতিপাত বৃদ্ধি পাবলৈ ধৰে আৰু এই ঘনত্ব প্ৰতি ঘনছেন্টিমিটাৰত ১০ গ্ৰাম পৰ্য্যন্ত হয়গৈ। এই অৱস্থাত পদাৰ্থৰ পৰমাণুবোৰ





স্বাভাৱিক অৱস্থাত থাকিব নোৱাৰে আৰু মহাকৰ্ষণৰ প্ৰৱল হেচাত ইয়াত থকা ইলেক্ট্ৰনবোৰ প্ৰট'নৰ লগলাগি যায় আৰু ফলস্বৰূপে নিউট্ৰন কণিকাত পৰিণত হয়। এটা সময়ত শাহটোৰ সমস্ত পদাৰ্থ নিউট্ৰনৰ সমষ্টি স্বৰূপ হৈ পৰে। সেই বাবেই এই শাহটোক নিউট্ৰন নক্ষত্ৰ বুলি কোৱা হয়। এই নিউট্ৰন নক্ষত্ৰৰ উল্লেখযোগ্য দুবিধ হ'ল পালছাৰ আৰু বাষ্টাৰ (Bursters) যদিও চুপাৰ কম্পিউটাৰৰ ক্ৰমবৰ্ধমান কৰ্মকুশলতা আৰু প্ৰয়োগ ক্ষেত্ৰৰ ব্যাপকতাই আধুনিক মানুহৰ জীৱনধাৰণৰ মানৰ প্ৰভূত পৰিবৰ্তন সাধন কৰিছে তথাপি আধুনিক শিক্ষিত মানুহৰ মনত বিজ্ঞানৰ যিটো শাখাই আটাইতকৈ অধিক চাঞ্চল্য আৰু উত্তেজনাৰ সৃষ্টি কৰিছে সেইটো হ'ল আধুনিক জ্যোতি পদাৰ্থ বিজ্ঞান আৰু বিশ্বতত্ত্ব বিজ্ঞান। এই জ্যোতি পদাৰ্থ বিজ্ঞানৰ এটা উদাহৰণ হ'ল ব্লেক হ'ল বা কৃষ্ণ গহ্বৰৰ ধাৰণাটো। যদি নক্ষত্ৰ এটাৰ ভৰ সূৰ্য্যৰ ভৰৰ তিনিগুণতকৈ বেছি হয় তেন্তে বিৱৰ্ত্তনৰ শেষত ই এটা ব্লেক হ'ল বা কৃষ্ণ গহ্বৰত পৰিণত হ'ব। বিজ্ঞানীসকলৰ মতে ব্লেক হ'ল বা কৃষ্ণ গহ্বৰ এনে এক শ্ৰেণীৰ তাৰকা যি ইয়াৰ ওচৰৰ সকলো বস্তুকে আকৰ্ষণ কৰি নিজৰ গাঁলৈ টানি আনে কিন্তু এবাৰ ইয়াৰ ভিতৰত সুমোৱাৰ পিছত কোনো পদাৰ্থ কণিকা আনকি পোহৰো ইয়াৰ পৰা বাহিৰলৈ ওলাই আহিব নোৱাৰে। ই ক'ত আছে সেইটোও পোনপটীয়াকৈ লক্ষ্য কৰাৰ উপায় নাই আৰু ইয়াৰ ভিতৰলৈ টানি নি থকা পদাৰ্থবোৰ অৱশেষত ক'ত যায়গৈ বা ব্লেক হ'লটোৰ ভিতৰত কেনেদৰে থাকে সেইটোও কব নোৱাৰি। প্ৰৱল মহাকৰ্ষণৰ ক্ৰিয়াত এই পদাৰ্থবোৰ সংকোচিত হৈ বিন্দুমান আয়তনত আৱদ্ধ হৈ থাকে বুলি কোৱা হয়। কিন্তু সূৰ্য্যৰ ভৰতকৈ অনেক গুণ বেছি ভৰৰ এই ব্লেক হ'লবোৰৰ সমস্ত পদাৰ্থ কেনেকৈ এটা বিন্দুৰ মাজত আবদ্ধ হৈ থাকে সেইটোও কল্পনা কৰিব নোৱাৰি। অথচ বিজ্ঞানীসকলে এনে অবিশ্বাস্য কথাও সহজ ভাৱে গ্ৰহণ কৰি ব্লেক হ'ল নিৰীক্ষণ কৰাৰ উপায় উদ্ভাৱন কৰিছে আৰু এনেধৰণৰ তাৰকা প্ৰত্যক্ষ কৰাৰ কথাও ঘোষণা কৰিছে। জ্যোতি পদাৰ্থ বিজ্ঞানত নিউটন আৰু আইনষ্টাইন দুয়োজন বিজ্ঞানীয়েই প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছে। তথাপি আধুনিক পদাৰ্থ বিজ্ঞানত যি কৃষ্ণ গহ্বৰৰ কথা কোৱা হয় তাৰ ধাৰণাটোৰ প্ৰথম উৎস হ'ল আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণ কেইটাৰ এটা বিশেষ সমাধান। যি নিম্নতম বেগত প্ৰক্ষেপ্য এটা ভূপৃষ্ঠৰ পৰা ওপৰলৈ নিক্ষেপ কৰিলে ই পৃথিৱীৰ মহাকৰ্ষণ ক্ষেত্ৰ পাৰ হৈ যাব পাৰে তাকে পৃথিৱীৰ সাপেক্ষে পলায়ন বেগ বোলে। পৃথিৱীৰ ভৰ M আৰু ব্যাসাৰ্দ্ধ R হলে পলায়ন বেগৰ মান $V = \sqrt{\frac{2GM}{R}}$ ইয়াত G হ'ল পৃথিৱীৰ মহাকৰ্ষণ ধ্ৰুৱক। এই পলায়ন বেগৰ মান পৃথিৱীৰ ভৰ আৰু ব্যাসাৰ্দ্ধৰ ওপৰত নিৰ্ভৰ কৰে প্ৰক্ষেপ্যটোৰ ভৰৰ ওপৰত নিৰ্ভৰ নকৰে। গতিকে প্ৰক্ষেপ্যটোৰ ভৰ বহুত কম বেছি হলেও পলায়ন বেগৰ মান সমানেই থাকে। কোনো নক্ষত্ৰৰ মহাকৰ্ষণ ক্ৰিয়াৰ প্ৰাৱল্য যিমানেই কম বেছি হয় তাৰ পৃষ্ঠৰ পৰা প্ৰক্ষেপ্য এটা আতৰি যোৱাৰ সম্ভাৱনাও সিমানেই কমি যায় কাৰণ ইয়াৰ গতিৰ বিপৰীত মহাকৰ্ষণে প্ৰয়োগ কৰা বাধা সিমানেই বেছি হয়। গতিকে নক্ষত্ৰ এটাৰ বাবে $\frac{M}{R}$ ৰ মান যিমানেই বেছি হয় ইয়াৰ পৃষ্ঠৰ পৰা বস্তু এটাৰ পলায়ন বেগৰ মানো সিমানেই বেছি হয়।

আমাৰ সূৰ্য্যৰ দৰে নক্ষত্ৰবোৰৰ ভৰ অতি বেছি বাবে ইহঁতৰ কেন্দ্ৰাভিমুখী মহাকৰ্ষণ বলৰ মানো অতি বেছি। এই কেন্দ্ৰাভিমুখী বলটোক এটা বৰ্হিমুখী বলে প্ৰসমিত নকৰিলে এই বলৰ ক্ৰিয়াত নক্ষত্ৰটো সংকোচিত হৈ গৈ থাকিব। সূৰ্য্যৰ দৰে নক্ষত্ৰবোৰৰ ক্ষেত্ৰত কেন্দ্ৰত চলি থকা পাৰমাণৱিক বিক্ৰিয়াৰ ফলত প্ৰচুৰ তাপ আৰু শক্তিৰ সৃষ্টি হয়। এই শক্তি বিকিৰণৰ ৰূপত বাহিৰলৈ ওলাই আহি এক প্ৰৱল বৰ্হিমুখী চাপৰ সৃষ্টি কৰে। এই চাপেই কেন্দ্ৰাভিমুখী মহাকৰ্ষণ বলক প্ৰমাণিত কৰি তাৰকাটোক সাম্য অৱস্থাত ৰাখে। কিন্তু এটা সময়ত যেতিয়া তাৰকা এটাৰ কেন্দ্ৰত থকা পাৰমাণৱিক বিক্ৰিয়াৰ বাবে প্ৰয়োজনীয় ইন্ধন শেষ হৈ যায় তেতিয়া এই বিক্ৰিয়া বন্ধ হৈ যায়। ফলত বৰ্হিমুখী চাপো নোহোৱা হয় আৰু মহাকৰ্ষণৰ ক্ৰিয়াত নক্ষত্ৰটো দ্ৰুত গতিত সংকোচিত হবলৈ ধৰে। যিহেতু নক্ষত্ৰটোৰ ভৰ একেই আছে গতিকে সংকোচনৰ ফলত ইয়াৰ ব্যাসাৰ্দ্ধ কমি যোৱাৰ লগে লগে ইয়াৰ M/R ৰ মানো বাঢ়ি গৈ থাকিব। এটা সময়ত এই মান ইমান বেছি হবগৈ পাৰে যে ইয়াৰ পৃষ্ঠৰ পৰা বস্তু এটাৰ পলায়ন বেগ পোহৰৰ বেগতকৈ বেছি হ'বগৈ পাৰে। সেয়ে হলে এনে এটা নক্ষত্ৰৰ পৃষ্ঠৰ পৰা পোহৰকে ধৰি কোনো তৰংগ বা পদাৰ্থ কণিকা বাহিৰ হৈ উলাই আহিব নোৱাৰে। গতিকে বাহিৰৰ পৰা নক্ষত্ৰটো নিৰীক্ষণ কৰাৰ কোনো উপায় নেথাকিব। তেতিয়াই নক্ষত্ৰটো এটা কৃষ্ণ গহ্বৰত ৰূপান্তৰিত হোৱা বুলি কোৱা হয়।

১৯১৫ চনৰ ডিচেম্বৰ মাহত আইনষ্টাইনে তেওঁৰ আপেক্ষিকতাবাদৰ সমীকৰণ সমূহ দাঙি ধৰাৰ কেইমাহমান পাছতেই বিখ্যাত জাৰ্মান জ্যোতিৰ্বিদ কা
ছোৱাৰ্জচিল্ডে (Schwarzschild) সূৰ্য্যৰ দ
গোলাকাৰ বস্তু এটাৰ বাবে আইনষ্টাইনৰ সমীক
কেইটাৰ এটা সমাধান আৱিষ্কাৰ কৰে। এই সমাধান
পৰা দেখা গ'ল যে নক্ষত্ৰ এটাৰ ভৰ যদি যথেষ্ট বে
হয় তেন্তে ইয়াৰ এটা বিশেষ (ক্ষুদ্ৰতম) ব্যাসাৰ্দ্ধ থা
যি ব্যাসাৰ্দ্ধ লাভ কৰিলে ইয়াৰ পৃষ্ঠৰ পৰা বস্তু এট
পলায়ন বেগ শূণ্যত পোহৰৰ বেগৰ সমান হয় গৈ। এ
ব্যাসাৰ্দ্ধকে চোৱাৰ্জচিল্ড ব্যাসাৰ্দ্ধ বোলা হয়। নক্ষত্ৰ এট
ব্যাসাৰ্দ্ধ ছোৱাৰ্জচিল্ড ব্যাসাৰ্দ্ধতকৈ কম হলে পোহৰ
ধৰি কোনো তৰংগ বা পদাৰ্থ কণা ইয়াৰ পৰা বাহিৰ
ওলাই আহিব নোৱাৰে। অৰ্থাৎ তেতিয়া সি এটা ব্লে
হ'ল বা কৃষ্ণ গহ্বৰত পৰিণত হ'ব। ছোৱাৰ্জচিল্ডৰ ধা
মতে ব্লেক হ'লৰ চাৰিওফালে ইভেন্ট হৰাইজন নামৰ এ
দিগন্ত থাকে আৰু এই দিগন্তৰ ভিতৰৰ পৰা কো
বিকিৰণ বাহিৰলৈ ওলাই আহিব নোৱাৰে। ছোৱাৰ্জচি
এই ব্যাসাৰ্দ্ধৰ মান হ'ল $R_s = \frac{2GM}{C^2}$ ইয়াত- M হ
নক্ষত্ৰটোৰ ভৰ, G মহাকৰ্ষণিক ধ্ৰুৱক, C পোহৰৰ বে
১৯১৬ চনত প্ৰকাশিত তেওঁৰ দ্বিতীয়খন গৱেষণা প
ছোৱাৰ্জচিল্ড ব্যাসাৰ্দ্ধৰ মান হয় ৩ কিলোমিটাৰ আৰু এ
গ্ৰাম ভৰৰ বস্তু এটাৰ বাবে এই মান হয় $১০^{-২৮}$ ছেন্টিমিটা
ব্লেক হ'ল সম্পৰ্কে বিভিন্ন বিজ্ঞানীসকলে কৰা পৰী
নিৰীক্ষাৰ অন্তত এটা কথাত সকলোৱে একমত যে নক্ষ
এটাৰ আদি আকৃতি যি ধৰণৰেই নহওক কিয় ব্লেক হ
হোৱাৰ পিছত ইয়াৰ আকাৰ সম্পূৰ্ণ গোলাকাৰ হ
বিখ্যাত গণিতজ্ঞ ৰিচাৰ্ড পাৰ্থছে ১৯৭২ চনত প্ৰকা
এখন গৱেষণা পত্ৰৰ সহায়ত দেখুৱাবলৈ সমৰ্থ হৈছে





ব্লেক হ'ল হোৱাৰ পিছত নক্ষত্ৰবোৰৰ পূৰ্বৰ প্ৰায়বোৰ ধৰ্মই লোপ পায়। কেৱল ইয়াৰ তিনিটা ধৰ্মহে ৰৈ যায়। সেই ধৰ্ম কেইটা হ'ল- ইয়াৰ ভৰ, বৈদ্যুতিক আধান আৰু কৌণিক ভৰ বেগ। ব্লেক হ'ল হোৱাৰ পিছত পূৰ্বৰ আন সকলো ধৰ্ম পৰিহাৰ কৰা এই ঘটনাটোক No hair theorem বুলি কোৱা হয়। কাৰ্টাৰ, ৰবিনচন, ইছৰাইল, হকিং আদি বহুতো আগশাৰীৰ বিজ্ঞানীয়ে এই সূত্ৰটোৰ যথাৰ্থতা ইতিমধ্যে প্ৰমাণ কৰিছে। ব্লেক হ'ল সম্পৰ্কে কৰা অধ্যয়নত আজিও নতুন নতুন তথ্য ওলায়েই আছে। কিছুমান বিজ্ঞানীৰ মতে ব্লেক হ'লে কেন্দ্ৰৰ ফালে আকৰ্ষণ কৰি থকা বস্তুবোৰে আকৌ একো একোখন নতুন নক্ষত্ৰ বা ব্ৰহ্মাণ্ড সৃষ্টিৰ কেচা সামগ্ৰী হিচাবে ব্যৱহাৰ হৈ আছে।

Ref. Book- Astrophysics by Baidyanath Basu
Ananta Kauti Brahmanda
by- Dr. P. Bargohain.

❖ ❖ ❖

**মহৎলোকৰ বাণী**

☞ মানুহৰ স্বভাৱ এনেকুৱা যে আন বহুতকে জ্ঞানী, বুদ্ধিমান আৰু বাগ্মী পুৰুষ বুলি স্বীকাৰ কৰাৰ পাছতো আনক নিজতকৈ জ্ঞানী বুলি স্বীকাৰ কৰিবলৈ টান পায়।

— টমাছ হবচ।

☞ স্থান আৰু কালক যেতিয়া হৃদয়েৰে লেখা হয়, সেয়ে হয় প্ৰেম।

— মাৰ্চেল প্ৰুষ্ট।

সংগ্ৰহক
নাজমিনা বেগম
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

# বন্ধুত্ব এক বিহংগম অনুভৱ

মাহমুদুল ইছলা
স্নাতক ২য় বৰ্ষ (কল

কেতিয়াবা লগ হ'ম দুহাত ওপৰ কৰি উপচাম আলিংগনৰ মুদ্ৰা, ঠিকনা হেৰুৱাই এই ক্ৰুছবিদ্ধ দিনৰ একেলগে লুটিয়াম স্মৃতিৰ ভূচিত্ৰাৱলীৰ খিলা খিলা পাত। বন্ধুত্ব হৃদয়ৰ এক নিভাজ শ্বাশ্বত প্ৰীতিম বান্ধোন, যি বান্ধোনে মানুহক একে অনাবিল সুখ প্ৰদান কৰে। নিঃস্বাৰ্থ ভালপোৱা আৰু বিশ্বাসৰ ভেটিত গঢ়ি উঠা এক মধুৰ সম্পৰ্ক। দুটি মাথোন শব্দ 'বন্ধু আৰু বন্ধুত্ব' (Friend and friendship) য'ত অন্তৰ্নিহিত হৈ আছে এক সুবিশাল সম্পৰ্ক। বন্ধুত্বৰ ক্ষেত্ৰত বয়সৰ কোনো পাৰ্থক্য নাথাকে। জ্যেষ্ঠ, কনিষ্ঠ, বুঢ়া, ডেকা, ডেকা-গাভৰুৰ মাজতো বন্ধুত্ব হ'ব পাৰে। বন্ধুত্বত থাকে আত্মাৰ সাদৃশ্য, সমতা আৰু সহৃদয়তা। নৰ্মান ডগলাচ নামৰ এজন সাহিত্যিকে বন্ধুত্বৰ সম্পৰ্কে এনেদৰে কৈছিল-

"এজন ভাল বন্ধু পাবলৈ এটা চকু মুদিব লাগিব আৰু বন্ধুজনক সদায় বন্ধু হিচাবে পাবলৈ মুদিব লাগিব দুয়োটা চকু। বন্ধুৱে নিজৰ বন্ধুৰ আগত নিজৰ দুখখিনি কৈ শান্ত হ'ব পাৰে আৰু দুখত নিজৰ সুখৰ কথা কৈ দুজনে আনন্দ লাভ কৰিব পাৰে।"

'মই তোমাৰ সতে কথা পাতিম শিলৰ ভাষাত
তুমি উত্তৰ দিবা সেউজীয়া বৰ্ণমালাৰে......
মই তোমাৰ সতে কথা পাতিম তুষাৰৰ ভাষাত
তুমি উত্তৰ দিবা মৌ-মাখিৰ পালিৰে..........
মই তোমাৰ সতে কথা পাতিম পানীৰ ভাষাত
তুমি উত্তৰ দিবা বিদ্যুতৰ চমকনিৰে।'

জীৱনৰ যাত্ৰা পথত বহুতক লগ পোৱা যায়, কিন্তু সকলোৱেইতো সঁচা বন্ধু হ'ব নোৱাৰে। সঁচা ব হ'ব সেইজন যাক ভাতৃসম বিশ্বাস কৰিব পাৰি, যাৰ লগ কথা পাতিলে মন পুলকিত হয়, যাৰ ওচৰত নিৰাপ অনুভৱ কৰিব পাৰি। প্ৰকৃত বন্ধু হৈছে জীৱনৰ সঁচা পৰিচ জীয়াই থকাৰ প্ৰেৰণাৰ উৎস।

— কিন্তু বৰ্তমান যুগত প্ৰকৃত বন্ধু বৰ দুৰ্লভ আজিৰ বিশ্বায়নৰ যুগৰ মানুহ হৈ পৰিছে আত্ম কেন্দ্ৰীক এতিয়া পৃথিৱীত প্ৰত্যাহিক জীৱনত প্ৰয়োজন হো সকলো বস্তুকেই বজাৰত কিনিবলৈ পোৱা যায়। কি মানুহৰ আন্তৰিকতা বিশ্বাস আৰু সঁচা মৰম জানো পো যায়? আচলতে বন্ধুত্ব হ'ল দুয়োৰে মাজত থকা সু বান্ধোন এক গভীৰ আন্তৰিক অনুভূতি বিভিন্ন অভিজ্ঞতা পৰা পাব পাৰি। বন্ধু এজনৰ উন্নতিৰ চাবিকাঠি আ ধ্বংসৰ চাবিকাঠি এজন বন্ধুৰ হাতততেই থাকে। কাৰ এজনক তেওঁৰ বন্ধুৰ বিষয়ে প্ৰতি যিমান জানে তা কোনেও জানিব নোৱাৰে। সেয়ে এজন বন্ধুৰ কোনো বিষয়ৰ প্ৰতি দুৰ্বলতা আছে আৰু তেওঁ কি ভাল পায় ব বেয়া পায় সেই সকলো কথা তেওঁৰ বন্ধুৱে জানে। সে এজন বন্ধুৱে আন এজন বন্ধুক নিঃশেষ বা উন্নতি দুয়োটা কৰিব পাৰে।

আজিৰ পৃথিৱীত বন্ধুত্বৰ নামত বহু অপ্ৰীতিক ঘটনা দেখা যায়। গতিকে বন্ধু চিনাক্তত সদায় আ সাৱধানতা অৱলম্বন কৰিব লাগে নহলে বহু ঘটনা ঘটি পাৰে। কিছুমানে নভৱা নিচিন্তিকৈ সহজে বন্ধুত্ব গঢ়ি তোলা ফলত নিজৰ ধ্বংস মাতি অনা দেখা যায়। মানুহ সমা





প্ৰিয়। মানুহে মানুহৰ লগত বন্ধুত্বৰ সম্পৰ্ক গঢ়িবই। কিন্তু বন্ধুত্বত বিশ্বাস হ'ল প্ৰথম কথা। বন্ধুত্বত সুখ আৰু দুখ, মিলন বিচ্ছেদ যিদৰে অবিচ্ছেদ্য অংগ একেদৰেই সম্পৰ্কৰ বাবে শ্ৰদ্ধা আৰু ভালপোৱা দুয়োটাই জড়িত হৈ আছে। বন্ধুত্ব হ'ল এক সুন্দৰ মিঠাফল। যি সুখৰ কালত ডাৱৰৰ মাজত লুকাই থাকে আৰু দুখৰ কালত বিশাল আকাশৰ তলত সোণোৱালী সপোন ৰচেগৈ। তেওঁৰেই আমাৰ আটাইতকৈ মৰমৰ বন্ধু।

"বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শক্তি।" (মাদাৰ টেৰেছা)

❖ ❖ ❖

## মহৎলোকৰ বাণী

☞ ঘৃণা সদায় হানিকৰ, প্ৰেম অমৰ গতিকে ঘৃণাক লোপ কৰি স্নেহ বৃদ্ধি কৰা মানৱৰ কৰ্তব্য।
— মহাত্মা গান্ধী।

☞ নিজৰ প্ৰেমত পৰাজনৰ কোনো প্ৰতিদ্বন্দ্বি নাথাকে। — বেঞ্জামিন ফ্ৰেংকলিন।

☞ মানৱ জাতি সদায় প্ৰেমৰ পক্ষত থিয় হয়। — ইমাৰছ

☞ লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম কিন্তু নিজক পবিত্ৰ কৰাটো তাতকৈ বুদ্ধিমান কাম।
— মহাত্মা গান্ধী।

*সংগ্ৰহক*
আমানত আলী
স্নাতক তৃতীয় বৰ্ষ (কলা)

গল্প

# প্ৰতাৰণা

*শেখ খাইৰুল অল*
*স্নাতক ২য় বৰ্ষ (কলা শাখ*

কলেজৰ পৰা আহিয়েই অচিন্তই বিছনাত বাগৰি গাৰুত মুৰগুজি কান্দিব ধৰিলে। আজিৰ এই দিনটো লৈ তাৰ বৰ খং উঠিছে। সি আজি নিজকেই বৰ অসহায় বুলি অনুভৱ কৰিলে। তাৰ আজি কলেজত কথাটো শুনি এনেহে লাগিছিল যেন কথাটো ওলোৱাৰ আগতেই সি নিশ্চয় মৰি যোৱাটোৱেই ভাল আছিল। এইবোৰ ভাৱি ভাৱিয়েই সি আজি তাৰ কণ্ঠস্বৰ ৰোধ কৰি দিয়া ৰাতিপুৱা শুনা নমিতাৰ সেই কথাটোকে আকৌ তাৰ মানসপটত ৰোমন্থন কৰিলে।

অচিন্ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ (কলা)ৰ এজন ভদ্ৰ আৰু অমায়িক ছাত্ৰ। মাক দেউতাকৰ আশাৰ বন্তি অচিন্তই এদিন উচ্চশিক্ষা লাভৰ অৰ্থে মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলে। সি ভাৱিছিল যে মনোযোগ তথা একান্ত আগ্ৰহেৰে পঢ়া পাঠবোৰ খৰচিমাৰি লৈ সি নিজকে এদিন নিজৰ ভৰিৰ ওপৰত প্ৰতিষ্ঠা কৰিব। তাৰ বাবে সি মেধাৱী ছাত্ৰ-ছাত্ৰীক বন্ধু হিচাপে স্বীকাৰ কৰিছিল আৰু তেওঁলোকৰ লগত কিছুমান নজনা পাঠৰ আলোচনা কৰিছিল। এনেকৈয়ে অচিন্তৰ গতানুগতিক ভাৱে কলেজীয়া দিনবোৰ পাৰ হৈ গৈছিল। কিন্তু হঠাতে এদিন অচিন্তৰ চকু পৰিল নমিতাৰ ওপৰত। নমিতা হ'ল সিহতৰ কলেজৰে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ এগৰাকী মেধাৱী ছাত্ৰী। নমিতাক দেখি সি তাইৰ প্ৰতি বিশেষ ভাৱে আকৃষ্ট হ'ল যদিও মুখ ফুটাই তাইক একো কবলৈ সাহস নাপালে কিন্তু কলেজলৈ গলে সি তাইক এখন্তেকো নেদেখাকৈ থাকিব নোৱাৰে। সি অনবৰত তাইলৈ চায় আৰু তাইক লুকুৱাই চুৰকৈ তাঁলৈ চাই থাকে। ইতিমধ্যে অচিন্তই তা মনতে সপোনৰ ৰাণী হিচাবে স্বীকাৰ কৰি লৈছে অৱশেষত সি এদিন লাজ-মান কাটি কৰি তাইক শ্ৰেণী লগ ধৰি তাৰ মনৰ সেই উদ্দেশ্যৰ কথা সদৰি কৰিলে সি ভাৱিছিল যে নমিতাই তাৰ সেই প্ৰস্তাৱ প্ৰত্যাখ্যা কৰিব। কিন্তু তাৰ এই অমূলক চিন্তাৰ ইমানতে যা পেলাই যেতিয়াই নমিতাই তাক ক্লাচ শেষ হোৱাৰ পিছ অকলে লগ ধৰিব দিছিল তেতিয়া অচিন্তৰ আনন্দৰ সী নোহোৱা হৈছিল। আনন্দত লগৰ বন্ধুবোৰে তাৰ পকেট পৰা কেতিয়া পইচা উলিয়াই হোটেলত গৈ চাহ খাইছি সি গমেই পোৱা নাছিল। নমিতাৰ মুখৰ পৰা সে কথাবোৰ শুণাৰ পিছৰে পৰাই অচিন্তই নমিতাই কি কথাত দুখ পোৱাটো সহ্য কৰিব পৰা নাছিল। নমিতা অচিন্তই মৰমতে নাম দিছিল নিশা। এদিন দুদিনকৈ দুয়োৰে প্ৰেম ক্ৰমে গভীৰৰ পৰা গভীৰতৰ হৈ যাবলৈ ধৰিলে। দুয়ো দুয়োকে পাবলৈ উত্ৰাৱল হৈ পৰিল মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাৰ দিনা নমিতা তাক একাষৰীয়াকৈ মাতি নি তাৰ হাতত এটা কাগজ টুকুৰা গুজি দি মিচিকিয়াই হাঁহি লাজতে তাৰ প আঁতৰি গৈছিল। নমিতাৰ পৰা হঠাতে কাগজ





টুকুৰাটি পাই সি আনন্দতে তাৰ অতি অন্তৰংগ বন্ধু মৃনালক লগত লৈ ছাত্ৰ জিৰণি কোঠাত কাগজৰ টুকুৰাটি মেলি পঢ়িব ধৰিলে——

*মৰমৰ অচিন্ত,*

লিখনিৰ বুলনিতে তোমালৈ মই প্ৰেৰণ কৰিলো হিয়া ভৰা মৰম তথা ভালপোৱা। অচিন্ত তুমি মোৰ এই ক্ষুদ্ৰ কাগজৰ টুকুৰাটি অতি হেপাহেৰে এপাহি ৰঙা গোলাপ বুলি ভাৱি লৈ নিশ্চয় আদৰি লবা। অচিন্ত যিদিনাই তোমাক প্ৰথম দেখা পাইছিলো, নাজানো কি অনুভূতিয়ে মোৰ মনত ঠাই লৈছিল, কিয়নো তোমাক এখন্তেক নেদেখাকৈ মই এক ছেকেণ্ডো থাকিব পৰা নাছিলো। সেয়ে সদায় লুকাই চুৰকৈ তোমাৰ মুখলৈ চাই মোৰ সেই মনৰ হেঁপাহ মাৰ নিয়াইছিলো। ভয়তে মই তোমাক ভাল পাওঁ বুলি ক'ব পৰা নাছিলো। জানোছা তুমি মোৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰা। কিন্তু মনতে মই তোমাক মোৰ সপোনৰ কোঁৱৰ বুলি স্বীকাৰ কৰি লৈছিলো। কিন্তু তোমাৰ মুখৰ পৰা শুনা সেই কথাষাৰেই মোক ইমান উত্ৰাৱল কৰিছিল যে আনন্দতে মই ক'ত কি কৰিছিলো নিজেই নাজানিছিলোঁ। পঢ়া টেবুলত বহিলেই মই কিতাপৰ পাতত তোমাৰ মুখখনকে দেখা পাওঁ। যি নহওক, এতিয়া সেইবোৰ বাদ দিয়া। মুঠতে জানিথোৱা যে, তুমিয়েই হলা মোৰ সপোনৰ কোৱৰ আৰু যদি তোমাক মই নাপাওঁ তেন্তে জানিবা তোমাৰ নিশা আৰু এই পৃথিৱীত জীয়াই নাথাকে। বিশেষ বহলাই লিখি তোমাৰ বহুমূলীয়া সময় নষ্ট নকৰোঁ। শেষত মৰমৰ চুমা যাচি মোৰ পত্ৰ লিখনিৰ ইমানতে মোখনি মৰিলো। ইতি-

*তোমাৰ নিশা*

নমিতাৰ পৰা অচিন্তই চিঠিখন পাই এক অজান পুলকত মুগ্ধ হৈ পৰিল। লাহে লাহে দুয়োৰে চিঠিৰ আদান প্ৰদান হ'বলৈ ধৰিলে। ইতিমধ্যে অচিন্তই নমিতাক লৈ নানান সপোন ৰচিবলৈ ধৰিলে। সেই সপোনৰ নায়িকা আছিল নমিতা আৰু নায়ক আছিল সি নিজে। সন্ধিয়া সময়ত সিহতৰ দুয়ো প্ৰায়েই ৰাস্তাত লগ ধৰি সিহঁতৰ সেই ৰঙীন সপোনৰ কথা আলোচনা কৰিছিল। এনেকৈ থাকোতে সিহঁতৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা ওচৰ চাপিলেহি। তথাপি অচিন্তৰ একে বাৰে মন নোহোৱা হ'ল। সি পঢ়িব বহিলে অনবৰতে কিতাপৰ পঢ়াত তাৰ মৰমৰ প্ৰেয়সী নিশাৰ মুখখনি দেখা পায়। চাওঁতে চাওঁতে পৰীক্ষা পাৰ হৈ গ'ল। অচিন্তই কোনো মতে পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হ'ল। কিন্তু তাৰ মৰমৰ প্ৰেয়সী যাক লৈ সি ৰঙীন সপোন ৰচিছিল তাই পৰীক্ষাত অতি ভাল নম্বৰ পাই উত্তীৰ্ণ হ'ল। যথা সময়ত দুয়ো স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্ত্তি কৰিলে। চাওঁতে চাওঁতে সিহঁতৰ কলেজ পূজাত বন্ধ হয়। সি পূজাৰ বন্ধত একেবাৰে মন বহাব নোৱাৰিলে। অনবৰত তাৰ মনটোৱে উৰা মাৰে তাৰ মৰমৰ প্ৰেয়সী সেই নিশাৰ ওচৰলৈ। অৱশেষত পূজা বন্ধ চমু চাপি আহিল। তাৰ মনটোৱে নমিতাক লগ পাবলৈ উত্ৰাৱল হৈ পৰিল। কলেজ খোলাৰ আগদিনা ৰাতি সি মনতে বহু ৰঙীন কল্পনা কৰি বিছনাত বাগৰ দিলে। পিছদিনা ৰাতিপুৱাই উঠি প্ৰাঃতকৰ্ম সম্পন্ন কৰি সি বহু আগতেই উপস্থিত হ'ল কলেজত তাৰ মৰমৰ নমিতাক লগ ধৰাৰ বাবে। বহু দেৰি হ'ল নমিতা কলেজলৈ আহিয়েই পোৱা নাই। হঠাতে অচিন্তই ছয়াময়াকৈ নমিতাক দেখা পালে। তাইক দেখাৰ লগে লগেই তাৰ

মনটো ভাল লাগিল। সি ওচৰ চাপি গৈ যেতিয়া নমিতাক মাতিলে তাই কলে— প্লিজ অচিন্ত, তুমি আৰু মোক কেতিয়াও লগ ধৰাৰ চেষ্টা নকৰিবা। কাৰণ মই তোমাক ভাল নাপাওঁ আৰু মোৰ বিয়া মা-দেউতাহঁতে অইনৰ লগত ঠিক কৰিছে। নমিতাৰ মুখৰ পৰা এই কথা শুনি অচিন্তৰ মূৰত আকাশী সৰগ ভাঙি পৰিল।

অমীমাংসীত হৈ ৰৈ যোৱা জীৱন যুদ্ধখনৰ সমগ্ৰ দুখৰ বোজাটো কান্ধত লৈ অচিন্ত উঠিল আৰু ঘৰলৈ খোজ ললে। কলেজৰ বাৰান্দাত থকা প্ৰাচীৰ পত্ৰিকাখনৰ এটি কবিতাত অচিন্তৰ চকু পৰিল—

*হাতৰ মুঠিতে ভাল*
*মেলি দিলে উৰি যায়*
*স্মৃতিৰ ৰঙীন ৰুমাল*
*মোৰ চিৰ দিন, চিৰ কাল।*

ঘৰলৈ আহি অচিন্তই বিছনাত বাগৰি গাৰুত মূৰগুজি কান্দিব ধৰিলে। জীৱনৰ এৰি অহা সেই নিষ্ফল অধ্যায়টো চিৰদিন অচিন্তৰ অন্তৰতেই থাকি গ'ল।

❖ ❖ ❖

## মহৎলোকৰ বাণী

☞ এই পৃথিৱীত অভাৱীৰ কাৰণে কোনো বস্তুৰ অভাৱ নাই, বস্তুৰ অভাৱ হ'ল কেৱল লুভীৰ কাৰণেহে।
— *মহাত্মা গান্ধী।*

☞ পৃথিৱীত জীয়াই থাকিবলৈ প্ৰেম আৰু সাহসৰ প্ৰয়োজন।
— *আব্ৰাহাম লিংকন।*

☞ মই যিহেতু জনপ্ৰিয় গতিকে সকলোয়ে মোক ঘৃণা কৰে।
— *এৰিষ্টটল।*

☞ ধৰ্মক সাধাৰণ মানুহে বিশ্বাস, জ্ঞানী সকলে অবিশ্বাস কৰে আৰু শাসক সকলে লাগতিয়াল বুলি ভাবে।
— *বুদ্ধদেৱ।*

*সংগ্ৰহক*
**ছাৰমিন বেগম**
স্নাতক দ্বিতীয় বৰ্ষ (কলা)





# বনকৰা ছোৱালী

*ৰৌছানাৰা আখতাৰ*
*অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ*

গছে ন-পাত মেলিছে। কুঁহিপাতবোৰত ৰাতিপুৱাৰ সেন্দুৰীয়া বেলিটোৰ পোহৰ পৰি চাৰিওফালে যেন আলোকিত কৰি তুলিছে। কুলিৰ কুউ-কুউ মাতে বসন্তৰ বতৰা কঢ়িয়াই আনিছে। বাসন্তীয়েও এনে বসন্তৰ পোন্ধৰটা দেওনা পাৰ কৰিছে। চহৰৰ য'ত ত'ত বিহুৰ ঢোল, পেপাৰ মাতত বাসন্তীৰ দেহমনত যেন বিহুৰ বা লাগিছে। প্ৰায় পাঁচ বছৰৰ মূৰত তাই গাওঁৰ ঘৰলৈ যাব। সেয়েহে তাইৰ আজি আনন্দৰ পাৰ নাইকিয়া হৈছে। তাই যেন পাখি জোকাৰি জোকাৰি কব মই আজি মুক্ত বিহঙ্গ। মোক কোনেও বন্দী কৰিব নোৱাৰে। পিছ মুহূৰ্ততেই তাইৰ মনটো সেমেকি উঠে। কাৰণ তাই যে আকৌ এইখন ঘৰলৈ উভতি আহিব লাগিব।

বাসন্তী ৰামুকাৰ লগত ঘৰলৈ অহাৰ কথা ভাবিছিল। কিন্তু বাসন্তী অহিবনে ঘৰৰ সমস্ত দায়িত্ব ৰামুকাৰ ওপৰত পৰিব বুলিয়েই একোকে নকলে। আজি ৰাতিটো তাইৰ টোপনি নহ'ল। সেয়ে তাই কাউৰীপুৱাতে শোৱাপাটি এৰিলে। নিত্যনৈমিত্তিক কামবোৰ সামৰি নিজৰ কোঠালৈ আহি বাসন্তীয়ে কাপোৰৰ মোনাখন ভালকৈ জোকাৰি তাতে নিজৰ কাপোৰবোৰ হেঁচি হেঁচি ভৰাই ললে।

ৰামুকাই বাসন্তীক বাছষ্টাণ্ডলৈ আগবঢ়াই থৈ আহিব। গতিকে ৰামুকাই নিজেও বগা হাফচাৰ্টটো আৰু কলা লংপেন্টটো পিন্ধি ললে, সৰু আইনাখন হাতত লৈ মূৰটো ফনিয়ালে। কপালৰ আগত থকা চুলিখিনিৰ দুই এডাল পকিছে। সি হাততেৰে উঘালিবলৈ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। আইনাখন থৈ আগফটা কাপোৰৰ জোতাযোৰ পিন্ধি বাসন্তীৰ কাপোৰৰ মোনাখন কান্ধত আঁৰি ললে। বাসন্তীও ওলাই আহিল। ঘৰৰ আটাইকে মাত লগালে। মালিকে তাইৰ হাতত কিছু টকা দিলে বাপেকৰ হাতত দিবলৈ আৰু ৰামুৰ হাতত তাইৰ ভাড়াটো দি সোনকালে গাড়ীত উঠাই দি আহিবলৈ কলে।

তেতিয়া ৰাতিপুৱা ৭ বাজিছিল। ৰাতি বৰষুণ দিয়াৰ বাবে পকী ৰাস্তাৰ গাতবোৰত পানী জমা হৈ আছিল। তেতিয়াও আকাশখন চাৰিওফালৰ পৰা কলীয়া ডাৱৰে আৱৰি ধৰিছিল। সিহঁত দুয়ো বেগা-বেগীকৈ খোজ ললে বাছষ্টাণ্ড অভিমুখে। প্ৰায় দহ মিনিট খোজকাঢ়ি যোৱাৰ পিছত বাছষ্টাণ্ড পালে। ৰামুৰে এখন নীলা ৰঙৰ গাড়ীলৈ তাইক আঙুলিয়াই দিলে। সেইখন গাড়ীত গলে তাই বাটত ক'তো নামিব নালাগে। একেবাৰে আবেলি গৈ তিতামুখত নমাই দিব। ৰামুৰে কণ্ডাক্টৰক কৈ তাইৰ ভাড়াটো দি দিলে আৰু বাছৰ পৰা নমাই এখন ৰিক্সাত তাইক উঠাই দিবলৈ কৈ সি যাবলৈ ওলাল।

বাসন্তীয়ে কিছু সময়ৰ কাৰণে তাক ৰবলৈ কলে। তাই প্ৰথমে গাড়ীখনত উঠিল। পিছত ৰামুৰে তাইৰ মোনাখন লৈ উঠিল। এটা খালী ছিটত তাইৰ মোনাখন নমাই সি আন এটা ছিটত এনেয়ে বহি ললে। তাই গাড়ীত উঠোতে ছেলোৱাৰৰ চুৰ্ণিখনত বোকা লাগিছিল। হাতত থকা ৰুমালখনেৰে বোকাবোৰ ঘহি ঘহি মচিলে আৰু

মোনা থোৱা ছিটত বহি ললে। কিছু সময়ৰ পিছত বাছখন যাবলৈ ওলাল। ৰামুৱে বাছৰ পৰা নামিল। খিৰিকীৰে বাসন্তীৰ ফালে সি ঘূৰি চালে। আজি সঁচাকৈ বাসন্তীক ধুনীয়া লাগিছে। ওঁঠৰ লিপ্‌ষ্টিক, হাতত লগোৱা জেঁতুকাৰে এনে লাগিছে যেন তাই ঘৰলৈ গৈয়েই বিহু নচা আৰম্ভ কৰিব। ৰামুৱে তাইক এৰি উভতি গলগৈ। বাছষ্টাণ্ডৰ পৰা গাড়ীখন ওলাই আহি তীব্ৰ বেগে আলিবাটেৰে গৈ থাকিল। বাসন্তীয়ে খিৰিকীৰ কাষত বহিছিল। সেয়ে বাহিৰৰ দৃশ্যবোৰ চাবলৈ পাই তাইৰ বৰ ভাল লাগিছিল। আজি বহু দিনৰ মূৰত তাই গাড়ীত উঠিব পাইছে। বাটত দুয়োকাষে ডাঙৰ ডাঙৰ অট্টালিকা, সৰু গাড়ী, অটোৰিক্সা আৰু ঠায়ে ঠায়ে ট্ৰাকবোৰ শাৰীপাতি বৈ থকা দেখা পালে। এঠাইত কেইটামান সৰু জুপুৰিঘৰ ৰাস্তাৰ কাষত দেখা পালে। তাকে দেখি তাইৰ নিজৰ ঘৰৰ চালি কেইখনলৈ মনত পৰিল। ঘৰৰ মানুহখিনিলৈ মনত পৰিল। তাৰ মনটো সেমেকি উঠিল। কাৰণ তাইৰ দেউতাকে আজি প্ৰায় সাত বছৰমান ধৰি একাংগী বেমাৰত ভুগিছে। তাই ঘৰৰ ডাঙৰ ছোৱালী। তাইৰ তলত এজনী ভনী আৰু দুজন ভাইটী আছে। তাইৰ সৰু ভায়েক ৰাজুৰ যেতিয়া ছমাহ বয়স তেতিয়া হঠাৎ এদিন মাকে অসহ্য পেটৰ বিষত ছটফটাই মৃত্যুক আকোৱালি ললে। তাইৰ একমাত্ৰ ভনী ৰীমাক গাওঁৰ এঘৰৰ ধনী মানুহৰ ঘৰত বনকৰা ছোৱালী হিচাবে ৰাখিছে। তাইৰ ভায়েক আৰু বাপেকক চোৱাচিতা কৰিবলৈ ঘৰত এতিয়া ডাঙৰ মানুহ বুলিবলৈ আন কোনো নাই, আছে মাথোন আইতাক, যাৰ বয়স এতিয়া পয়সত্তৰৰ ওচৰা-ওচৰি। তাইৰ বাৰে বাৰে আইতালৈ মনত পৰিছে। আইতাকৰ যে কিমান কষ্ট হৈছে। ৰাতি চকুৰে কমকৈ দেখা পায় তাতে বাপেকৰ লগত লাগি থাকোতে চাগে টোপনি নহয়। নিয়তিৰ কি যে খেলা বপেকৰ ইমান টান বেমা তেনে অৱস্থাত মাককনো কিয় ঈশ্বৰে কাঢ়ি নিব লগা হ'ল! ৰীমা ছাগে এতিয়া বৰ চঞ্চল হৈছে । তাই থকা মানুহঘৰ ছাগে বৰ ভাল। নহলেনো ইমান সৰু ছোৱালীজনী ইমান দিন ধৰি থাকিব পাৰিছেনে? গাওঁৰ মানুহবোৰ হোজা, সহজ-সৰল। চহৰতকৈ গাওঁৰ পৰিবেশ বৰ ভাল। তাইৰ চকুৰ আগত ভাহি উঠে গছ-গছনিৰে ভৰা গাওঁখনৰ কথা। সেউজী ধাননি পথাৰত সো-সোৱাই বৈ যোৱা বতাহজাকৰ কথা। পাত নোহোৱা শিমলু গছত থকা ৰঙা ফুলবোৰৰ কথা। তাই কব নোৱাৰাকৈ চকুৰেদি দুধাৰি লোতক বৈ আহিল। তাই হাতত থকা ৰুমালখনেৰে কব নোৱাৰাকৈ মচি ললে।

তীব্ৰবেগী গাড়ীখন ক'তো নোৰোৱাকৈয়ে আহি প্ৰায় তিতামূখ পাবৰ হ'ল। আবেলি তেতিয়া বাজিছিল আৰু হেনো আধা ঘন্টা যাব লাগিব, কণ্ডাক্টৰে কলে। এনেতে গাড়ীখন এঠাইত ৰখাই ৰেষ্টোৰা এখনত মানুহবোৰ নামি চাহ খাবলৈ গ'ল। বাসন্তীয়েও নামি দোকান এখনৰ পৰা বাপেকৰ কাৰণে কেইটামান মৌচুমী টেঙা, ভায়েকৰ কাৰণে চকলেট কেইটামান, ৰীমাৰ কাৰণে বাদাম ভাজা, আইতাৰ কাৰণে তামোল পান এগুছি কিনি পলিথিনৰ মোনা এটাত ভৰাই লৈ বাছত উঠি বহিল। অলপ পিছত বাছখনে যাত্ৰা আৰম্ভ কৰিলে। আধা ঘণ্টাৰ পিছত তিতামূখ পালে। গাড়ী ৰখাই কণ্ডাক্টৰে তাইক বাছৰ পৰা নামিব দিলে আৰু ৰিক্সা এখন মাতি তাইক উঠাই দিলে। তাই ঘৰমুৱা হ'ল। প্ৰায় ৪৫ মিনিট ৰিক্সাখনত গৈ গৈ অৱশেষত ঘৰ পালে।





বাসন্তী আহিব বুলি বাপেকে খবৰটো আগতেই পাইছিল। সেয়ে ৰীমাকো গৃহস্থৰ ঘৰৰ পৰা মাতি আনিছিল। বাসন্তীয়ে ৰিক্সাৰ পৰা নামি ৰিক্সাৱালাক ভাড়াটো দি কাপোৰৰ মোনাখন আৰু খোৱাবস্তুৰ মোনাটো থৈ চিধাই গৈ চোতাল পালে। তেতিয়া আইতাকে তাইৰ বাপেকক আবেলিৰ জলপান খুৱাই আছিল। বাসন্তীয়ে বাপেকৰ ওচৰলৈ গ'ল আৰু শিতানত বহিলে। তাৰ পৰা উঠি আহি আইতাকক সাবটি ধৰি চুমা এটা খালে। পিছফালে ঘূৰি চাই দেখে বাপেক বৰ দুৰ্বল হৈ গৈছে। চকুবোৰ কোটৰত সোমাইছে। গাৰ ছালবোৰ ইমান সোঁতোৰা সোঁতোৰ হৈছে যেন আইতাকতকৈও বেছি বয়স হৈছে।

ৰীমাই দৌৰি আহি প্ৰথমতে তাইৰ ফালে একেথিৰে চাই থাকিল, তাৰ পিছত হাতত ধৰি টানি আনিলে বাহিৰলৈ এফালৰ পৰা হাঁহি হাঁহি চহৰৰ কথা সুধিবলৈ ধৰিলে— কচোন বাইদেউ তই সদায় কিমান গাড়ী দেখিবলৈ পাৱ? চহৰ দেখিবলৈ কেনেকুৱা? তই চাগে হাজাৰ হাজাৰ মানুহ দেখিবলৈ পাৱ নহয়নে ইত্যাদি ইত্যাদি। ৰীমাই বাসন্তীক সজোৰে সাবটি ধৰে। বাসন্তীয়েও ৰীমাক সাবটি ধৰি এবাৰ তাইৰ মুখৰ ফালে চাই হুক হুকাই কান্দি দিলে। ৰীমাই বাসন্তীৰ পিঠিত হাত বুলাই থাকোতে হঠাৎ কাপোৰৰ ওপৰেৰে দীঘলকৈ কিবা এটা পিঠিত লাগিথকা যেন তাইৰ অনুমান হ'ল। তেতিয়া ৰীমাই বায়েকৰ পিঠিত কি হৈছে বুলি চাব খোজাত তাইক বাধা দিলে আৰু মনে মনে থাকিল। কিন্তু ৰীমাই কাবৌ কৰাত তাইক কবলৈ ধৰিলে— চা ৰীমা, মই থাকো এজন চৰকাৰী চাকৰিয়ালৰ ঘৰত। যোৰহাটৰ বিখ্যাত চেতিয়া পৰিয়ালৰ দুই নম্বৰ পুত্ৰ অনুপ চেতীয়াৰ ঘৰত। তেখেত আৰু তেখেতৰ পত্নী দুয়ো একেটা অফিচতে কাম কৰে। সিহঁতৰ দুজন ল'ৰা এজনী ছোৱালী। ছোৱালীজনী সৰু, বৰ ভাল লাগে তাইক, ঘৰত সকলোৱে মাইনা বুলি মাতে। মাইনাই দিনটো মোৰ লগত থাকে। ছাৰ, বাইদেউ দুয়ো অফিচলৈ গলে তাই মোৰ লগতে থাকে, খেলে, খায় আৰু শোৱে। ৰীমাই তপৰাই উত্তৰ দিলে- তোৰ ছাৰ, বাইদেউ আকৌ তাত ক'ত পালি?

— ধেৎ, আকৰিজনী, কিয় মিঃ চেতিয়া ছাৰ আৰু মিচেচ্ চেতিয়া বাইদেউ আকৌ।

— অ' এতিয়াহে বুজিলো। তাৰ পিছত ৰাতিপুৱা উঠি তোৰ কি কি কাম কৰিব লাগে? ৰীমাই সুধিলে—

— ৰাতিপুৱা ৫ বজাত ঘড়ীটোৰ এলাৰ্ম বাজি উঠাৰ লগেলগে শোৱাপাটী এৰিব লাগে। সি ঠাণ্ডাদিনেই হওঁক বা গৰমৰ দিনেই হওঁক আগেয়ে ঠাণ্ডা পানীৰে গাটো ধুই লৈ পিছত বাঁহি বন যিমান আছে কৰিব লাগে। যেনে— কাপোৰ ধোৱা, বাচন ধোৱা, ঘৰ মচা, বা ঝাডু দিয়া ইত্যাদি। এইবোৰ কৰি হাতমুখ ধুই চাহ দুকাপ বনাই ছাৰ আৰু বাইদেউক বিছনাৰ কাষতে থকা টেবুলখনতে দি আহো। তাৰ পিছত গাখীৰৱালাৰ গাখীৰ ৰাখো, পেপাৰৱালাৰ পেপাৰ খনলৈ ড্ৰয়িংৰুমত থৈ আহো।

— ড্ৰয়িংৰুমনো কি আকৌ? ৰীমাই সুধিলে।

— তই দেখিছো মস্ত আকৰী। ড্ৰয়িংৰুম বুজিপোৱা নাই। শুন, আমাৰ গাওঁৰ ঘৰৰ মানুহবোৰৰ আগতে যে চৰাঘৰ আছিল আৰু তাতে বাহিৰা মানুহ বহাৰ কাৰণে চকী, মেজ আদি ৰাখি থোৱা হৈছিল, সেই বোৰক চহকী

মানুহবোৰে অলপ বেলেগ ধৰণে সজাই ড্ৰয়িংৰুম নাম দিছে। ৰুমটোত সজাবলৈ ডানলপৰ ছোফা এযোৰ, একাষত ডাইনিং টেবুল, একাষত টেলিফোনৰ ষ্টাণ্ড আদিৰে সজোৱা হয়।

— ডাইনিং টেবুল মানেনো কি? ৰীমাই সুধিলে।

— ভাতখোৱা টেবুল আকৌ। বাসন্তীয়ে কলে।

— তোৰচোন ভাগ্য ভালেই বুলিব লাগিব। ইমানবোৰ বস্তুৰ মাজত তই থাক! কোমল চকীত বহিব পাইছ, ডাইনিং টেবুলত বহি ভাত খাব পাইছ, বাঃ তোৰ কিযে আনন্দ আৰু সেইবাবেইতো তই ইমান টকা দৰমহা ঘৰলৈ পঠিয়াব পাৰিছ, হয়নে নহয় বাইদেউ?

বাসন্তীয়ে দীঘলীয়া এটা হুমনিয়াহ কাঢ়ি কলে— দূৰৰ পাহাৰ দেখিবলৈ যে কিমান ধুনীয়া, খলাবমা যেন নাইয়েই।

— তেন্তে মই কোৱা কথাবোৰ মিছা নেকি? তই তেতিয়াহলে সিহঁতৰ টেবুলত, ------- ছোফাত -------

মই তোৰ কথাখিনি বুজিব নোৱাৰিলো অ' বাইদেউ, ৰীমাই কলে।

"সিহঁতৰ কোমল ছোফাবোৰ ভদ্ৰলোকৰ কাৰণেহে। ড্ৰয়িংৰুমত থকা প্ৰতিটো বস্তু ছাফা কৰি ৰখাটোহে কেৱল মোৰ কৰ্তব্য"। বাসন্তীয়ে গভীৰ বেদনা ভৰা কণ্ঠেৰে কলে।

জান ৰীমা, এজন মানুহ আহিলে তেতিয়া ছোফাখনত চুবলৈকো বাধা দিয়ে। ডাইনিং টেবুলত ভাত খোৱাৰ অধিকাৰ আমাৰ নাই। সিহঁতৰ বিছনাবোৰ ইমান কোমল যে কেতিয়াবা সিহঁত নাথাকিলে হেচি হেচি চুই চাওঁ, মাইনাক বিছনাৰ পৰা আনো বুলি অলপ লাহেকৈ কাতি হৈ চাওঁ। কিমান যে আৰাম লাগে, কিমান [illegible] মজা লাগে কিন্তু -------।

এদিনৰ কথা। সিদিনা ৰৰকৈ বৰষুণ দি আছি[illegible] মাইনাই বিছনাত শুই আছিল। বাইদেউহঁত অফিচ[illegible] আছিল। বৰষুণৰ লগতে বতাহো বলিছিল। সেয়ে ঘৰ[illegible] দুৱাৰ খিৰিকীবোৰৰ শব্দত মাইনা সাৰ পাই গ'[illegible] আথেবেথে তাইক কোলাত লৈ খিৰিকীবোৰ জপালে[illegible] কিন্তু বাহিৰত থকা কাপোৰখিনি বতাহত তাৰডালৰ প[illegible] মাটিত পৰি থাকিল। বৰষুণ ইমান জোৰেৰে আহিব[illegible] ধৰিলে যে মাইনা আৰু মোৰ ঠাণ্ডা লাগি গ'ল। মাইনা[illegible] মোক সজোৰে সাবটি ধৰিলে। মইয়ো মাইনাক বুক[illegible] মাজত গুজি লৈ বহি থাকোতে কেতিয়াযে দুয়ো বিছনা[illegible] কাতি হৈ টোপনি গৈছিলো কবই নোৱাৰো। বাইদেউ[illegible] অফিচৰ পৰা ঘূৰি আহি মাইনাৰ লগত বিছনাত শুই থ[illegible] দেখিলে আৰু খঙে চুলিৰ আগ পালেগৈ। মাইনাক বুক[illegible] মাজৰ পৰা টানি আতৰাই নিয়াতহে গম পালো বাইদে[illegible] আহিছে বুলি। ততাতৈয়াকৈ বিছনাৰ পৰা নামিলো। [illegible] বাইদেউৱে মোৰ ফালে ঘোপাকৈ চাই যিমান জোৰে[illegible] পাৰে চৰ, ভকু মাৰিবলৈ ধৰিলে। মই মজিয়াত ভা[illegible] পৰি গৈছিলো। তাৰ পিছত মোৰ হিতাহিত জ্ঞান নাইকি[illegible] হৈ গ'ল।

জ্ঞান ফিৰি আহিলত মই পিঠিত এক অস[illegible] যন্ত্ৰণা অনুভৱ কৰিলো। পিছত আইনাৰ কাষত থিয়[illegible] চোলা ডাঙি চাই দেখিলো সেয়া পোৰাৰ চিন। [illegible] বুজিবলৈ বাকী নাথাকিল যে মোৰ চেতনাহীন অৱস্থা[illegible] বাইদেউৱে সেই কাম কৰিছে।

বাসন্তীৰ মাত থোকা-থুকি হৈ আহিছিল। ৰী[illegible]





কথাবোৰ শুনি এক প্ৰকাৰ চিঞৰি উঠিল। বাইদেউ তেন্তে তোৰ পিঠিত সেয়া পোৰা দাগ।

— হয় ৰীমা, সেয়া পোৰা ঘাৰ দাগ। দেউতাকক নকবি। বেজাৰ পাব। আমাৰ জীৱনত এইদৰেই কেতিয়াবা বসন্তই পুৰি পুৰি ঘা কৰি থৈ যাব আৰু কেতিয়াবা হয়তো জ্বলি জ্বলি নিঃশেষ হৈ যাম।

— দুয়ো আৰু ৰব নোৱাৰিলে, হুক্‌হুক্‌াই কান্দি দিলে। চকুপানী মচি ৰীমাক সাৱটি ধৰি বাসন্তীয়ে কথাখিনি আইতাকক কলে। আইতাকে দুয়োকো উদ্দেশ্যি কবলৈ ধৰিলে—

চা ৰীমা আৰু বাসন্তী টকা পইচা গাড়ী ঘোঁৰা থকা মানুহবোৰে ভদ্ৰতাৰ মুখা যিমানেই নিপিন্ধক লাগে, মানবতাৰ মুখা কিন্তু সিহঁতৰ তেনেই দুৰ্বল। আমি খাটি খোৱা মানুহবোৰৰ পৰা যেনেকৈ সিহঁতে বাক স্বাধীনতা খিনিও নাইকিয়া কৰি পেলাইছে এদিন হয়তো এনেকুৱা এটা দিন আহিব যিদিনা সিহঁতৰ বাক স্বাধীনতাতো ঘূণে ধৰিব। তাৰ বাবে লাগিব আমাৰ অশেষ ধৈৰ্য্য আৰু অপেক্ষা।

❖ ❖ ❖

## মহৎলোকৰ বাণী

☞ প্ৰকৃত ছাত্ৰই কেতিয়াও ক্ষমতা নিবিচাৰে, তেওঁ বিচাৰে কেৱল জ্ঞান আৰু সত্য। সত্য আৱিষ্কাৰ কৰিবৰ বাবে তেওঁ সকলো কৰিবলৈ সাজু থাকে। — *ছাৰ জগদীশ চন্দ্ৰ বসু।*

☞ "ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই। ঈশ্বৰ আছে মানুহৰ অন্তৰত, বিচাৰিব জানিলেই হ'ল"। — *স্বামী বিবেকানন্দ।*

☞ "অসহনশীলতা, অনিষ্টতা আৰু ৰক্ষতা হৈছে সকলো সুস্থ সমাজৰ বাধা স্বৰূপ আৰু গণতান্ত্ৰিক আদৰ্শৰ পৰিপন্থী"। — *মহাত্মা গান্ধী।*

*সংগ্ৰহক*

ময়নুল হক

স্নাতক তৃতীয় বৰ্ষ (কলা)

# জ্বলন্ত অনুকৰণ

ছবোৱাৰ আল আবি
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান শাখ

"এই পেকেটটোৱেই শেষ" বুলি নতুন এটা ছিগাৰেট ওঁঠত গুজি লৈ ধূমপান ত্যাগৰ সংকল্প লোৱা যুৱকৰ সংখ্যা কম নহয়। পিছে হাতত থকা নতুন পেকেটটো মুহূৰ্ততে নৰ্দমালৈ দলিয়াই "ছিগাৰেট নাখাওঁ" বোলা যুৱকৰ সংখ্যা তাকৰ। এই আসক্তি। এনে নিকটিন আসক্তিৰ পৰা যুৱক-যুৱতীক পৰিত্ৰাণ দিয়া যায় কেনেকৈ?

এতিয়া প্ৰায় সকলো মানুহকে এটা কথাত উদ্বিগ্ন কৰি তুলিছে, কথাটো হৈছে যুৱ সমাজৰ উচ্ছৃংখলতা বৃদ্ধি এতিয়া যেন দুৰ্লভ জীৱনৰ প্ৰতি উদাসীন হৈ জীৱনৰ মহৎ উদ্দেশ্য সাধনৰ প্ৰতি বিতশ্ৰদ্ধ হৈ উচ্ছৃংখল ভাৱে জীৱন কটাব খোজে। ঘাইকৈ ১৪-১৫ বছৰ বয়সৰ পৰা ২৫-৩০ বছৰ অনুৰ্দ্ধ অবিবাহিত যুৱক-যুৱতীৰে সমাজ গঠিত। এচাম যুৱক-যুৱতীয়ে মদ, ভাং, কানি, ব্ৰাউনছুগাৰ, হিৰোইন আদি নিচাযুক্ত ড্ৰাগছ সেৱনৰ ফলত আত্ম নিয়ন্ত্ৰণ হেৰুৱাই যোৱাৰ ফলত সৃষ্টি হৈছে যুৱ উচ্ছৃংখলতা। ক্ৰমশ ই কৰ্কট বোগৰ দৰে ছানি ধৰে। সমাজ, সংস্কৃতি, ৰাজনীতি আদি সকলোতে হৈ পৰে সমাজব্যাধি।

যুৱ সমাজৰ এচাম বিপথে যোৱাৰ মুল বিচাৰি গলে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰস্পৰিক অৱস্থাৰ কথা আহি পৰে। চৰকাৰে এফালে ধূমপান নিষেধ কৰিছে আনফালেদি বিক্ৰেতাসকলক ৰাজকীয় অনুমতি দিছে। তাৰ পিছত চৰকাৰী বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, কাৰ্য্যালয়, হোটেল, ৰেষ্টুৰেন্ট আদিৰ কথা বাদেই। ৰমৰমীয়া ভাবে চলি থকা মাদক দ্ৰব্য সেৱন। আনহাতে টেলিভিশ্বন যোগে প্ৰচাৰিত বিভিন্ন দেশী-বিদেশী চেনেলসমূহৰ কোন কেইটা জ্ঞান বৰ্দ্ধক আৰু দৰ্শন উপযোগী, সেয়ে সৰুতে শিশুক নিৰ্দ্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য। তাৰ বিপৰীতে দূৰ নিয়ন্ত্ৰক হাত তুলি দি হকে-বিহকে চেনেলৰ অনুষ্ঠান চোৱাৰ সুযো দিয়া, ইন্টাৰনেটত জ্ঞান-বিজ্ঞানৰ বতৰা লোৱাৰ সলা নেতিবাচক কাম কৰাৰ বাট মুকলি কৰি দিয়া লো সমাজত বিৰল নহয়। খোলা বজাৰত, চি, ডি, ভি,চি, ডি কেছেটৰ ৰম-ৰমীয়া ব্যৱসায় চলিল। অভিজাত পি ধনেৰে যুৱ সমাজৰ কোনো কোনোবাই বিলাসিতা প গাড়ী বাইকত উঠি হাতে হাতে মবাইল ফোন লৈ লি পঢ়াৰ নামত ইভটিজিং, ৰেগিং আদিৰে সহপাঠী বা অন্য পথৰুৱাক আমনি কৰা এক অন্ধ অনুকৰণ। অকল ই অ অনুকৰণেই নহয় বৰং গৰিহণা যোগ্য।

জীৱনৰ অমূল্য সোণালী সময়ছোৱাত নি জীৱন-ধাৰণৰ ভূমিকাত অৱতীৰ্ণ হৈ ব্যক্তি জীৱনলৈ দৰে অন্ধকাৰ নমাই আনিব লগা হৈছে এই ঘটনা অত হৃদয় বিদাৰক আৰু লজ্জাজনকো তথাপিও এয়াই বা এয়াই সত্য। এই প্ৰসংগত উত্থাপিত প্ৰশ্নটো হ' সাংস্কৃতিক প্ৰদূষণ, মূল্যবোধৰ অৱক্ষয়, নেতৃত্বহী অৰাজক সামাজিক পৰিবেশৰ সৈতে মানুহে আৰু কিম দিন সহবাস কৰিব?

❖ ❖ ❖





# আড্ডা

মহিবুৰ ৰহমান
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিঃ শাঃ)

'আড্ডা' বুলিলে আমি সাধাৰণতে কথাৰ মহলা মৰাকে বুজো। ইয়াৰ ইংৰাজী প্ৰতিশব্দ হ'ল Gossip বা Information Talk অৰ্থাৎ নজনা কথাৰ জাননী। যিবিলাক নজনা কথা আমি কিতাপ পঢ়ি বা স্কুল বা কলেজৰ পৰা সহজে শিকিব নোৱাৰি। আড্ডাৰ বাবে কোনো ধৰা বন্ধা বিষয় বস্তু নাই। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, ধৰ্মীয়, সংস্কৃতি, ভুত-বৰ্তমান বা ভৱিষ্যত, খেল, সংগীত, শিক্ষা, কেৰিয়াৰ, চিনেমা Actor বা Actress, প্ৰেম কাহিনী, সমাজৰ কেলেংকাৰী ঘটনা আদি যিকোনো বিষয় একোটা আড্ডাৰ বিষয় বস্তু হ'ব পাৰে। সেইটো সাধাৰণতে নিৰ্ভৰ কৰিব আড্ডাত অংশলোৱা মানুহখিনিৰ ওপৰত আৰু তাৰ পৰিৱেশৰ ওপৰত। আড্ডাত শচীন বা অমিতাভৰ পৰা আৰম্ভ কৰি আদাৰ বেপাৰী, গাড়ীৰ কণ্ডাক্টৰ বা হেণ্ডিমেনলৈকে যিকোনো বিষয় আলোচনা কৰিব পাৰি।

আড্ডাৰ বাবে কোনো নিৰ্দিষ্ট ঠাইৰ আৱশ্যক নহয়। চাৰিআলি, খেল পথাৰ, কলেজৰ চৌহদ বা বাৰান্দা, পান-দোকান, ৰেস্তোৰা, ক্লাৱঘৰ, হোষ্টেল আদি যিকোনো ঠাই হ'ব পাৰে। ল'ৰাৰ পৰা বুঢ়ালৈকে যিকোনো সমবয়সীয়া মানুহেই আড্ডা দি ভাল পায় যদিও যুৱক-যুৱতীৰ মাজত আড্ডাৰ প্ৰভাৱ বেছি পৰিমাণে দেখা যায়। আমাৰ যুৱকসকলৰ মাজত আড্ডাৰ প্ৰৱণতা বেছি যদিও আধুনিক যুগত নাৰীৰ অগ্ৰগতিৰ লগে লগে তেওঁলোকেই এই ক্ষেত্ৰত পিছপৰি থকা নাই আৰু পিছপৰি থকাৰেই বা আৱশ্যক কি? যুৱতীসকলে বিশেষকৈ কলেজৰ চৌহদ, চৰাঘৰ বা হোষ্টেলত আড্ডা মৰা দেখা যায়। অৱশ্যে তেওঁলোকে কেন্টিন আৰু ৰেস্তোৰাতো আড্ডা মাৰে।

আমাৰ সমাজত সাধাৰণতে আড্ডাৰ বেয়া গুণবোৰ সহজে চকুত পৰে যদিও ইয়াৰ বহুতো ভাল দিশ আছে। বহুলোকে আড্ডা মৰাক টুলুঙা কাৰ্য্য বুলি ভাৱে। আড্ডাৰ ফলত যুৱক-যুৱতীৰ মানসিক (মন সম্পৰ্কীয়) ব্যক্তিত্ব, বাকপটুতা, চিন্তাধাৰা আদিৰ উৎকৰ্ষ সাধন হয়। আড্ডাৰ ফলত যুৱক-যুৱতীসকলৰ মাজত ভাৱ বিনিময় হয় আৰু ইয়াৰ ফলত তেওঁলোকৰ মাজত বন্ধুত্বৰ ভাৱ বৃদ্ধি হয়। আড্ডাত বহুতো বাস্তৱ কাহিনী আলোচনা কৰা হয়। ইয়াৰ পৰা আমি বহু অভিজ্ঞতা আহৰণ কৰিব পাৰো। বিশেষকৈ গতানুগতিক পৰিৱেশৰ লগত নিজকে খাপখুৱাই চলিবপৰা গুণটো আমি লাভ কৰিব পাৰো। আড্ডাৰ পৰা বহু নজনা কথা জানিব পাৰো। ই মনৰ ভয় ভাৱ আঁতৰ কৰে, মন আনন্দমুখৰ কৰি তোলে, আমাৰ দৈনন্দিন সুখ-দুখ পাহৰাই দিয়ে। সাধাৰণতে নিঃসংগ লোকসকলে বিভিন্ন দুশ্চিন্তাত ভুগে। আড্ডাই দুশ্চিন্তা, হতাশা, মনৰ উদ্বিগ্নতা আৰু মানসিক ক্লান্ত সহজে নিৰাময় কৰিব পাৰে।

মনোবিজ্ঞানী সকলৰ মতে, বন্ধুত্ব আৰু আড্ডাই মানুহৰ জীৱন সুদীৰ্ঘ আৰু সুস্বাস্থ্যবান কৰি তোলে। তেওঁলোকৰ মতে আড্ডা মৰাটো শৰীৰ, মনৰ কাৰণে এক

প্রকাৰ ব্যায়াম। মনোবিজ্ঞানী ফ্ৰেংক এড্ৰিৰ মতে "আড্ডাই আমাক নিজৰ সৈতে চিনাকী কৰায় আৰু আমি কেনেকৈ মানুহৰ সৈতে মিলিব পাৰো সেই কথা জনাত সহায় কৰে।" তেওঁলোকৰ মতে মানুহৰ ২৪ ঘন্টীয়া ৰুটিনত অতি কমেও ১ ঘন্টা নিজৰ অভিৰুচিমতে আনন্দ কৰিবই লাগে, যি আনন্দই আমাক মানসিকভাৱে সজীৱ কৰি তুলিব পাৰে। মানসিক ৰোগত ভোগা লোকসকলৰ বাবে আড্ডা মৰাটো অতিশয় ফলদায়ক অনুশীলন।

আড্ডা মৰাৰ বহুতো ধনাত্মক দিশ থাকিলেও ইয়াৰ ঋণাত্মক দিশো নথকা নহয়। বহু সময় আড্ডা মৰাৰ ফলত কিছুমান যুৱক-যুৱতীয়ে নিজৰ দায়িত্ব আৰ কৰ্তব্যৰ কথাও পাহৰি যায়। আড্ডাত কেতিয়াবা কাজিয় হোৱা বা নিচাজাতীয় দ্ৰব্য সেৱন কৰাও দেখা যায়।

শেষত আমি দেখিলো যে আড্ডাৰ বহুতো ভাল গুণ আছে যদিও আড্ডা মাৰোতে আমি কিছুমা সতৰ্কতা অৱলম্বন কৰিব লাগে যাতে আমি আমাৰ দায়িত্ব আৰু কৰ্তব্যক পাহৰি নাযাওঁ আৰু ই যাতে আমা জীৱন পথৰ হেঙাৰ হ'ব নোৱাৰে। ইয়াৰ ভাল গুণবো গ্ৰহণ কৰি বেয়া গুণবোৰ পৰিহাৰ কৰিলেহে ই আমমা বাবে সাৰ্থক হ'ব।

❖ ❖ ❖

## মহৎলোকৰ বাণী

☞ হিংসা কেতিয়াও নকৰিবা, জুয়ে যেনেকৈ খৰি পোৰে, হিংসাই তেনেদৰে পূণ্যসমূহ নাইকিয়া কৰে।

— *হজৰত মহম্মদ।*

☞ দেশৰ হকে প্ৰাণ দিবা, কিন্তু কাৰো প্ৰাণত আঘাত নিদিবা।

— *মহাত্মা গান্ধী।*

☞ যন্ত্ৰণাই বিদ্ধ নকৰালৈকে তুমি দি যোৱা। মনত ৰাখিবা যন্ত্ৰণাৰেই আন এটা নাম প্ৰেম। বেদনাই হৈছে ভালপোৱাৰ উৎপত্তি স্থল।

— *মাদাৰ টেৰেজা।*

☞ খঙে কেতিয়াও খঙক দমন কৰিব নোৱাৰে।

— *বুদ্ধদেৱ।*

*সংগ্ৰহক*

**ছামচুন নেহাৰ**

স্নাতক দ্বিতীয় বৰ্ষ (কলা)





কবিতা

# মোৰ কাংক্ষিত পৃথিৱী

নূৰুন নাহাৰ আমিন
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

এইখনতো নহয়
মোৰ কাংক্ষিত পৃথিৱী
মানুহেই য'ত মানুহৰ বৈৰী
মানৱতা মমতাৰ কৰুণ উচুঁপনি
একেখন ধৰণী
এখনেই আকাশ
তথাপিও কিয় ইমান বিভেদ
জাতি, ধৰ্ম ও ৰাষ্ট্ৰৰ নামত
কিমান যে কাল্পনিক দেৱাল হৈছে নিৰ্মিত
জনতাৰ বুকুৰ অস্থিৰে নিৰ্মিত
শাসকৰ মচনদ্
নেতাৰ আসন
শাসনৰ বাঘজৰী হাতত ল'ই
এওঁলোক কোন?
ধৃতৰাষ্ট্ৰ, দুৰ্য্যোধন
নে মহী ৰাৱণ?
শোষিত, নিস্পেষিত জনতাৰ
বুকুৰ সঞ্চিত উষ্মাৰ
হ'লেই বিস্ফোৰণ
চূৰ্ণ বিচূৰ্ণ হ'ব
শোষকৰ সিংহাসন

ফলশ্ৰুতিত
অমানিশাৰ অন্ধকাৰ ফালি
আশাৰ বতৰা কঢ়িয়াই অনা
এটি প্ৰভাতী সূৰুযৰ আগমন
যাৰ সোণালী পোহৰেৰে
হ'ব আলোকিত
মানুহৰ মন প্ৰাণ
মানৱতাই য'ত কৰিব বিৰাজ
অবিচাৰ, অনাচাৰ
আৰু শোষকৰ অত্যাচাৰে
য'ত পাব অতি লাজ
নাথাকিব য'ত কোনো
বিভেদৰ দেৱাল -----
সেইখনেই হওঁক
আমাৰ চিৰ কাংক্ষিত
এখনি নতুন সমাজ।

❀ ❀ ❀

# নৱজ্যোতি মহাবিদ্যালয়

এম, মিজানুৰ ৰহম
এইছ, এছ, দ্বিতীয় বৰ্ষ (কল

অসমৰ গাঁৱলীয়াসকলৰ মাজত,
সঁচাকৈয়ে তুমি অন্যতম।
কি যে তোমাৰ মৰমলগা চকুৰ চাৱনি,
ইমান মনোমোহা তুমি, কাৰনো জীয়ৰী?
তোমাৰ ৰিজাল্ট , তোমাৰ অভিনয়
আৰু তোমাৰ মধুৰ সম্পৰ্কই,
মোক যে আকৰ্ষিত কৰিছে।
কথা এটা কওঁ হেবা,
নৱজ্যোতি মহাবিদ্যালয়,
সঁচাকৈয়ে নাপাবা বেয়া?
মই যে তোমাৰ প্ৰেমত পৰিছোঁ।
কিন্তু, কিন্তু তুমি ----- ?
জানানে, নৱজ্যোতি মহাবিদ্যালয়,
মই তোমাৰ প্ৰেমত পৰিব বিচৰা নাছিলো ;
কিন্তু ! কিন্তু কেনেবাকৈ যেন,
তোমাৰ প্ৰেম, মোৰ হৃদয়ত সোমাই পৰিল।
জানানে, নৱজ্যোতি মহাবিদ্যালয়
মই তোমাৰ বাবে সকলো কৰিবলৈ সাজু
কিন্তু তুমি মোক আকোৱালি লবানে?
মই ধন নিবিচাৰোঁ, নিবিচাৰোঁ সোণ,
মোক লাগে মাথোঁ,
তোমাৰ হৃদয়ৰ এবুকু ভালপোৱা।
মইতো আৰু একো বিচৰা নাই?
জানানে, নৱজ্যোতি মহাবিদ্যালয়
তোমাৰ ভালপোৱাই গঢ়িব
মোৰ মধুময় জীৱন।
তোমাৰ ভালপোৱাই,
মোলৈ কঢ়িয়াই আনিব
এক বিশ্ব অভিলেখ।
তোমাৰ সৰ্বাঙ্গীন উন্নতি কৰিম বুলি,
এয়া দিলো মই প্ৰতিশ্ৰুতি।
কিন্তু তোমাৰ ভালপোৱা পাবলৈ,
বাটতে থাকিলো যে ৰই -----
কেতিয়া আহিবা তুমি মোলৈ?





# স্বাধীনতা দিৱস উৎযাপন

জহুৰুল ইছলাম
এইছ, এছ, দ্বিতীয় বৰ্ষ (বিজ্ঞান)

১৫ আগষ্ট আমাৰ স্বাধীনতা দিৱস
ভাৰতবাসীৰ বাবে এক পৱিত্ৰ উৎসৱ।
১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে
আমাৰ মাতৃভূমি হৈছে স্বাধীন,
মণিৰাম, পিয়লি, গোমধৰে দিছিল জীৱন আহুতি।
স্বদেশক স্বাধীন কৰিম বুলি,
সংকল্প আছিল স্বাধীনতাৰ।
বন্ধন আছিল একতাৰ,
বহু কবি, সাহিত্যিকে লিখিছে গল্প, কবিতা।
ভাৰতৰ স্বাধীনতা আন্দোলনৰ আঁত ধৰি,
ইতিহাসত জিলিকি আছে,
ভাৰতবাসীৰ স্বদেশ প্ৰেম আৰু একতা।
আজি আমি সকলো ভাৰতবাসী-
একগোট হৈছোঁ একতাৰ বান্ধোনেৰে,
ভৱিষ্যতৰ সপোনবোৰ বাস্তৱত ৰূপ দিবলৈ।
সংকল্প ল'ম আমি আজিৰ দিনত-
আমিয়েই দুখীয়া, আমিয়েই সুখীয়া,
আমিয়েই দেশমাতৃৰ একমাত্ৰ নায়ক,
দেশমাতৃৰ বিৰল আশা আছে আমাৰ ওপৰত।
শিক্ষক, ছাত্ৰ, অভিভাৱক সকলোৰে মিলি আজি,
গাম জয় ভাৰত মাতাৰ গান।
স্বাধীন ভাৰতৰ নায়ক আমি,
আমিয়েই নায়ক আমিয়েই নায়িকা-
আমিয়েই দেশ মাতৃক ৰক্ষা কৰোঁতা,
কৰিম ! কৰিম ! দেশ মাতৃক ৰক্ষা কৰিম।
তাৰ বাবে মৰিবলগীয়া হ'লেও-
জীৱনটো হাঁহি মুখে উচৰ্গা কৰিম।।



# প্ৰকৃতি

মোঃ মতিউৰ ৰহ
স্নাতক তৃতীয় বৰ্ষ (ক

সৃষ্টিকৰ্তাৰ দানৰ এই ধৰাত
এই যে কি মধুৰ প্ৰকৃতি
ইয়াতেই জনম লৈছো আমি
ইয়াতেই আমাৰ মূৰ্খামী।
কিযে সুন্দৰ বৃক্ষ লতাৰে ভৰা
ইয়াৰ পৰাই পাইছো অক্সিজেন আমি
ইয়াৰ পৰাই পাইছো সু-স্বাস্থ্য
ইয়াকেই ধ্বংসৰে কৰিছোঁ মূৰ্খামী
কিমান যে আমাৰ মূৰ্খামী।।
কিমান যে সুন্দৰ এই নৈ, জান-জুৰি
ৰিম্ ঝিম্ বৈ যায় ইয়াৰে পানী
ইয়াকে লৈ জীয়াই আছো আমি
এয়ে হ'ল সৃষ্টিকৰ্তাৰ দানৰ পানী
ইয়াকে নষ্ট কৰি কৰিছো মূৰ্খামী
কিমান যে মূৰ্খ আমি।

সভ্যতা বিজ্ঞান আধুনিক যুগৰ মানুহ আমি
শুনি আছো বিজ্ঞানৰ বাৰে বাৰে সাৱধান বাণী
ইয়াকে অমান্য কৰি কল কাৰখানাৰ ধোঁৱাৰে
পৰিৱেশ বিনষ্ট কৰিছোঁ আমি
এইটোও, কিয়নো আমাৰ মূৰ্খামী?
শপত লওঁ আমি প্ৰতিশ্ৰুতি দিওঁ আমি
বিজ্ঞান, শিক্ষিত যুগৰ মানুহ আমি।
আমি সকলোৰে মিলি মাৰবান্ধি থিয় হ'ম।
গছ-গছনি নাকাটি পৰিৱেশ সুন্দৰ ৰাখিম
এই প্ৰতিশ্ৰুতিৰে সৃষ্টিকৰ্তাৰ শপত লম আমি
আজিৰ পৰা নকৰো আৰু মূৰ্খামী।

❀ ❀ ❀







# চিৰ চেনেহী অসমী আই

নুৰজাহান আমিন
এইছ, এছ, প্ৰথম বৰ্ষ (বিজ্ঞান)

এইখনেই আমাৰ
প্ৰাণতকৈও মৰমৰ
চিৰ চেনেহী অসমী আই,
য'ত জাতি, ধৰ্ম, ভাষা আৰু বৰ্ণৰ
কোনো বিভেদ
ভাতৃঘাতী সংঘাত
আমাৰ মাজত নাই

সত্ৰ মন্দিৰো আছে ইয়াত
আৰু আছে গীৰ্জা, মছজিদ,
নিজ নিজ ধৰ্ম পালি গাইছোঁ
আমি স্ৰষ্টাৰ মহিমা গীত

এইখনেই আমাৰ অসম
য'ত মছজিদত ধ্বনিত হয়
'আল্লাহু আকবাৰ' আজান
'এভৰ গহন বন' ----- সত্ৰৰ পৰা
ৰিণিকি ৰিণিকি ভাঁহি আহে
বৰগীতৰ সুমধুৰ তান,
মন্দিৰত ভক্তই গায়
হৰে কৃষ্ণ হৰে ৰাম
দিনে নিশাই চলে
পদাৱলী কীৰ্ত্তন

মিলনৰ সেঁতুৰে
ঐক্য সংহতিৰে
আঁহক আমিও
আগবাঢ়ি যাওঁ ;
সোণৰ অসম নহলেও
হৃদয়ৰ নিভাঁজ মৰমেৰে
মাটিৰ চপৰাৰেই
গঢ়ো আমি
সন্ত্ৰাস বিভেদ মুক্ত
এখনি সুন্দৰ অসম
য'ত -----
হিংসা জিঘাংসাৰ বাবে
মানুহৰ তেজেৰে মানুহে
নকৰিব ৰক্ত স্নান,
মানুহে মানুহৰ
মঙ্গলৰ বাবে -----।
তেজিব আপোন প্ৰাণ -----।

❀ ❀ ❀

# হৃদয়

হাফিজুৰ ৰহমা
স্নাতক, প্ৰথম বৰ্ষ (কল

অটব্য অৰণ্যত থকা
সৌ চাংঘৰটিয়ে 'হৃদয়'
য'ত গোপনে স্থিতি লয়
প্ৰেম, ভালপোৱা, হিংসা, ঘৃণা।

বহুতো ধুমুহা নেওচি অহা তোমাৰ আগমণ
আবেগৰ আসন দিলো পাৰি
ছিদ্ৰিত নকৰিবা হৃদয়
পৰা হেঁতেন দেখাব বুকু ফালি।

বিজ্ঞানে হৃদয় যন্ত্ৰক কয় তেজ পৰিষ্কাৰৰ যন্ত্ৰ বুলি
সাহিত্যৰ ভাষাত আবেগৰ পাণ্ডুলিপি
আবেগ হাৰমনাত, হৃদয়ক পাহৰি
হ'ব খোজো এক ব্যস্ত মানৱী।

তোমাৰ প্ৰতিচ্ছবি হৃদয়ত প্ৰতিফলিত হৈ
যেতিয়া তৃতীয় দুৱাৰ চুৰে
যন্ত্ৰণাত নিগৰা চকুলোত
কবিতাৰ বান হয়
বুকুত সাৰটি শান্তনা দিয়ে।

কেনেকৈ ভগাবা হৃদয়
হৃদয়ৰ একাকাৰত হে
প্ৰেম চিৰস্থায়ী হয়।







# সঁহাৰি

ফজিলা বেগম
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

বতাহে গতি কৰিছে কোন দিশে
একো ধৰিব নোৱাৰিলো
সময়ে কোন দিশে ঢাপলি মেলিছে
সঠিক ভাৱে ধৰিব পাৰিছো।
তুমি আৰু মই, আমি দুয়ো অনুভৱ কৰিছোঁ
সময়ৰ বিষভৰা বতাহ জাকক
এই বতাহ জাকে আমাক দুয়োকে
কোন দিশলৈ লৈ যায়
মই নাজানো, তুমিও নাজানা।
তোমাৰ লগত এপলকতে গঢ়ি উঠা
আমাৰ দুয়োৰে দুখনি হৃদয়ৰ সম্পৰ্ক,
সময়ৰ বিষভৰা বতাহ জাকে।
আমাৰ দুয়োৰে হিয়াৰ এই বান্ধোনত
খুন্দিয়াব ওলাইছে তুমি জানানে নাই?
সময় ! আৰু মোৰ জীৱনক লৈ
কোনো আক্ষেপ নাই
কিন্তু সময় আৰু তোমাৰ জীৱনলৈ
তুমি মোৰ পৰা আঁতৰি গ'লে
জীয়াই থকাৰ অৰ্থ
এই ধৰাত শেষ হৈ যাব।
আজি বহু দেৰি হৈ গ'ল
তথাপি মই বাট চাইছো তোমালৈ
তুমি আকৌ এবাৰ ঘূৰি আহিবা মোলৈ
তোমাৰ নীলিম চকুযুৰিৰে সঁহাৰি জনাবা।
বাট চাই আছো
তুমি দিবানে
এটা মাথো সঁহাৰি?
এই সঁহাৰি মোৰ জীৱনটোৰ
বাবে বুঢ়া মানুহৰ লাখুটি সদৃশ।



# ৰঙা গোলাপ

আঞ্জুমা আহমেদ নার্গি
স্নাতক প্ৰথম বৰ্ষ (কলা

ক্ষণিকৰ বাবে
কিয় যেন তুমি আহিছিলা
আপোন আলহী হৈ
আগ চোতাল গছকি
অহা বাটেই গুছি গ'লা
মোক এৰি থৈ,
মোৰ হৃদয়ৰ এচুকত
আজীৱন যি উচুপি থাকিল
এটি ৰঙা গোলাপ হৈ ।।



❀ ❀ ❀





# কিয় ?

মফিদুল ইছলাম
স্নাতক তৃতীয় বৰ্ষ (কলা)

কিয় নহ'লা আপোন
ভাঙি দিলা মোৰ ৰঙীণ সপোন
কিয় দিছিলা মিছা মৰিচিকা হাঁহি
মিছা সপোন সজালা মোৰ জীৱনত
কিয় মোৰ শান্ত জীৱনত
আনি দিলা বিষাদৰ বতৰা
টোপনি নধৰে নীৰৱ ৰাতিত
স্মৃতিবোৰ হেৰাই যায় ;
কিয় এই পৃথিৱীৰ দৰেই তুমি
কোৱানা হে মোৰ নিষ্ঠুৰ প্ৰেয়সী
কিয় মোক নুবুজিলা !
দিন যায় ৰাতি নুপুৱা লই
মোৰ আধৰুৱা জীৱন
কিয় সেই জোনাকী পৰৱাত
মোক দিছিলা প্ৰদীপৰ আশা
আগতে নাছিলো জনা মই
তুমি যে কৰিবা মোক নিৰাশা।



❀ ❀ ❀

# মই মানৱ জাতিৰ প্ৰেমত পৰিছোঁ

জেছমিন নেহাৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

হে বিশ্বৰ মানৱ জাতি,
মই তোমাৰ প্ৰেমত পৰিছো।
মই যে তোমাৰ প্ৰেমিকা
জানানে মোৰ প্ৰিয়তম ?
দিন ৰাতিৰ প্ৰতিটো মুহূৰ্তত
মই ৰচো মাথো,
তোমাক ভালপোৱাৰ সপোন।
তোমাৰ এবুকু ভালপোৱা পাবলৈ,
মোৰ হৃদয় কিমান যে ব্যাকুল
বিশ্বৰ মানৱজাতি, মোৰ প্ৰিয়তম।
তোমাক সুন্দৰকৈ সজাবলৈ,
তোমাক এমুঠি ভালপোৱা দিবলৈ
মই কিমান যে আগ্ৰহী!
মোক সহযোগ কৰা মোৰ প্ৰিয়তম।
তোমাৰ অশান্ত হৃদয়ত
শান্তি দিব পাৰিলে,
মই কিমান যে সুখী হ'ম
জানানে মানৱজাতি, মোৰ প্ৰিয়তম ?







# তোমাৰ স্মৃতি

পিয়াৰা বেগম
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

তোমাৰ প্ৰতিটো স্মৃতি
সদায় কৰে আমনি।
প্ৰচণ্ড ধুমুহা আহি
লৈ গ'ল তোমাক
মোৰ জীৱনৰ পৰা কাঢ়ি
থৈ গ'ল কেৱল স্মৃতি
কেতিয়াও উভতি নাহিবানে তুমি।
পুৰণা স্মৃতি মনত পৰি
টোপনি নধৰে গোটেই ৰাতি
ইয়াৰ সমাধান দিব পাৰিবানে তুমি।
অন্তৰত ভালপোৱা আছে যদি থাকক
তাত মোৰ নাই প্ৰয়োজন।
স্বামীক ভাল পাওঁ
স্বামীৰ লগত কটাম জীৱন
স্বামী মোৰ প্ৰিয়জন।
ক্ষমা কৰা তুমি মোক
ক্ষুদ্ৰ প্ৰাণী মই,



মোৰ ভুল মই নিজেই শুধৰাম
নাই মোৰ একো অনাটন।
লেখি যোৱা মনৰ বুৰঞ্জী
সেইবোৰ অৰ্থহীন কথা আজি
যদি পাৰো যাম পাহৰি।
কোনো সহাৰি নাপাই আনৰ হৈ যায়,
লগতে তেওঁৰ মনৰ কল্পনা ছাই হৈ যায়
ইয়াৰ বাবে নহয় কোনেও দায়ী
কেৱল ভাগ্যই দায়ী
তুমি যেতিয়া গুছি গ'লা
থৈ গ'লা কিয় তোমাৰ স্মৃতি
লৈ যোৱা লৈ যোৱা ----- তোমাৰ স্মৃতি।

# নিসংগতাৰ বেদনা

ৰফিকুল ইছলাম
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

সিদিনাৰ সেই সন্ধিক্ষণত,
অভিমান কৰিছিলা কিয় তুমি
মোৰ লগত ----- ?
অচিনাকি বাটৰুৱাৰ দৰে ;
পলাইছিলা তুমি,
কোনটো বাটত ----- ?
কিয় পাহৰিছিলা জনাবলৈ,
মোক এটি স্বাগতম
সিদিনাৰ সেই সন্ধিক্ষণত।
কিয় কৰিছিলা অভিমান?
কিনো আবেগ তোমাৰ?
এৰি থৈ গ'লা যে মোক,
নিসংগতাৰ বেদনাত।
কিনো মোৰ অপৰাধ!

নাইনে তাৰ প্ৰতিকাৰ
আবেগৰ চকুলোৰে যে,
ভৰাই দিলা মোৰ প্ৰাণ।
নাজানানে বাৰু তুমি,
মোৰ কোমল হৃদয়ে,
সহিব নোৱাৰে,
এনে অশান্তি!
মাথোঁ এমুঠি শান্তি বিচাৰি,
থাকিব বিচাৰো মই,
সদায় তোমাৰ লগত।








# স্মৃতি

ছানিয়াৰা আহমেদ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

স্মৃতিয়ে কেতিয়াবা বেদনা দিয়ে
ইয়াৰ দ্বাৰা কেতিয়াবা
বুকুৰ মাজত জমা হোৱা
দুখবোৰ উতলি উঠে ;
যেনেকৈ জুইত ঘিউ ঢালি দিলে হয়।
কেতিয়াবা স্মৃতি মিঠাও হয়,
যেতিয়া আমাৰ মানস পটত
ভাঁহি উঠে অতীতৰ
সোণালী সুদিনৰ প্ৰতিচ্ছবি।
তেতিয়া সেইবোৰ
মনত কৰিয়েই যেন
শান্তি পাব পাৰোঁ।
স্মৃতিৰ সহায়ত আমি
বিশ্বব্ৰহ্মাণ্ডৰ কথা
মনত ৰাখিব পাৰোঁ।
কিন্তু স্মৃতিয়ে কেতিয়াবা
দিয়ে সুখ আৰু
কেতিয়াবা দিয়ে দুখ।
তথাপি স্মৃতি,
সকলো পিনেই জয়যুক্ত।



# নিজ মহাবিদ্যালয় আৰু মই

মোঃ আবুতালেব মিয়া
স্নাতক তৃতীয় বৰ্ষ (কলা)

অতি চেনেহৰ অতি আদৰৰ
মোৰ কলগাছিয়াৰ মহাবিদ্যালয়খন।

তোমাৰ বাবেই আমি সকলোৱে
তোমালৈ দৈনিক চাওঁ এপাক মাৰি।।

সুন্দৰ ঘৰটি মনোহৰ বাৰান্দাটি
কিমান যে আছে জিকমিকাই।

তোমাৰ গৌৰৱত অতি আনন্দত
সকলোৱেই শিক্ষা গ্ৰহণ কৰো।।

হেৰা মহাবিদ্যালয় তুমি বিশ্বত অতুল
স্বৰ্গৰ পোহৰৰ দৰে।

ভাবিলেই যেন তাতকৈ আচৰিত
মনটো মহান লাগে।।

নাই অকনো আহৰি নিজকে পাহৰি
মনটো উগুল-থুগুল।

আহা মহাবিদ্যালয় তুমি আৰু আমি
সুন্দৰ জীৱন গঢ়িম।।

হে মোৰ মহাবিদ্যালয় নহবা ক্ষয়
কেতিয়াওঁ নহবা বিলনী।

মানুহ যাব মৰি এজন এজন কৰি
তথাপিও থাকিব তোমাৰ চিন।।

এইখন মহাবিদ্যালয়ত পঢ়ি বিদ্যা অৰ্জন কৰি
কৰিম সুখৰ সংসাৰ।

ভাৰিবলগীয়া একোৱেই নাই
নকৰো কাৰোবাৰ আশা।।

ধন্য মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলক কৰো প্ৰণাম
তেখেতসকলেই মোৰ পূজনীয়।

তেখেতসকলক দিলেই সন্মান ভালপোৱা মই পাম
ঘৃণীয় মই নহওঁ কেতিয়াওঁ।।





# জীৱন

কায়েম কবিৰ ৰহমান
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

হায়!
কি যে জীৱন।
যেন একা-বেঁকা
ৰাস্তাহে।
কেতিয়াবা জীৱনত
কান্দোন
কেতিয়াবা জীৱনত
হাঁহি
কেতিয়াবা জীৱনত
ধন
কেতিয়াবা জীৱনত
ৰণ
কিছুমানে জীৱনক ধ্বংস কৰে
এলেহুৱাক লৈ
কিছুমানে জীৱনক ধ্বংস কৰে
ভালপোৱাক লৈ।
কিছুমানে প্ৰাণ হেৰুৱায়
ৰণক্ষেত্ৰত
কিছুমানে প্ৰাণ হেৰুৱায়
ধনৰ অহংকাৰত।

কিছুমানে মৃত্যুবৰণ কৰে
হাঁহি হাঁহি
কিছুমানে মৃত্যুবৰণ কৰে
নেজানি নুবুজি।
এইদৰেই শাসিত হৈছে
পৃথিৱীখন
হায়!
কি যে আমাৰ দূৰ্ভগীয়া জীৱন।



# Nabajyoti College and My Experience

**Omar Ali Ahmed**
Retired Principal In-charge,
Nabajyoti College, Kalgachia.

I came to Kalgachia on 12th August 1971 to join as a lecturer in the Department of History, Nabajyoti College, Kalgachia. My formal appointment was issued on 16th August 1971 and I joined on the same day. I retired on 30th September 2009. During this long period, I served the college in different assignments as Head of the Department of History, In-charge Vice Principal for about three years against lien leave of M.M. Hussain who joined as member of Assam Public Service Commission; Principal in-charge against whole time Principal A.S. Ahmed who contested in the Assembly election of 1996 on lien leave. I served as the college Programme Officer NSS for fifteen years and took training at Sriniketon, Viswa Bharti, West Bengal in 1980, Staff Unit Secretary (Teaching) about 12 years, President of the Unit for two years and president of the non-teaching unit for one term. I was also associated with local educational institutions and social works.

I took over the charge of Principal In-charge on 01-01-2006 after the retirement of M.M. Hussain, Principal in-charge of the college on 31st December 2006.

Here I would like write few words on the following points:

1. The idea and the establishment of the college
2. Socio-economic condition of the people of the area.
3. Collection of funds, approach and response.
4. Guardians
5. Teachers-students relations and the role of the teachers
6. Examination system
7. Remembrance of the past lectures

Nabajyoti College, Kalgachia was established in 1971 and the man who first thought and dreamt to establish a college in this religious minority area centering Kalgachia was Ramiz Uddin Ahmed, a subject teacher of History at Barnagar Higher Secondary and multipurpose School and he is my elder brother. A short history of Nabajyoti College has already been published in the prospectus of the college in 2006, 2007, 2008 and 2009 and there the names of the patrons and well wishers of the college have been mentioned.

The dream of Ramiz Uddin Ahmed came in to being in 1971 when some social leaders (Though not highly qualified) realized the need of a higher educational institution for their next generation.

The names of those persons with whom I personally sat and talked to, be mentioned here acknowledging their love for higher education and sacrifices for the establishment of Nabajyoti College. Their names always be remembered and written in the history of Nabajyoti College. They are:

1. Late Alhaj Moslem Uddin Ahmed, Langla
2. Late Abdul Kader Babu, Barbhita
3. Late Alhaj Bahar Uddin Ahmed, Gunialguri
4. Late Abdul Kaddus Dewani, Kalgachia
5. Late Muzafar Ali Bhuyan, Balaipathar
6. Late Iman Ali Master, Klagachia
7. Late Sahab Uddin Sarkar, Kharballi
8. Late Kudrat Ali Talukdar, Kalgachia
9. Late Easin Ali Mondal, Kalgachia
10. Late Alhaj Abdul Khaleque Sarkar, Kalgachia
11. Late Alhaj Intaj Ali Choudhury, Khudrakuchi (Balagaon)
12. Late Rajen Choudhury, Mouzadar, Rupsi
13. Late Main Uddin Munshi, Balikuri
14. Late Dr. Abul Hussain, Balikuri
15. Late Abdul Karim Dewani, Kalgachia
16. Late Refaz Uddin Ahmed, Amguri
17. Late Abdul Hamid Khan, Balarpathar
18. Late Ramada Roy, Sorbhog
19. Dr. Sorhab Ali, Bechimari
20. Abdul Kader, Digjani
21. Late Ijab Uddin Bepari, Kalgachia,

and many others who were well wishers of the college.

Among the educated persons the names of the following be always remembered for their outstanding contributions for the establishment and development of the college.

1. Late Abdur Rezzaque, Ex-lecturer Barnagar College.
2. Late Dewan Abdul Hamid, Principal Chakla HS School.
3. Late Sk. Hashem Ali, Principal, Langla H.S. School
4. Abdul Kaddus Khan, Retired Principal, Chakla H.S. School.
5. Solim Uddin Ahmed, Retired Principal, Langla H.S. School.
6. Late Motior Rahman, Retired Principal, Gunialguri H.S. School
7. Abdul Hamid, Retired Head Master, Balagaon High School.
8. Ashraf Ali, Retired Principal, Balikuri H.S. School
9. Abul Kashem, Retired Principal, Janapriya H.S. School, and many other teachers of H.S. Schools, High Schools, M.E. Schools and LP Schools.

Moreover, the indomitable support and will of the general public too contributed a lot to the establishment of the college. In my writing I must mention the names of two persons who were secretaries of the college at venture stage. They are-

1. M. Mozammel Hussain, Founder Secretary, Vice Principal and retired Principal In-charge of Nabajyoti College, Klagachia. and
2. Moiz Uddin Ahmed, a social leader of Balagaon who remained as secretary of the college from 1976 to 1979.

The college was brought under deficit system of grant in aid in 1979 during the government of Janata Party. Srijut Lakshyadhar Choudhury the then Education Minister of Assam be always remembered for his good will of bringing the college under deficit system of grant-in-aid along with other thirteen colleges of the state. The science stream was started in 1982 and it came under deficit system of grant-in-aid in 1992. The college was inspected by the NAAC in 2003 and was awarded Grade 'B'. During the NAAC inspection I acted as NAAC coordinator.

The socio-economic condition of the people of the catchment's area of the college is still very poor. There are three





rivers surrounding the greater Kalgachia. The river Brahmaputra in the southern side, the river Beki in the eastern side and the river Manah in the western side. The devastating flood and erosion of the three rivers destroy harvest of the people almost every year. Moreover, the erosion of the three rivers induces thousands of internally displaced persons. Over and above 70% people are cultivators and are socially and economically backward. Yet the people donated for the development of the college from all possible corners. I still remember people donated from 10 paisa to 100 rupees and more. Many people also donated in kind. This enthusiasm of the people encouraged us tremendously.

Everywhere, whenever a new educational institution is set up, top priority is given to the collection of fund. In the early stage several groups headed by local social leaders were sent to different villages for collection of fund. Even the lecturers of the college in leisure time and on holidays went for collection of fund. However, other sources of income for the college came as profit from Circus Party, Musical Nights, Football Competitions and lottery. Another income of the college came from Kalgachia Bazar. We collected donations from Langla, Kharichala, Balikuri, Janata, Moinbari and Sunpura Bazar through donation receipts. It must be mentioned here that teachers beginning from Primary Schools to Higher Secondary Schools donated for the development of the college during venture stage of the college.

The lecturers of the Arts Stream of the college paid monthly donation for the development of the science stream. Before NAAC inspection of the college in 2003, at the donation of the lecturers, the Conference Hall of the college was built. Later on a laboratory is also constructed at the backside of the Conference Hall at the donation of the lecturers. The Gas plant of the college was also constructed at the donation of the lecturers. The people of Titapani Mauza donated the Science laboratory for higher secondary classes.

The lecturers and the non-teaching employees of the college not only donate for the development of the college, but also donate large sum of money to the needy people suffering from serious diseases. The lecturers also donate money to different function and other charitable

works. The lecturers of the college extend help to poor students at the time of their admissions and filling forms of all final examinations.

Guardians are the main part of educational system and without their active participation the educational institutions can not develop. Only the teachers and students can not achieve academic development of an educational institution. Active participation, strict vigilance and proper care upon the students of every guardian are mostly necessary for achieving good results. During my long service period of more than thirty eight years what I have found is that as most of the guardians are illiterate, they do not realize the responsibility of their wards. Even some educated guardians, I have noticed, do not take proper care of their wards. To my opinion this is due to ignorance and lack of awareness of their responsibility.

In this conversation I like to mention here that after taking charge of the Principal In-charge of the college on 1-1-2006, I introduced the system of informing guardians in prescribed format the results of the Unit Tests, Test Examinations and percentage of class attendance so that the guardians can take proper care of their wards. Those students who can not do well in the examination were advised to bring their guardians to the office of the Principal for discussion and suggestions. Many guardians came to me and those who could not come physically wrote letter assuring me to take proper care of their sons and daughters. As a result of this system there grew up a cordial coordination between the college authority and the guardians and thus the guardians have got involved in educational system. I always advised the students to keep close contact with the lecturers for course consultation and suggestions. The results of the college were satisfactory during the tenure of my Principalship.

In this context it may be mentioned that teachers-students relations should always be cordial and friendly. But the students must have respect and loyalty to the teachers. Otherwise the co-ordination between the two does not develop. The co-ordination between the teachers, students and the guardians creates an atmosphere of quality education in the present context





of the globalization of education.

A model teacher can inspire the students and the inspiration can mould their future career. What I have found in Nabajyoti College is that only a few students approach the teachers for course consultation, suggestion and other problems of their lessons. I have found many students do not like to answer course related question in the class. On the contrary the students do not dare to ask questions to the teachers in their classes. One thing I must not leave untouched here is that the mass use of mobile phone by the students is hampering the academic atmosphere of the college. This use of mobile phone by the students should strictly be prohibited. It is also not possible for the Principal and the teachers to check and control the use of mobile phone. It can be controlled by the guardians only as the guardians pay expenditure of the phone.

I have noticed that the students of the college are not interested in different games, sports and other extra curricular activities like music, debating, extempore speech, quiz and drama competition. Only during college week few students participate in different events. Of course, during last three years, at my initiatives, some students participated in cricket tournaments, inter college athletics and debating competitions and own prizes bringing name and fame to the college.

I personally took interest and encouraged the girls' students of the college to join NCC. NCC wing for the boys' was there earlier in the college. But there was no NCC wing for the girls. The girls' students were enrolled and separate arrangement for their training has been made. One girl student participated in a special camp at Simla where she was declared as best NCC Cadet and was felicitated by the district authority of Barpeta.

Teachers are the most important source of knowledge and information providers to the students of every educational institution. The following quotation will help the teachers to understand their duties. "A teacher can never truly teach unless he is still learning himself. A lamp can never light another lamp unless it continues to burn its own flame. The teacher who has come to this end of his subject, who has no living traffic with his knowledge but

merely repeats his lessons to his students, can only load their minds. He can not quicken them." Tagore

Lecturing has always been considered as traditional and central rule and responsibility of a teacher to give the students the knowledge, information and understanding on a topic based on curriculum. The personality of a good teacher becomes model for the students who adopt the ideas, behavior in their personal life. A good teacher always tries to understand the problems of the students either in the class room or outside. He also helps the students to solve their problems. Friendly relations between the teachers and students create a healthy academic environment of the institution. To achieve this healthy academic environment every teacher and the students must be sincere, regular, punctual and well disciplined for their day to day works. Grouping among the teachers and students destroy the harmonious academic atmosphere of an educational institution. This is unwanted. A student should always be involved in reading, writing and discussing their lesson with one another. Hard works give good results and make life happy.

Traditional examination and evaluation system can not give proper justice to the students. Therefore, it needs to be changed and semester system should be introduced. It gives to a great extent proper justice to the students. This system makes the teachers and students alert and active in their daily duties.

At last I would like to express my gratefulness to those lecturers who came to Nabajyoti College and served in different departments of both Arts and Science streams particularly during venture period. I remember all those lecturers on the day of my retirement from the service on 30th September 2009. Lastly, I would like to pay my homage to Sri Lambit Konwar, Head of the department of Philosophy who embraced immature death and left for heavenly abode. May his soul rests in peace. I also thank to those lecturers who are performing their duties sincerely, regularly and having respect and loyalty to their profession.

Hope Nabajyoti College will become a centre of excellence in near future.

❀ ❀ ❀





# The Role of Higher Education and Social Change.

Md. Ramzan Ali
Sr. Lecturer, Dept. of Edu.

**Introduction:-** As such higher education has a vital role to bring development and innovation in the society, so social scientists have been giving thought to this important issue. In evitably, they held extremely differing views on the relationship between education and society. At one end of the spectrum education is considered the most important 'ideological state apparantus' devised by the ruling classes to ensure that society largely conforms to their ideals and interest.

At the other end are many social scientists, politicians, educationists and educational planners who consider education as a very important instrument, if not the most important one, of social change. This, they maintain especially in the context of the third world countries. For instance. "The report of the education commission (1964-66) bearing an eloquent enough title, Education and National Development – makes the even stronger assertion that for achieving "Change on a grand scale---there is one instrument, and one instrument only, that can be used; Education" The commission also believed that, "Infact what is needed is a revolution in education which in turn will set in motion the much desired social, economic and cultural revolution." The sequence is therefore very clearly indicated between education and social change.

There are two characteristics of man which distinguish him from other species. First, man shares with others a common life, a common culture; in other words he lives in society. As worsely puts it, "Man is man because he shares a common culture---- not only (of) its living members but also members of past generations and those yet unborn."

Secondly, most of his behaviour is learned, not instinctive. Socialisation is a process through which man learns to live in social groups, to participant in their productive activities and cultural life. Through this process of socialization culture is transmitted from one generation to another. Education or deliberate organized instruction is a part- only a part, but an

important part– of this process of sociatlisation.

**Present position of Higher Education:-**

Higher education in India stands as an immobile colossus– insensitive to the changing contexts of contemporary life, unresponsive to the challenges of today and tomorrow, and observed so completely in trying to preserve its structural form that it does not have the time to consider its own larger purposes.

Its maladies have been investigated by an unending chain of committees, working groups, taskforces and commissions, who have produced weighty reports embodying recipes for reform and panaceas for progress. All this labour, however, appears to have left the system untouched ; the giant keeps on growing but only in bulk. Discontent with it grows because it is disfunctional and irrelvant. Every passing year makes the convulsion with it more frequent and violent. Today a university can count itself lucky if it can function for eighty to ninety days a year in relative peace.

The pervasive discontent and periodic outbursts of violence in universities and colleges are so conspicuous that we often fail to notice the other crises destroying the soul of higher education.

If we can evolve a national consensus on its objectives and can develop the muscles for moving towards their realisation, we would also be on our way to meeting the crisis of confidence and the corrosive cynicism growing all-around. This does not happen from time to time laudable objectives are set, but in terms of implementation they prove to be empty rhetoric. The younger generation is cheated. The country still has vast reserves of talenteager students as well as teachers with imagination and commitment left almost untapped. It is time we explore why they get disenchanted with the university system. The aimlessness of the drab academic routine frustrate the keen student who seeks something more than shreds and patches of information offered to him as knowledge.

**Problems related to higher education:-**

The problem of relevance has not received the Critical scrutiny it deserves: the crisis is perhaps the most acute in this sphere. Professor D.S. Kothari has said, "In a science-based world, education and research are crucial to the entire developmental process of a country, its welfare, progress and security." Does our university system offer an adequate understanding of the science based contemporary world ? Or, of the powerful forces shaping the destiny of man ?

Let us now turn briefly to the most explosive of our problems– the problem of numbers. The need for trained manpower will continue to grow as our society registers further technological advancement. We shall need more institutions of higher learning, but our need will be for "trained competence"– for men and women with sharpened problem-solving capabilities and not for degree-flourishing horoles having only vague in inadequate acquaintance with the other field of learning.

A great deal of confusion continues to prevail in respect of who should receive higher education. This is compounded by woolly thinking and uncritical pronouncement by those who should know better. Misguided political support to demands for an "open door" policy in state supported institutions of higher learning has caused a steady decline in academic standard, setting off a chain reaction that has brought higher education to a dead end.

**Observation:-**

To cope with the crises, higher education will need high calibre management, of this, we have little evidence. On the contrary, the first quarter century of India's independence has witnessed a steady decline in the quality of leadership in the institutions of higher learning.'

The office of vice-chancellor has lost much of its former dignity. An aggressive student minority can hold a vice-chancellor to ransom at will. Run away politicians and irate university senators constantly needle the vice-chancellor who has also to face a wooden state bureaucracy and some very temperamental ministers. Even some chancellors are known as adopt a highly partisan attitude.

There is evidence of growing rift between the UGC on the one land and the universities and individual academicians

on the other. This institutions must not be allowed to lose credibility.

Innovative institutions like IITS and JNU were expected to become pace-setters for the older universities. This has not happened; the crises-ridden IITS now appear to be moving in the direction of adopting the discredited old system and JNU's contradictions are becoming increasingly apparent. The much debated examination reforms do not appear to be anywhere in sight.

Higher education in India will have to adopt and promote the values of democracy, social justice and secularism.

As a mechanism of socialisation it should prepare the generation under its change for a new design for living.

To conclude, let us recapitulate the major tasks ahead. 1. We must redefine the objectives of higher education. 2. We must revive confidence in the system of H.E. 3. It has to be made relevant to the changing context of life and national needs. 4. We have to take some hard decisions regarding the growing numbers of those unprepared for and unable to take advantage of H.E. 5. We must evolve an effective strategy for the management of H.E.

❀ ❀ ❀







# Political Philosophy of M.N. Roy : A Critical Study

Mainul Hoque Choudhury
*Lecturer, Deptt. of Philosophy*

Creative thoughts of every genius is at once a continuity and crisis, and political thought of M.N. Roy was no exception. It is continuity because these thoughts are in a sense continuation and completion of the political thinking of previous thinkers. It is a crisis because it shows a definite break with the past and ushers in new thoughts and novel orientation exhibiting the originality of M.N. Roy as a political thinker of highest order.

M.N. Roy has been universally acknowledged as one of the greatest thinkers and activists of left orientation. He was a great revolutionary, a profund Marxist thinker and out and out a humanist,of course, with a difference. Roy's political ideology begins with his commitment to Marxist political thinking, the Communism. He was one of the chief founders of China's, Mexican and Indian Communist Party. But lateral life he broke away from Communism to found his own political party i.e. Radical Democratic Party in the year 1940. After 1948 he devoted full time and energy to Radical Humanist movement which is also known as "New Humanism."

The transition from Communism to New Humanism via Radical Democratic Party is not only interesting but it is also indicative of Roy's growing intellectualism and inherent fundamental love for man qua man.

M.N. Roy was born on 21st of March 1887 in a Brahmin family at Arabalia village in 24 Pargana District in Bengal. His original name was Narendarnath Battachaya. He was the fourth child of his father by his second wife. At the age of 14, when he was still school student, Naren involved in underground revolutionary activity. In the course of his underground work, Naren was involved in a number of political dacoities and conspiracy cases. He was arrested several times for dacoity and conspiracy cases and was on under trial prisoner along with his leader Jatin

Mukharjee about a year for drew up a plan of an armed insurrection to over through the British rule in India and was rusticated from the school. The underground organization known as Jugabtar Party, Naren was main fund collector of the party, for collecting funds, he had to organizes a number of political dacoities.

On the eve of first world war, which communicated in August 1914, Naren and Jatin Mukharjee had several meeting with the German consul General in Calcutta for discussing the possibility of German help for an armed insurrection in India, Naren was send to Vatabia in the Dutch East Indies (now Indonesia) to prepare a plan to receive German arms for the Indian revolution in April 1915, during the course of which it was agreed that German arms would be diverted to the Sundarbans where the cargo would be unloaded, dispatching them to different centers. But for some reasons the cargo ship of arms did not arrive. Naren went to Vatabia second time, he prepared a plan to get arms through a German Ship to Andaman Islands and to transport the arms thereafter to the Orissa Cost. The German, however, were not sufficiently co-operative. Naren therefore went to Japan in search of arms and from there, after evading the Japanese police, to China. At Hankow, Naren actually concluded a concrete agreement with Chinese leader for the sale of arms which were to be delivered at the Indian frontier in the tribal area of Assam. With this agreement, Naren went to Peking and there he learnt about the death of his leader Jatin Mukharjee in a clash with police in the Sundarbans in Bengal. This deemed the prospects of a successful armed insurrection. Nevertheless Naren decided to escape to Barlin as suggested by the German Ambassador in Peking. He managed to cross the Pacific Ocean and landed at San Francisco on 14 June 1916. Naren's arrival in San Francisco was some how published in the local press, and therefore came under the notice of the police, finding difficult to move about in San Francisco he went to the neighboring town of Plo Alto, the seat of Stand ford University, where he adopted the name of M.N. Roy.

Having come to a dead end in his search of arms, Roy began a serious study of, basic books on socialism. He was, however, not able to remain in America





for long time. America joined the world war in June 1917, and soon thereafter a criminal case called Hindu-German conspiracy case was instituted in San Francisco Roy was arrested but was released on personal bail. He managed to evade the surveillance of the police and found his way to the neighboring country Mexico in March, 1917. In Mexico he learnt Spanish, began writing fluently in that language, made friends with America and Maxican intellectuals and scholars, and became a confident of the president, Venustiano Carraze. He came in to close contact with the socialists and finally established the first Communist Party out side Soviet Russia. He was the first Chairman of the first National Conference of the Mexican Socialist Party. In 1919 Michael Borodin, the representative of the Communist International came to see Roy. Borodin requested Roy to go to U.S.S.R. and meet Lenin.

Personally invited by Lenin, he arrived in Moscow via Spain and Germany in May 1920, to attend the second Congress of the Comintern. Roy prepared supplementary Thesis on National and Colonial Question. Which he presented and was accepted with some amendments along with Russian revolutionaries. This was his contribution to the comintern's and marked out him as the principal Marxist theorist an Asia. Moving to Toshkent, he next become instrumental to forming Communist Party of India in exile in October 1921. Roy however set up on Indian Political and Military school for the training of Indian at Tashkent and later on he established the Communist University of the Toiler of the East in Moscow. In 1922 his major book "India in Transition" is published. In the meantime to promote revolutionary anti-imperialist movement in India, Roy shifted his headquarters from Moscow to Barlin, but become of his revolutionary activities, Roy was expelled from Germany. He then transferred his headquarters to Zurich, from there to French. At each of three places, arrangements were made for the publication of his fortnightly journals. He had communication with Muzaffar Ahmed, Dunge, Shaukat Usmani and others in India to from a underground Communist Party and an open People's Party,

which would champion the economic demands of peasants and workers. In 1926 Roy han reached the highest position of his career in the Communist International. He was elected as a full member of Presidium, and a member of Comintern's Secretariat and the Orgburo, at the sixth Plenum of the Comintern's Executive.

The seventh Plenum of the Executive Committee of the Comintern considered the Chinese situation in the meeting held in Moscow. Roy urged that Chinese revolution should be developed as an agrarian revolution based up on the economic demands of peasants. His view was accepted and the Theses draft by him were passed by the executive committee. It was decided that Roy should be sent to China to look after the implementation of the Theses. Michael Borodin was also another representative of the comintern sent to China. The Kuomintang, however, had changed a great deal since the death of Dr. Sun Yet-Sen and Chiang Kai-Shek, who had succeeded him, was rigidly anti-communist. The massive massacre of Communists he organized in Sanghai. For several years later, the Chinese Communist Party under the leadership of Mao Tse Tung succeeded, it was in essence an agrarian revolution.

When Roy returned to Moscow, he found himself in a strange situation. The power struggle within the Communist Party of the Soviet Union between Stalin and opponents had reached a critical position. Though Roy was not directly involved, he did not support the Comintern's Presidium as late as its Ninth Plenum in February, 1928. He knew that his independence had cost him Stalin's support. In the meantime Roy operated upon for mastodities of his left ear in Berlin and completed his major work called "Revolution and Counter Revolution in China." In September 1929, he was officially expelled from the communist International as because his main offence was his "Claim to the right of independent thinking."

Roy was determined to return to India although there was no doubt that he would be arrested in India due to Kanrup Conspiracy case. Travelling via Istanbul and Baghdad, he himself reached Karachi on





11th December 1930.On reaching Bombay, Roy met leaders like Jawaharlal Nehru and Subhas Bose. Roy remained underground in India for about seven months before his arrest. Eventually Roy was arrested in Bombay on the 26th July, 1931 and was sentenced to six years rigofous imprisonment, during this period he wrote some important books in Jail like Fascism, Historical Role of Islam, Materialism, Idea of Indian Womanhood etc.

On November 20, 1936, Roy was released from Jail. After his release, he joined the Indian National Congress and became a member of the A.I.C.C. on 4th of April, 1937, he started his weekly magazine "Indepedent India." In the Congress, Roy always endeavoured to grow an alternative leadership. He was a staunch critic of Gandhism. As a mark of protest, he also contested the election for the Presidentship of Indian National Congress at Ramgarh session. He lost the election and Maulana Abdul Kalam Azad was elected President. Dissatisfied with the Gandhian group of Congress, he form the league of Radical Congressmen in June 1939, which become the Radical Democratic Party.

The Party organized an all India conference held in Calcutta in December, 1948, Roy's speeches of the conference published as a book 'Politics Power and Parties.' On the dissolution of the Radical Democratic Party, the followers of Roy lunched a movement called the 'Radical Humanist Movement' which become the Radical Humanist Association and later exponents like the 19th century German Philosopher, Luduing Feuerbach, put human beings at the centre of the Universe, its basic massage being most eloquently encapsulated in the Greek Sophist Protagorus celebrated aphorism, "Man is the measure of all thing." Also, it Proclaimed the sovereignty of human reason, freedom to be the principal end of all human activity. Roy's seminal contribution embodied in his New Humanism and the classic, Reason, Roanticism and Revolution, was to explain human rationality in terms of the law-governed nature of the universe manifesting itself in the form of the laws of thought functioning at the level of intelligence and will. Also, starting

that the quest for freedom and search for truth constituted the basic urges of human progress, and calling humankind the archetype of history, he traced the latter as a continuous process of expanding human freedom through the constant widening of the area knowledge.

M.N. Roy was a Karma-Yogi. He never cared for political success nor for the consequences of his thoughts or actions. Reason alone was his guide and the good of man was his only concern. Had he has been less gifted, he would have been probably more successful as a politician. He has been described as a prophet of a new age. M.N. Roy passed way as a result of a hart attack on 25th January 1954. While all makes Roy the most important humanist of 20th century.

❖ ❖ ❖





নবজ্যোতি মহাবিদ্যালয় আলোচনী

## Our Village

A.S. Ariful Hussain
TDC 3rd Year (Arts)

Oh traveller ! look back to our village
Shady trees and bushes with pleasure
Flowers and flies with beauty
White birds and animals with peace
Lads and wenches with garland
Father's and mother's with blessing
Are awaiting you
Poor and illiterate are the villagers
Simple and plain to live
Tolerent and hard to work
Oh stranger ! here is the village graveyard
Many unimportant and neglected
Time's victims are they
Many Aristotle and Platos
Consumed by its earth
Deprived of privilege and scope
Hence not history knows them
Yet, liberal death is their only resort
As it levels all, the rich and poor
And grave is their ultimate goal.



❀ ❀ ❀

## A Day in Your Life

Rokibul Islam (Sotobabu)
TDC 1st Year (Arts)

A day of sorrow, a day of pain,
A cloudy day;
A day of loneliness, trouble and strife,
Are some kinds of days, you will find in your life.

A day of happiness, a day of glee,
Filled with the songs of the birds and the humming of bees.
A day without trouble, a day without strife,
Are also some kinds of days, you will find in your life.

But you'll have to work for your happiness,
And you just can't sit, hoping that happiness would always come your way.
Plan a happy day to come,
If your plans are carried out well, your day will be grand.

So, why not try planning a happy day right from today.
And let joy and happiness come your way.

❀ ❀ ❀





## Incomplete Story

Rafikul Islam
TDC 3rd Year (Arts)

Lost in my own world
I am living life my own way,
Till you meet me alone.
Your smile, your laugher
Attracts me your love.
I feel great peace in my heart.
Like the heaven you abode.
Your annoyance, your anger
I don't think as anger
As my love hold for you
I have in my heart.
Some thing for you.
Your affection your blessing.
What do I get from these ?
I don't want any more
If you meet me sure
If you go far from me.
How will life live on ?
A story your's and mine
Will remain incomplete.

❀ ❀ ❀

## Butterfly

Aminul Islam
TDC 2nd Year

Butterfly Butterfly
From where have you come
To my small garden

How beautiful are you
With ornaments
On your wings
I like to see you.



Playing in my garden
If you are tired
Please sit in the red flower.
And suck neeter
But do not go out.

From my small garden
Breaking my little heart.

❖ ❖ ❖





## The Recipe of Your Love

Md. Shofikul Islam(Barobabu)
TDC 2nd Year (Arts)

I pick up a few precious moments we had spent together,
I remove the pain and grief, if present among those moments,
I then take plenty of your care in a pan,
And I mix your love with it.

Then, I try the mixture till it turns golden,
A bowl of your affection is then added to the mixture.

The spices of your warmth and friendliness are added into it,
The sweetness of your smile gives a sweet taste to it,
Your concern garnishes the dish,
And finally, I serve the sweet dish of your friendship and love to me.

❖ ❖ ❖



# A Psalm of life

Nipan Roy
TDC 3rd Year (Arts)

Tell me not, in mournful numbers,
"Life is but an empty dream"
For the soul is dead that slumbers,
And things are not what they seem.

Life is real, life is earnest
And the grave is not its goal;
"Dust thou art, to dust returnest"
Was not spoken of the soul.

No enjoyment, and not sorrow,
Is our destined end of way;
But to act, that each tomorrow
Finds us farther than today.







# What is life ?

Surojit Saha
TDC 3rd Year (Arts)

Life is a challange
Meet it.
Life is a gift
Accept it.
Life is an adventure
Dare it.
Life is a sorrow
Overcome it.
Life is a tragedy
Face it.
Life is a duty
perform it.
Life is a game
Play it.
Life is a mystery
Unfold it.
Life is a song
Sing it.
Life is an oppurtunity
Take it.
Life is a journey
Complete it.
Life is a promise
Fulfill it.
Life is a love
Enjoy it.
Life is a beauty
Praise it.
Life is a spirit
Realize it.

## Why do you bear

Mahabubar Rahman (Babul)
TDC 2nd Year (Arts)

I know not
Why do you bear with
The burden of separation,
I, m ready to keep the
Flame of our relation
Because,
Your glistering eyes are
Only my looking glass,
Your lips suck forth my soul
Where I offer up
[illegible]ny kisses as the seahath sand.

❀ ❀ ❀





## That was my Memorable Incident

Mizanur Rahman
H.S. 1st Year (Arts)

That was my memorable incident
When you stoped my running
In my path
At the turning.
Suddenly, I am attracted
By an unknown feelings
That was your sweety voices smiles.
And then, I have dreamt a dream of you
That is bitting yet me
That was your endless LOVE
And I was the HAPPY one
Which was my memorable incident.

❖ ❖ ❖





## উপ-সভাপতিৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদন লিখাৰ প্ৰাকমূহুৰ্ত্তত মই সচাঁকৈয়ে ভাবিবলগীয়া হৈছো যে, প্ৰকৃতাৰ্থত প্ৰতিবেদনত লিখিবলগীয়া কাৰ্য মোৰ দ্বাৰা হৈছে জানো। মানৰ মনে দুৰন্ত গতিৰে কাম কৰাৰ মানস ৰখাৰ দৰেই মোৰো তেনেকুৱা কিবা এটা কৰাৰ দুৰন্ত আশা আছিল। কল্পনাবোৰক বাস্তৱত ৰূপায়িত কৰাৰ যথেষ্ট প্ৰয়াস নকৰা নহয়। অৱশ্যে তাক নিৰ্ণয় কৰাৰ দায়িত্ব মোৰ নহয়, সেই দায়িত্ব ন্যস্ত থাকে নৱজ্যোতিৰে জ্যোতিষ্মান সকলৰ হাতত।

২০০৮-০৯ ইং বৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছতেই আমি অনুষ্ঠিত কৰিবলগীয়া হৈছিল "মহাবিদ্যালয় সপ্তাহ"। অতি কম সময়ৰ ভিতৰত সীমিত পৰিকল্পনাৰে সমাপ্ত হোৱা "মহাবিদ্যালয় সপ্তাহ" কিমান দূৰ সফল হৈছে সেয়া সুধীজনৰ বাবে এৰিছো। মহাবিদ্যালয়ত মোৰ পাঁচ বছৰীয়া শিক্ষাকালত আমি পৰিচালনা কৰা "মহাবিদ্যালয় সপ্তাহ"টোতেই কিছু নতুনত্বৰ প্ৰভাৱ পৰা বুলি কব পাৰো।

মহাবিদ্যালয়ত অনুষ্ঠিত কৰা অনুষ্ঠানবোৰত আমি মাথো ৰং-ৰহইচ হে কৰিব বিচাৰো কিন্তু কোনেও মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ বাবে গঠনাত্মক কাম কৰিব নিবিচাৰো। কাৰণ আমি মাথো সমালোচনাহে কৰিব জানো, আত্ম সমালোচনা কৰিব নাজানো।

মোৰ কাৰ্য্যকালত প্ৰতিটো দিশতে সু-পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় ওমৰ আলী আহমেদ চাহাবলৈ মোৰ আন্তৰিক শলাগ যাচিছোঁ। বিভিন্ন বিভাগৰ তত্বাৱধায়ক মহোদয়/মহোদয়াসকলৰ প্ৰতিও তেওঁলোকৰ সুপৰিচালনাৰ বাবে আন্তৰিক ধন্যবাদ জনাইছোঁ। সাধাৰণ সম্পাদক ৰেজাউল বাছুল হক প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ আন সম্পাদক/সম্পাদিকা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে মোৰ প্ৰতিটো সিদ্ধান্ত তথা পৰামৰ্শ মানি চলাৰ বাবে তেওঁলোকৰ ওচৰত মই কৃতজ্ঞ থাকিম।

শেষত যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ তথা প্ৰচেষ্টাৰ ফলত আজিৰ এই মহাবিদ্যালয় স্থাপন হৈছিল তেখেতসকলৰ চৰণত সভক্তি নিবেদন কৰিছোঁ।

পৰিশেষত, মোৰ কাৰ্য্যকাল তথা এই প্ৰতিবেদনৰ সমূহ ভুলৰ মাৰ্জনা বিচাৰি, নৱজ্যোতিৰ জ্যোতি প্ৰখৰতা বাঢ়ক তাৰেই পৱিত্ৰ মানস ৰাখি প্ৰতিবেদন সমাপ্ত কৰিলোঁ। ইতি-

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে-
**আবু তালেব মিয়া**
উপ-সভাপতি, ছাত্ৰ একতা সভা।







## সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰু জাতীয় মুক্তিৰ হকে আত্ম বলিদান দিয়া জ্ঞাত অজ্ঞাত ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে নিৰ্য্যাতিত সকললৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰি প্ৰতিবেদনৰ শৰাই আগবঢ়ালোঁ।

২০০৮-০৯ ইং বছৰটোৰ বাবে নৱজ্যোতি মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাবে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ আগবঢ়োৱাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এই বেলি মহাবিদ্যালয় সপ্তাহৰ প্ৰথম দিনাখন মহাবিদ্যালয়ৰ সেউজীকৰণ কোষ আৰু ছাত্ৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ যৌথ উদ্যোগত মহাবিদ্যালয় চৌহদত বৃক্ষৰোপন কাৰ্যসূচী সফলতাৰে পালন কৰা হয়। ইয়াত শিক্ষাগুৰু সকলৰ লগতে বহু ছাত্ৰ-ছাত্ৰীয়ে স্বইচ্ছাই শ্ৰমদান কৰি সেৱাৰ মনোভাৱ প্ৰদৰ্শন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা মাননীয় শিক্ষাগুৰু সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালত নানা দিশত সহায় আৰু পৰামৰ্শ আগবঢ়োৱা ব্যক্তিসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় কদ্দুছ আলী চাহাবে কাৰ্যক্ষেত্ৰত যি সহায়-সহযোগ আগবঢ়াইছিল তাৰ বাবে মই অধ্যাপক ডাঙৰীয়ালৈ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। বিভিন্ন দিশত প্ৰয়োজনীয় উপদেশ দিয়া মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু অধ্যাপক, অধ্যাপিকাসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাত অজ্ঞাত ভাবে হোৱা ভুল ক্ৰটিৰ ক্ষমাৰ লগতে আশীৰ্বাদ বিচাৰি মই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"

ধন্যবাদেৰে-
**ইলিমা খাতুন**
সম্পাদিকা, সমাজ সেৱা বিভাগ।



## সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাত নিতেই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু অধ্যাপক, অধ্যাপিকাসকললৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। যি সকল মহান ব্যক্তিৰ আপ্ৰান প্ৰচেষ্টাৰ ফলত আজি কলগাছিয়াৰ নিচিনা সংখ্যালঘু অধ্যুষিত অঞ্চলত এই মহাবিদ্যালয়খন গঢ়ি উঠিছে সেই মহান মানীষীৰ ভিতৰত জীয়াই থকা সকলক ধন্যবাদ জনালোঁ আৰু আমাৰ মাজৰ পৰা চিৰ বিদায় লোৱা সকলৰ আত্মাৰ সংগতি কামনা কৰিলো।

যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ মহামূল্যবান ভোটত মই নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হ'ব পাৰিছো তেওঁলোকক আন্তৰিক অভিনন্দন জনাইছোঁ।

মোৰ কাৰ্য্যকালত এইখন মহাবিদ্যালয়ত বিভিন্ন সময়ত অনুষ্ঠিত হৈ যোৱা স্বাস্থ্য বিষয়ক কৰ্মশালা, নিয়োগ সম্বন্ধীয় কৰ্মশালা, প্ৰাকৃতিক দুৰ্যোগ উপশম কৰ্মশালা, সদৌ অসম শিক্ষক সন্থাৰ (বৰপেটা মণ্ডল) ৰ বাৰ্ষিক অধিৱেশন আদি অনুষ্ঠিত হৈ যায়। এই সকলোবোৰ গুৰুত্বপূৰ্ণ অনুষ্ঠানত ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাই পূৰ্ণ সহযোগিতা তথা শ্ৰমদান কৰাত গৌৰববোধ কৰিছোঁ। মই ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ লিখা-পঢ়া, খেল-ধেমালিৰ ক্ষেত্ৰত সাম্ভাব্য সকলোধৰণৰ পৰামৰ্শ দিছো আৰু ছাত্ৰ একতা সভাৰসমূহ সম্পাদক-সম্পাদিকাই যিকোনো ক্ষেত্ৰত পৰিপূৰ্ণভাৱে এই মহান দায়িত্ব নিয়াৰিকৈ পালন কৰিছোঁ। বিশেষকৈ পৰিৱেশ বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ সেই মহূৰ্তবোৰে আমাক বাৰুকৈ উদ্বুদ্ধ কৰিছে।

মোৰ কাম কাজত সৎ উপদেশ দি উৎসাহিত কৰা আমাৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু অধ্যাপক-অধ্যাপিকা, ছাত্ৰ একতা সভাৰ সমূহ সদস্যসকলক মই আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। সদৌ শেষত মোৰ কাৰ্য্যকালত হোৱা জ্ঞাত অজ্ঞাত ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদন শেষ কৰিছোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয় আই অসম"

ধন্যবাদেৰে-
আলিয়া খাতুন
সহঃ সাধাৰণ সম্পাদিকা,
ছাত্ৰ একতা সভা, নৱজ্যোতি মহাবিদ্যালয়,
কলগাছিয়া।







## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন লিখাৰ প্ৰাকমূহূৰ্তত আজি মোৰ দকৈ ভাৱিবলগীয়া হৈছে যে প্ৰকৃতাৰ্থৎ প্ৰতিবেদনত লিখিবলগীয়া কাৰ্য্য মোৰ দ্বাৰা হৈছে জানো। মানৰ মনে দুৰন্ত গতিৰে কাম কৰা মানস ৰখাৰ দৰেই মোৰো তেনেকুৱা কিবা এটা কৰাৰ দুৰন্ত আশা আছিল। কল্পনাবোৰক বাস্তৱত ৰূপায়িত কৰাৰ যথেষ্ট প্ৰয়াস নকৰা নহয়। অৱশেষত তাক নিৰ্ণয় কৰাৰ দায়িত্ব মোৰ নহয়, সেই দায়িত্ব ন্যস্ত থাকে নৱজ্যোতিৰে অভিজ্ঞ জ্যোতিষ্মান সকলৰ হাতত।

মোৰ কাৰ্য্যকালত প্ৰতিটো দিশত সু-পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় ওমৰ আলী আহমেদ মহোদয়লৈ মোৰ আন্তৰিক শলাগ যাচিছোঁ। তাৰ উপৰিও ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় কামৰুজ্জামান আহমেদ আৰু অতি শ্ৰদ্ধাৰ সমূহ শিক্ষাগুৰুসকলৰ সুপৰিচালনাৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তাৰ উপৰিও ছাত্ৰ একতা সভাৰ সমূহ সদস্য, সদস্যাসকলে মোৰ প্ৰতিটো সিদ্ধান্ত আৰু পৰামাৰ্শ মানি চলাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম।

যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু দাদা, বাইদেউয়ে নানান বাধা-বিঘিনি নেওঁচি অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ ফলত সাধাৰণ সম্পাদকৰ নিচিনা গুৰুত্বপূৰ্ণ দায়িত্বশীল পদত মোক নিৰ্বাচিত কৰিছিল সেই সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু দাদা, বাইদেউসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। ছাত্ৰ বন্ধুৱে মোক আৰু নৱজ্যোতি মহাবিদ্যালয়ৰ সকলোধৰণৰ কামত প্ৰত্যক্ষ ও পৰোক্ষ ভাৱে সহায় সহযোগ কৰাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰ কৃতজ্ঞ।

শেষত যি সকল মহান ব্যক্তিৰ আপ্ৰান চেষ্টাৰ ফলত এই মহাবিদ্যালয় স্থাপন হৈছিল তেখেতসকলৰ চৰণত সভক্তি নিবেদন কৰিলো। ইতি-

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"

ধন্যবাদেৰে-
মোঃ ৰেজাউল ৰছুল হক
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা, নৱজ্যোতি মহাবিদ্যালয়,
কলগাছিয়া।



## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই মই নৰজ্যোতি মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাসকলক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু লগতে যিসকল ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টাত পশ্চিম বৰপেটাৰ ভিতৰত একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ নৰজ্যোতি মহাবিদ্যালয়খন গঢ়ি উঠিছে সেই সকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক লঘু খেল বিভাগৰ সম্পাদক হিচাপে পৰিচয় দিয়াৰ সুযোগ দিছে তেওঁলোকলৈ মোৰ আন্তৰিক ভালপোৱা জ্ঞাপন কৰিছোঁ।

২০০৮-০৯ ইং চনৰ বাবে এইখন নৰজ্যোতি মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ সম্পাদকৰ দায়িত্ব হাতত লোৱাৰ পিছতেই মই মোৰ বিভাগত থকা কেৰম, বেডমিন্টন, ডবা আদি খেলৰ প্ৰতিযোগিতা অনুষ্ঠিতকৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা আছিল তেনেই তাকৰ। তদুপৰি খেলৰ মানদণ্ড আছিল নিম্নস্তৰৰ। বিশেষকৈ ছোৱালীৰ খেলুৱৈ মানসিকতাৰ অভাৱ এইখন মহাবিদ্যালয়ৰ এটা চিন্তানীয় দিশ। গতিকে সম্পাদক হিচাবে আগন্তুক দিনৰ ছাত্ৰ-ছাত্ৰ সকলক লঘূ খেলৰ প্ৰতি বিশেষ ভাবে আকৃষ্ট হ'বৰ অনুৰোধ জনালোঁ।

যিহেতু খেলা-ধূলা শিক্ষাৰ এটা অংগ সেই কাৰণে মই নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সময়মতে খেলা-ধূলা কৰাৰ কাৰণে অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালত সৎ উপদেশ দি উৎসাহিত কৰা ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় মাছুদ হাছান চাহাবক আৰু তেখেতৰ লগত অধ্যাপক আৰু অধ্যাপিকা তথা ছাত্ৰ একতা সভাৰ সমূহ সদস্য, সদস্যা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

বিভিন্ন ধৰণৰ পৰামৰ্শ আৰু খেল পৰিচালনাত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মহাবিদ্যালয়ত এবছৰীয়া কাৰ্য্যকালত কৰি অহা অবাঞ্চিত ভুলৰ বাবে ক্ষমা বিচাৰি নৰজ্যোতি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"নৰজ্যোতি মহাবিদ্যালয় জিন্দাবাদ"

ধন্যবাদেৰে-

শফিকুল ইছলাম (বাবু)

সম্পাদক, লঘু খেল বিভাগ।







## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে ঐক্যৰ প্ৰতীক নৰজ্যোতি মহাবিদ্যালয়ৰ প্ৰতি মোৰ আন্তৰিক গভীৰ ভালপোৱা থাকিল। লগতে সেই সকল মহান ব্যক্তিলৈ মোৰ হিয়া ভৰা আন্তৰিক ভালপোৱা ও শ্ৰদ্ধা নিবেদিছো, যিসকল ব্যক্তিৰ ত্যাগৰ বিনিময়ত অজ্ঞাত অন্ধকাৰে ঢাক খাই থকা এই পিছ পৰা অঞ্চলৰ দুখীয়া ৰাইজ তথা জনসাধাৰণক উন্নতিৰ বাটত আগবাঢ়িবলৈ পোহৰ বিলালে। এই মহাবিদ্যালয়খনৰ লগত জড়িত হৈ আমাৰ মাজৰ পৰা চিৰবিদায় লোৱা ব্যক্তিসকলৈও মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

মোৰ কাৰ্য্যকালত পৰামৰ্শ দি উৎসাহিত কৰা তত্বাৱধায়ক মাননীয়া অধ্যাপিকা ছৈয়দা হামিদা খাতুন বাইদেউক আন্তৰিক শ্ৰদ্ধা জনালোঁ। এই ছেগতে আমাৰ নৰজ্যোতি মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকললৈও মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। যিসকল ছাত্ৰ ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে ২০০৮-০৯ ইং চনৰ বাবে নৰজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদৰ বাবে মোক ভোট দি নিৰ্বাচিত কৰিছিল তেওঁলোকৰ ওচৰতো মই চিৰ কৃতজ্ঞ।

সদৌ শেষত নজনাকৈ বৈ যোৱা ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰি নৰজ্যোতি মহাবিদ্যালয়ৰ ভবিষ্যৎ মঙ্গল কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৰজ্যোতি মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

**ধন্যবাদেৰে-**

**ৰুবিনা খাতুন**

সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা।



## তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্তত সেই সকল মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো, যাৰ সপোনৰ ফল এইখন নৱজ্যোতি মহাবিদ্যালয়। লগতে ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় সমন্বিতে কাৰ্যালয় কৰ্মচাৰীবৃন্দলৈ হাৰ্দিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। আমাৰ মাজৰ পৰা ইতিমধ্যে চিৰ বিদায় লোৱা মহান ব্যক্তিসকলৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ।

মানুহৰ তথ্যসন্মত সিদ্ধান্তৰ প্ৰতি আগ্ৰহৰ আধাৰত সৃষ্টি হল তৰ্ক প্ৰতিযোগিতাৰ। সেয়েহে মানুহৰ মাজত তৰ্ক প্ৰতিযোগিতা বৰ্তী থকাটো স্বাভাৱিক। প্ৰত্যেক বছৰৰ ধৰে এই বেলিও ২০০৮-০৯ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ অধিনত থকা প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণৰ বাবে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক সুবিধা আগবঢ়োৱাৰ যথেষ্ট চেষ্টা কৰিছোঁ। প্ৰতিযোগিতাত জয় হোৱাটো একমাত্ৰ কথা নহয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাটোহে ডাঙৰ কথা।

২০০৮-০৯ বৰ্ষত নৱজ্যোতি মহাবিদ্যালয়ৰ তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ দায়িত্বত কিমানখিনি সফলতা অৰ্জন কৰিব পাৰিছো তাক নিৰ্ণয় কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীৰ ওপৰত এৰি দিলো। যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিটো পদক্ষেপত মোক সহায়ৰ হাত আগবঢ়াইছে সেই সকলৈ মোৰ আন্তৰিক অভিনন্দন থাকিল। বিশেষকৈ দেৱান ফাৰুক আহমেদ, মাহমুদুল, ৰমজান, মকিবুল, ৰকিবুল, নুৰুল, আমিনুল, নাৰ্গিছ, ছামচুন নেহাৰ, ছেলিনা, লাকী, এই সকললৈ মোৰ ধন্যবাদ তথা আন্তৰিক আভিনন্দন যাচিছো।

এইবেলি মহাবিদ্যালয় সপ্তাহত তৰ্ক, কুইজ, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তাৰ ওপৰি শংকৰ কলাক্ষেত্ৰতো কুইজত অংশ লোৱা হয়।

সদৌ শেষত প্ৰতিযোগিতাত সহায় সহযোগিতা কৰা অধ্যাপক-অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। বিশেষকৈ তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় আতোৱাৰ ৰহমান ছাৰলৈ মই ধন্যবাদ জ্ঞাপন কৰিলো।

শেষত বিদায় লোৱাৰ আগতেই ভুল ত্ৰুটিৰ বাবে শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা মাৰ্জনাৰ লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে-
**দেৱান আব্দুল হক**
সম্পাদক, তৰ্ক আৰু সুকুমাৰ কলা বিভাগ।







## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই মোৰ ফালৰ পৰা সেই সকল ব্যক্তিৰ পদযুগলে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো, যি সকল ব্যক্তিৰ কঠোৰ তপস্যাৰ ফলত কলগাছিয়াৰ নিচিনা পিছপৰা সংখ্যালঘু অধ্যুষিত অঞ্চলত নৱজ্যোতি মহাবিদ্যালয়ৰ নিচিনা উচ্চ শিক্ষাৰ একমাত্ৰ মহান প্ৰতিষ্ঠান গঢ়ি উঠিছে। লগতে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন যাছিলোঁ সেই সকল অধ্যাপক, অধ্যাপিকালৈ যি সকলৰ কঠোৰ পৰিশ্ৰমৰ ফলস্বৰূপে নৱজ্যোতি মহাবিদ্যালয়ে সুনাম কৰিয়াই সু-উচ্চ স্থান দখল কৰি আহিছে।

যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে নানান বাধা বিঘিনি নেওঁচি তথা মহান প্ৰচেষ্টাৰে এইখন মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদত মোক ভোট দি নিৰ্বাচিত কৰিছিল তেখেতসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। তাৰে ভিতৰত শ্বাহিদা চৌধুৰী, আনোৱাৰ হুছেইন, আৰিফুল হুছাইন, আছমা ছিদ্দিকা, শ্বাহিদা খাতুন, দেৱান ফাৰুক আহমেদ, জিয়াৰুল ভূঞা, মতিয়াৰ ৰহমান, ফিৰদাউছ আলী, দেৱান আব্দুল হ'ক, আতিকুৰ ৰহমান, খাইৰুল ইছলাম, ছাকিল আহমেদ, ৰকিবুল ইছলাম (ৰাজা) আৰু খন্দঃ মকিবুৰ ৰহমানে মোৰ প্ৰতিটো কামত সু-পৰামৰ্শ আৰু সহায় সহযোগিতা কৰাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

প্ৰত্যেক বছৰৰ দৰে এই বছৰো সীমিত সময়ৰ ভিতৰত "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন হোৱাত মই যিখিনি দায়িত্ব পালন কৰিব লাগিছিল হয়তো সেই খিনি কৰিব পৰা নাই। সেই অবাঞ্চিত ভুলৰ বাবে সকলো অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

মই গুৰুখেল সম্পাদকৰ পদত থাকি এটা বিষয় লক্ষ্য কৰিছো যে, আমাৰ বিদ্যালয়ত বহুতো প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী আছে যদিওঁ খেলা-ধূলাৰ প্ৰতি সিহঁতে উদাসীনতা অৱলম্বন কৰি থাকে। বিশেষকৈ ছাত্ৰীবিলাকৰ প্ৰতি সেইটো লক্ষণীয়। মই এইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক আহ্বান যাচিছো যে, আগন্তুক দিনত সিহঁতে লিখা পঢ়াৰ লগতে খেলা ধূলাতো সমান ভাৱে অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব।

সদৌ শেষত, যি মৰম আৰু আস্থাৰে মোক এই দায়িত্ব অৰ্পন কৰা হৈছিল তাৰ দাবীতেই এৰি অহা ভুলবোৰৰ শুধৰণি আৰু ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ ভৱিষ্যতৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীসকলৰ সৰ্বাঙ্গীন মঙ্গল কামনা কৰি সামৰণি ৰেখা টানিলো।

"হে নৱজ্যোতি তোমাৰ জীৱাতত্ব আমাৰ প্ৰাণ
তুমি জীয়াই থকা আমাকো ৰাখা"
"জয়তু নৱজ্যোতি মহাবিদ্যালয়
জয় আই অসম"

ধন্যবাদেৰে-
**মুকুল সৰকাৰ**
সম্পাদক, গুৰু খেল বিভাগ



## সংগীত আৰু সাংস্কৃতিক বিভাগ সম্পাদকৰ প্ৰতিবেদন

লিখনিৰ পাতনিতে যিসকল মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাৰ ফলত জ্ঞান আলোড়নকাৰী অনুষ্ঠান নৱজ্যোতি মহাবিদ্যালয়ে জন্ম লাভ কৰিছে, সেই সকল স্বনামধন্য ব্যক্তিলৈ যাচিছোঁ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শলাগৰ শৰাই। লগতে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

এইখিনিতে মই যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে অশেষ কষ্ট কৰি তেওঁলোকৰ অতি মূল্যৱান ভোটেৰে মোক ছাত্ৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি এক গুৰু দায়িত্ব বহন কৰাৰ বাবে সুযোগ দিছিল, সেইসকল বন্ধু-বান্ধৱীক মোৰ হিয়া ভৰা ওলগ জনাইছোঁ।

আন আন বছৰৰ দৰে এই বৰ্ষতো ২০০৮-০৯ ইং চনত "মহাবিদ্যালয়ৰ সপ্তাহ"ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ অধিনত বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হৈ যায়। অইন বছৰৰ দৰে এইবাৰো সাংস্কৃতিক সন্ধিয়াত বিভিন্নধৰণৰ গীত-মাত, কৌতুক ইত্যাদিৰ উপৰিও নৃত্যৰ জৰিয়তে প্ৰতিযোগিয়ে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকল, সংগীত আৰু সাংস্কৃতিক সম্পাদক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰি যিমানখিনি কাম কৰাৰ আশা কৰিলোঁ, বিভিন্ন অসুবিধাৰ বাবে হয়তো সেইখিনি সম্ভৱ নহল।

মোৰ কাৰ্যকালত পৰামৰ্শ দি উৎসাহিত কৰা তত্বাৱধায়ক মাননীয় অধ্যাপক সুশীল কুমাৰ সৰকাৰ দেৱলৈ শ্ৰদ্ধা জনাইছো। লগতে যিসকল শিক্ষাগুৰু, বন্ধু-বান্ধৱীয়ে পৰামৰ্শ দি প্ৰেৰণা যোগাইছিল সেইসকলকো জনাইছো আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা।

সদৌ শেষত মোৰ কাৰ্যকালৰ আৰু প্ৰতিবেদনৰ সমূহ ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"

ধন্যবাদেৰে-
**শ্বেক মুকুল হুচাইন**
সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ।







## শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে মই সেই সকল ব্যক্তিলৈ ধন্যবাদ যাচিছোঁ, যাৰ আপ্ৰান চেষ্টাৰ ফলত কলগাছিয়াৰ নিচিনা পিছপৰা অঞ্চলত গঢ়ি উঠে উচ্চ শিক্ষাৰ অনুষ্ঠান "নৱজ্যোতি মহাবিদ্যালয়"। বৰ্তমান সেই পুজনীয় ব্যক্তিসকলৰ যিসকল আমাৰ মাজত নাই তেখেত সকলৰ আত্মাৰ সৎগতিৰ বাবে মহান সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাওঁ।

বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকললৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। শৰীৰ চৰ্চা বিভাগৰ সম্পাদক পদৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিবলৈ সুযোগ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ তথা ছাত্ৰ-ছাত্ৰী সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত শৰীৰ চৰ্চা বিভাগৰ অধিনস্থ বিভিন্ন প্ৰতিযোগিতা হৈ যায়। ইয়াত অংশ গ্ৰহণ কৰি নিকা পাৰদৰ্শিকতা দেখুৱাৰ উপৰিও ব্যক্তিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীলৈ হিয়া ভৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। এই বিভাগৰ সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰি মই এটা কথা লক্ষ্য কৰিছো যে খুউব কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। তাতো তুলনামূলক ভাৱে ছাত্ৰতকৈ ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ। যিয়েই নহওঁক সমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ জনাওঁ যাতে এই বিভাগৰ সমূহ কাৰ্যসূচীত একাগ্ৰতাৰে তেওঁলোকে অংশগ্ৰহণ কৰে। মোৰ কাৰ্যকালত গঠনমূলক দিহা পৰামৰ্শ দি সহায় কৰা তত্বাবধায়ক অধ্যাপক ব্ৰজ কিশোৰ শ্যামল মহাশয় আৰু ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক, সম্পাদিকা সকলক আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

ইয়াৰ উপৰিও বিভিন্ন খেল পৰিচালনাত মোক সহায় কৰা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ কৃতজ্ঞতা যাচিছোঁ।

শেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰি আৰু নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"


শ্ৰদ্ধাৰে-
**ফিৰদাউছ আলী**
সম্পাদক, শৰীৰ চৰ্চা বিভাগ।

সমাপ্ত
















# EX. EDITORS & EDITRESS

| ISSUE | NAME | SESSION |
|---|---|---|
| 1st | Rafiqul Islam | 1979-80 |
| 2nd | L.M. Khan | 1981-82 |
| 3rd | M. Mazedur Rahman | 1982-83 |
| 4th | Rustom Ali Ahmed | 1983-84 |
| 5th | Miss. Mahmuda Khanam | 1984-85 |
| 6th | Nurul Islam | 1985-86 |
| 7th | M.U. Ahmed | 1986-87 |
| 8th | A.S. Ahmed | 1987-88 |
| 9th | A.H. Ali | 1988-89 |
| 10th | M.A. Rahman | 1989-90 |
| 11th | Rafiqul Islam | 1990-91 |
| 12th | Shahjahan Ali (Shazamal) | 1991-92 |
| 13th | Muzzammel Hussain | 1992-93 |
| 14th | Zahidul Islam | 1993-94 |
| 15th | Zakir Hussain | 1994-95 |
| 16th | Helal Uddin | 1995-96 |
| 17th | Azad Hussain Sarif | 1996-97 |
| 18th | Nurul Islam | 1997-98 |
| 19th | Late Shahjahan Ahmed | 1998-99 |
| 20th | Dost Hafijur Rahman | 2001-02 |
| 21th | Rofiqul Islam | 2002-03 |
| 22th | Shahjahan Ali | 2003-04 |
| 23th | Rafiqul Islam | 2005-06 |



নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হকে
আলোচনী সম্পাদক আতিকুৰ ৰহমানৰ দ্বাৰা
সম্পাদিত, প্ৰকাশিত আৰু
প্ৰগতি অফ্‌ছেট, কলগাছিয়াত মুদ্ৰিত
# 9954896945

